# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ১১/০৩/২০২০ বুধবাৰ

ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অসম বিধান সভাৰ বাজেট অধিবেশন,২০২০ চনৰ ১১- ০৩-২০২০ তাৰিখৰ কাৰ্য্যক্ৰমণিকা আৰম্ভ হয়।

**মাননীয় অধ্যক্ষ ঃ**তৰাযুক্ত প্ৰশ্ন নং- ১২১ ৰেকিবুদ্দিন আহমেদ । তেখেত অনুপস্থিত । নেক্সট কোৱেশ্চন আব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডলঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰটো পাইছো। প্ৰশ্ন দেখাত একেবাৰে সৰু আছিল। প্ৰশ্নটো এই কাৰণে ক'ব লগা হৈছিল। ০৪-০৩-২০ ত মোৰ আৰু এটা Unstarred Question আছিল - নং ১০৪ । তাত মোৰ প্ৰশ্ন আছিল। গোৱালপাৰা সমষ্টিত water Resource Department য়ে কি আঁচনিৰ অনুমোদন দিছিল। কি কি প্ৰপোজেল আছিল। আৰু প্ৰপোজেলসমূহ চেংশ্যন কৰিব নোৱাৰাৰ কাৰন কি আছিল । তাত উত্তৰ দিয়া আছিল যে টকাৰ অভাৱত আঁচনিসমূহ চেংশ্যন দিব পৰা নাই। কিন্তু দেখা গৈছে ২০১৮-১৯, ২০১৯-২০ আৰু প্ৰায় ৬০৮ কোটি টকা SOPD ত আবন্টণ কৰা হৈছে, বিভিন্ন ডিভিজনত। গোৱালপাৰাত জিলাত প্ৰায় নীল বুলি কোৱা গৈছে। তেনেকৈ ২০১৮-১৯ ত SDRF ত কেইবাশ কোটি টকা আবন্টণ দিয়া গৈছে কিন্তু গোৱালপাৰা জিলাত নীল দেখুওৱা গৈছে। মাননীয় মন্ত্ৰী মহোদয় কেইদিনমান আগতে গোৱালপাৰা জিলা ভ্ৰমণ কৰিছিল। তেখেতে চৰজমিন তদন্ত কৰি পাইছে, তেখেতে স্বীকাৰো কৰিছে তাৰ বাবে মই ধন্যবাদ দিছো। তেখেতে গোৱালপাৰা জিলাৰ ভিতৰুৱা অঞ্চলবিলাকত গৈ চিগনেচাৰ প্ৰজেক্টৰ আঁচনি উদ্বোধন কৰিছে। এতিয়া প্ৰশ্নটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা ডিভিজনৰ পৰা যিমান কেইটা আঁচনি এতিয়াও পেণ্ডিং অৱস্থাত আছে State Exicutive Committee ৰ অনুমোদন নোহোৱাকৈ আছে সেইবিলাক অনুমোদন দিয়া হ'বনে নাই ? দ্বিতীয়তে, হৈছে এফ এম পি আঁচনিত গোৱালপাৰাত জিলাত দুটা প্ৰায় ৫০ কোটিৰ আঁচনি চেংশ্যন হৈছিল। তাৰে মাত্ৰ State Share খিনিহে release হৈছিল। Central Funding ২ টা স্কীমৰ ষ্টেট শেয়াৰখিনিহে ব্যয় হ'ল। এটা স্কীমত ৩৪ শতাংশ প্ৰগ্ৰেছ এটাত ৫৪ শতাংশ প্ৰগ্ৰেছ হ'ল। বিভাগ বা ঠিকাদাৰৰ অৱহেলাৰ কাৰনে আঁচনি অসম্পূৰ্ণ হ'ল ইয়াত ৰাইজৰ কিন্তু দোষ নাই। ৰাইজে মাটি দিছে, এতিয়া এই আঁচনি দুটা ৰূপায়ণ হ'বনে নাই?

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিছ......। চাপ্লিমেন্টৰী দুটা কৰিছে একেলগে।

**শ্ৰীকেশৱ মহন্ত , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে দুটা কথা কৈছে- এটা হ'ল পুঁজিৰ অভাৱত কাম কৰিব পৰা নাই আৰু আনটো হৈছে এম এম পি। গোৱালপাৰা জিলাত আমি যথেষ্ঠ আঁচনি লৈছো। ২০১৮-১৯ত লৈছো, ২০১৯-২০ তো লৈছো। তাৰ ওপৰিও আমাৰ দুজন সন্মানীয় বিধায়কে তাত চিগনেচাৰ প্ৰজেক্ট গুৰুত্বপূৰ্ণ স্থানত দিছে। গতিকে সেইফালৰ পৰাও তাত আঁচনি হৈছে। গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰ নদী মূল ভূমিকা আছে- তাৰ পিছতে জিঞ্জিৰাম, জিঞ্জিৰি, কৃষ্ণাই, দুধনৈ ইত্যাদি আছে। এতিয়া আমি এচ ডি আৰ এফৰ আঁচনি কৰিবলৈ হ'লে তাত পুৰনি infrastructure থাকিলেহে কৰিব পাৰি। নহ'লে অন্যান্য আঁচনিৰ পৰা কৰা যায়। তেখেতে

আৰু এটা কথা কৈছে- এফ এম পি টো ইয়াৰ লগত কিছু জড়িত। ইয়াৰ আগতে এফ এম পিৰ যিকেইটা আঁচনি দিয়া হ'ল, সেই আঁচনিকেইটা এই চৰকাৰ অহাৰ আগতে ২০১৩-১৪ চনৰ আঁচনি। যোৱা বিধান সভাত মৰিগাও জিলাৰ লগত সম্পিৰ্কীত এটা প্ৰশ্ন উত্তৰত কৈ গৈছো। য'ত ৭০ কোটি টকাত ১০৬৪ জন কনট্ৰেক্টৰ দিয়া হৈছিল যাৰ বাবে আমি কাম কৰাব নোৱাৰিলো। ইয়াতো যথেষ্ঠ সংখ্যাক কনট্ৰেক্টৰ দিয়া হৈছে যাৰ বাবে কাম কৰাবলৈ আমি সুবিধা নাপাওঁ। আৰু এফ এম পিৰ যিটো চেন্ট্ৰেল গৰ্ভমেন্টৰ চেংশ্যন আছিল । চেন্ট্ৰেল গৰ্ভমেন্ট আৰু ষ্টেট গৰ্ভমেন্ট ৰ জইন্ট টীম ভিজিট কৰাই আমি ঠিক কৰালো যে কোনখিনিত আমি কামটো ক্লজ কৰিম। সেই পৰ্য্যায়লৈ আমি জাব লগা হৈছে আৰু সেই কাৰনে কোনোটো কাম এশ শতাংশ হৈছে আৰু কোনোটে কাম তেখেতে কোৱাৰ দৰে ৫৪ শতাংশ হৈছে। ক'বাত আমি যদি কনট্ৰেক্টৰ পাইছো কৰাই লৈছো আৰু সেই সময়তে কামটো ক্লজ কৰিছো আৰু মাননীয় অধ্যক্ষ ঃ State Share টো দি , তাৰ যিখন Demand চেন্ট্ৰেল গৰ্ভমেন্টলৈ পঠিয়ালে আমাক টকাটো দিয়ে। গতিকে সেইটোয়ে নিয়ম। ব্ৰহ্মপুত্ৰ বোৰ্ডৰ জৰিয়তে দিব লাগিব। তেওঁলোকে চেক কৰিব লাগিব । তাৰ পিছত যিটো ৰিপোৰ্ট দিব তাৰ ওপৰত দিয়ে। গতিকে আমি এই প্ৰক্ৰিয়াত আছো। - আপোনাৰ তাত ৫০ কোটি টকাৰ আঁচনিও লোৱা হ'ল- তাত এখন আঁচনি চলি থাকোতে বেলেগ এখন আঁচনি তাত জাপি দিব নোৱাৰো। গতিকে তেনেধৰনৰ অৱস্থা এটাত গৈ পেলাই আমাৰ কিছু কামৰ ইফাল- সিফাল হৈছে। কিন্তু এইবিষয়ে আলোচনা হৈছে আমি পৰৱৰ্ত্তী সময়ত এইখিনি লৈ আমি অগ্ৰাধিকাৰভিত্তিত আগবাঢ়িম।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডলঃ** অধ্যক্ষ মহোদয়, Tributary ৰ যিটো কথা কোৱা হৈছে। ইয়াৰ দুয়োটা পাৰত যদি Embankment দিয়া নহয় Flash Flood ৰোধ নহয়, আমি প্ৰতিজনে জানো যে বান সাহাৰ্য্যৰ নামত প্ৰতিবছৰে আমি কেইবাশ কোটি টকা ব্যয় কৰিব লগীয়া হয়। গতিকে দুয়োটি পাৰে নতুন মথাউৰি বান্ধি পানপানী ৰোধৰ ব্যৱস্থা কৰিবনে নাই ? দ্বিতীয়তে, এফ এম পি যি দুটা আঁচনি অসমাপ্ত অৱস্থাত আছে সেই দুটা এচ ও পি ডি বা আন কোনো পুঁজিৰ পৰাই হওঁক সমাপ্ত কৰাৰ ব্যৱস্থা কৰিবনেকি ? তৃতীয়তে যিটো Physical Progress দেখুওৱা হৈছে ইয়াৰ লগত মই ব্যক্তিগতভাবে একমত নহয় ....।

**মাননীয় অধ্যক্ষ ঃ** Please ..... This is not the way ....। আপুনি 'জিৰো আৱাৰ'ত মই আলোচনা কৰিবলৈ দিম।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Physical Progress আৰু Financial Progress ৰ যিটো কথা কোৱা হৈছে- এইটো অকল ষ্টেট গৰ্ভমেন্টে কৰা নাই চেন্ট্ৰেল গৰ্ভমেন্টৰ CWC ৰ পৰা মানুহ আহিJoint Visit কৰিছে। ষ্টেটৰ মানুহে অকলে গৈ কৰিছে এইটো নহয়। জইন্ট ভিজিটৰ ৰিপোৰ্ট লৈ আমি আগবাঢ়িছো।তাৰ পৰা মানুহ আহি জইন্ট ভিজিট কৰিছে, ইয়াত কেৱল ৰাজ্য চৰকাৰৰ মানুহ গৈ কিবা কৰিছে তেনেকুৱা নহয়। জইন্ট ভিজিটৰ ৰিপোৰ্ট লৈ আমি আগবঢ়িছো। গতিকে এই আঁচনি এখন চলি থাকোতে আমাৰ এচ ও পি ডি ৰ পৰা, নাবাৰ্ডৰ পৰা আদিৰ পৰা, আৰু এখন আঁচনি জাপি দিব নোৱাৰো। যেতিয়া এই আঁচনিখন সম্পূৰ্ণ বন্ধ হৈ যাব, বন্ধ মানে কি পা-পইচা দি আদায় হ'ব তেতিয়া যিখিনি কাম বাকী থাকে হয়তো তেতিয়া সেইখিনি কাম আমাৰ অন্য পুঁজিৰ পৰা কৰিব পৰা হ'ব। কৰিব নোৱাৰা হ'ব মই এইটো নকওঁ। গতিকে মই এইখিনি আপোনাক কলো আৰু উপনদী কেইটাৰ বিষয়ে শুনক, তেখেতে এটা কথা কৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, তেখেতে কোৱা সকলো কথা কব নালাগিব, কাৰণ নহলে আমাৰ নাহিবগৈ কথাবিলাক।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** উপনদী যিকেইখনৰ নাম কলো তাত উপনদী বিলাকৰ কাষত ডি আৰ ডি এ ৰ বান্ধ আছে, একেবাৰে নদীৰ কাষত। আজিৰ বান্ধিলে কালিলৈ খহাই লৈ যাব। তাৰে ডি আৰ ডি এ ৰ পৰা এন ও চি দিবলৈ প্ৰক্ৰিয়া ইতিমধ্যে কৰিছে আমাৰ দূধনৈৰ বিধায়ক ডাঙৰীয়াও এইটো কথা কৈ আছিল যে তেওঁৰো সমষ্টি পৰে। গতিকে ডি আৰ ডি এ য়ে যেতিয়া আমাক এন ও চি দিব তেতিয়া আমি তাত কাম কৰিবলৈ আগবাঢ়িব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন ১২৩।

**শ্ৰীআবুল কালাম ৰছিদ আলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাপ্লিমেন্টৰী বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** নাই এইটোৰ Related only one sub-division. নাই নাই সেইটো sub-divisionত বেলেগ কথা নাই ইয়াত। মই নিজেই চাইছো, এইটো জলসিঞ্চন বিভাগৰ আপোনাৰ গোৱালপাৰ ৰেষ্ট ডিভিজনৰ কিবা প্ৰশ্ন আছে কওঁক নহলে বেলেগ নহ'ব।

**শ্ৰীআবুল কালাম ৰছিদ আলাম ঃ** চাৰ, এইটো চাওঁক।

**মাননীয় অধ্যক্ষ ঃ** মই সেই বিলাক চাব খোজা নাই, I have examine the whole thing. Next question 123 Rafikul Islam, please. I am taking your points.

**শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। বেকী নদীৰ গড়াখহনীয়াৰ প্ৰটেক্চন সম্পৰ্কে মোৰ বিশেষ ভাৱে প্ৰশ্ন আছিল। বেকী মথনগুৰীৰ পৰা ময়ানবৰী ইয়াৰ আগতেও দুবাৰ মান চি দব্লিউ চি ৰ পৰা আঁচনি পাছ হৈ দিল্লীলৈ গৈছে, কিন্তু অৱশেষত গৈ দ্ৰপ হয়। এতিয়া মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো, তেখেতে আকৌ এইটোৰ প্ৰচেষ্টা হাতত লৈছে আৰু চি দব্লিউ চি ত পাছ হৈ শ্বিলং জলবোৰ্ডত এতিয়া আছে, দিল্লীলৈকে যাব। কিন্তু আগত এনেকৈ দুবাৰ গৈ কেন্চেল হৈছে আৰু বেকী নদীৰ পাৰে পাৰে বহুত স্কুল, মন্দিৰ-মজ্জিদ, বজাৰ এইবোৰ জাহ গ'ল। বহুত গুৰুত্বপূৰ্ণ পইন্ট আপোনাৰ কমাৰপাৰাৰ পৰা আৰম্ভ কৰি কৰাৰকুম জনতা, কালমপুৰ, শোনাপুৰ, জাবৰিমালী, চিকনী একেইবাৰে ময়নবৰী লৈকে বহুত ক্ষতিগ্ৰস্ত হৈছে। এইবাৰ আঁচনি গৈছে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে যোৱা দুটা যেনেকৈ গৈ দিল্লীত গৈ দ্ৰপ হৈ যায়, এইবাৰ যাতে নহয়, তেখেতৰ ফালৰ পৰা এটা যাতে সঠিক পদক্ষেপ লোৱা হয় আৰু এই বেকীৰ পাৰ্মেনেন্ট প্ৰটেক্চনৰ কাৰণে যি আঁচনি গৈছে সেইখিনি ঠিকেই থাকে থাকি পাছ হৈ কিমান দিনৰ ভিতৰত আহিব বুলি আমি আশা কৰিব পাৰো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে তাত বেকী নদীৰ ক্ষেত্ৰত আমি আঁচনি লৈছো, একেলগে লৈছো বুঢ়িদিহিং বেকী এনেকৈ কেইবাটাও আছে বিশ্ববেংকৰ আধাৰত আছে আৰু তেওলোকৰ পুঁজিৰ দ্বাৰাই এইখিনি নিৰ্মাণ হ'ব। এইখিনি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ যিটো এম্পাৱাৰ কমিটি তেওঁলোকে ক্লিয়াৰেন্স কৰিছে কেৱল হোমমিনিষ্ট্ৰিৰ পৰা বাকী আছে। গতিকে বিষয়টোৰ অগ্ৰগতি হৈছে। গতিকে মই আশা কৰিছো এই ক্ষেত্ৰত আমি যিখিনি ইয়াৰ কাৰণে অনুমোদন পাব লাগে, সেইখিনি অনুমোদন আমি পাম।

**শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে হোৱাৰ আশা আছে। আমিও আশাবাদী যে বেকীৰ যি তাণ্ডৱ এই আঁচনিটো পাছ হলে নিশ্চয় জনগণে সকাহ পাব। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে যিহেতু দিল্লীৰ পৰা চেংচন হৈ আহোতে অলপ সময়

লাগে, দুটামান ড্ৰপ হ'ল, এইটো আহিব। ইয়াৰ আগত, এতিয়াও গড়াখহনীয়া হৈ আছে মাননীয় অধ্যক্ষ মহোদয়, বৰদঙা অঞ্চলত এই খৰালীটো গড়াখহনীয়া হৈ আছে। আপোনাৰ কালামপুৰ, শোণাপুৰ, মজ্জিদ ভিটা, বেছীমাৰী, মোৰামাৰী এই অঞ্চলবোৰত এতিয়াও গড়াখহনীয়া হৈ আছে। গতিকে অস্থায়ী ভাৱে কিছু টকা যদি তাত ধাৰ্য্য কৰা হয় আৰু এইখিনি প্ৰটেক্চনৰ কাম যদি অতি সোনকালে হাতত লোৱা হয় মই ভাৱো জনগণৰ সুবিধা হ'ব, এই বিষয়ে মন্ত্ৰী মহোদয়ে উত্তৰ দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে তেখেত সকলৰ অঞ্চলত আমাৰ মাননীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াও আছে, একেই ওচৰা ওচৰি।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ চাপ্লিমেন্টৰী আছে।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** আছে, তেখেতে ক'ব, কিন্তু কি ক'ব ময়ো জানো, কি উত্তৰ দিম তেখেতেও সেইটো জানে। গতিকে এই কামখিনিৰ বাবে আমি তেখেত সকলৰ লগতো আলোচনা কৰিছো, কৰি আমি চেষ্টা কৰিছো যে আগতীয়াকৈ অলপ কি পুঁজিৰে তাত কাম কৰিব পৰা যায় সেইখিনিৰ চেষ্টাত আছো আৰু নিশ্চয় এইখিনি আমি অলপ হলেও কাম কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলী আহমেদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, নামনি অসমৰ ভিতৰত অন্যতম গড়াখহনীয়া প্ৰৱন সমষ্টি হ'ল বাঘবৰ। ইয়াত ৫ টা নদী ব্ৰহ্মপুত্ৰ, বেকী, আই মানাহ, জলজ্বলী, ভেলেঙী এইকেইটাৰ গড়াখহনীয়াৰ তাণ্ডৱ। এফালে যদি কিবা অলপ কাম কৰা হয় আনফালে উটিভাহি যায় এনেকুৱা ধৰণৰ এটা অৱস্থা। কিন্তু মাননীয় মন্ত্ৰী মহোদয়েও এইবোৰ লৈ গলে তেখেতৰ সীমিত সামৰ্থৰে যিখিনি পাৰে যথেষ্ট গুৰুত্ব দিয়ে, এইটো মই স্বীকাৰ কৰিছো আৰু তাৰ কাৰণে তেখেতক মই ধন্যবাদ জনাইছো। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো আপুনি ইয়াত উত্তৰত কৈছে যে Express Highway কৰাৰ কাৰণে চাৰ্ভে হ'ল, অলপমান পইচাও খৰছ কৰিছে। সেই Express Highway ৰ বৰ্তমান অৱস্থাটো কি আৰু দ্বিতীয়তে, আপুনি এইবাৰ মধুফল প্ৰটেক্চনৰ কাৰণে প্ৰায় ৩ কোটি টকা দিছে, জিও বেগ হৈ আছে। কিন্তু মধুফলৰ আপষ্ট্ৰিমত হ'ল বঙাইগাঁৰৰ কোচবাৰী মেৰেৰ চৰ আদি এৰিয়া, যদি সেই এৰিয়াটো প্ৰটেক্চন নহয় বঙাইগাঁৰৰ, তেতিয়াহলে এই ৩ কোটি টকা দি, মানে ভিতৰেদী নদীটো সোমাই যোৱাৰ সম্ভৱনা আছে আৰু এই বঙাইগাঁও আৰু বৰপেটাৰ ৰিস্কটো অতি contagious, বঙাইগাঁও আপ ষ্ট্ৰিমত আছে, বঙাইগাঁৰৰ সেইখিনি প্ৰটেক্চন নকৰিলে আমাৰ বৰপেটাত কোনো কামত নাহে। ইতিমধ্যে আপোনাৰ নিৰ্দ্দেশত বৰটাৰীৰ পৰা আই মানাহৰ প্ৰটেক্চনৰ কাৰণে এটা এফ এম পি ত মেমো বনোৱা হৈছে বুলি শুনিছো কিন্তু মাজে মাজে বঙাইগাওঁৰ কিছু অঞ্চল আছে, দুবাচৰী পাৰ্ট ওৱান, পাৰ্ট টু।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটোলৈ আহক।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** হয়, সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে চিমিলাৰ, বৰপেটা ডিভিজনে যেনেকৈ এটা এফ এম পি বনাই আছে ঠিক তেনেকৈ যদি ধুবুৰীৰ অভিযন্তাকো, মই আপোনাক আগতেও জনাইছো বৰপেটা আৰু ধুবুৰী মিলি তেওঁলোকে জইন্টলী এটা বৰটাৰীৰ পৰা চটলা, জনীয়া, বাঘবৰ, দক্ষিন অভয়াপুৰী এনেকৈ মিলি যদি ইন্টিগ্ৰিটেড এপ্ৰোচ লোৱা নহয়, চেগাচৰুকাকে কৰবাত বৰপেটাত আমি লাগি থাকো আপুনি আঁচনি দি দিয়ে কামত

নাহিব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটোলৈ আহক।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মই মন্ত্ৰী মহোদয়ক দুটা কথা অনুৰোধ কৰো, এটা হ'ল Express Highway ৰ বৰ্তমান অৱস্থাটো কি আৰু দ্বিতীয় হল আমাৰ বৰপেটা আৰু ধুবুৰীৰ অভিযন্তাক কৈ এটা জইন্ট চাৰ্ভে কৰি এটা ইন্টিগ্ৰিটেত এপ্ৰোচ বঙাইগাঁও আৰু বৰপেটা মিলাই লবৰ কাৰণে নিৰ্দ্দেশ দিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো Express Highway ৰ কথা কৈছে সেই ক্ষেত্ৰত আমাৰ বিভাগৰ তৰফৰ পৰা গোটেইখিনি চাৰ্ভে কৰি চাৰ্ভেৰ সকলো ৰিপোৰ্ট কেন্দ্ৰীয় চৰকাৰৰ সেই সময়ৰ জলসম্পদ বিভাগৰ মন্ত্ৰী নিতীন গাদকাৰী ডাঙৰীয়াক ২০১৭ চনৰ ২৯ ডিচেম্বৰ তাৰিখে মাজুলীত যিখন সভা হৈছিল তাত আনুস্থানীক ভাৱে মাননীয় মুখ্যমন্ত্ৰীয়ে সেই ৰিপোৰ্ট দিছে গতিকে গোটেই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। দ্বিতীয় কথাটো তেখেতে যি কৈছে ঠিকেই কৈছে যে আমি ইয়াত কথা পাতি থাকিলে শেষ নহ'ব গতিকে মই অতি সোনকালে আমাৰ উচ্চ পদস্থ বিষয়া পঠাম, সদন চলি থাকোতে পঠাম আৰু তাত গৈ তেখেত সকলে দুয়োটা ডিভিজনৰ অভিযন্তা, এ চি সকলোকে লৈ জইন্ট ভিজিট কৰি মিনিমাম কি কৰিব পাৰি, মেক্সিমাম কৰিবলৈ এতিয়া নহ'ব, মিনিমাম কি কৰিব পাৰি আমি কাম কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম This should be related to Barpeta District.

**শ্ৰীআমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, মই বেকী নদীক বিভিন্ন সময়ত দেখিছো সেইফালে অহাযোৱা কৰোতে।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰীটো কি ?

**শ্ৰীআমিনুল ইছলাম ঃ** ইয়াত যিকেইটা আঁচনিৰ প্ৰটেক্চনৰ লিষ্ট দিয়া হৈছে এই লিষ্টটোত গোটেইকেইটাত মই দেখিছো যে টেম্পৰাৰী প্ৰটেক্চনৰ কথাটো আছে কিন্তু পাৰ্মেনেন্ট পটেক্চনৰ কাৰণে, বলডাৰ পিট্চিং, নেট কাৰপেটিং ৰ কানাডাই যিটো টেকনোলজি কৰিছে সেইটো ১০০ বছৰ গেৰান্টি আৰু কম খৰচত এককোটি টকাত ৩ কি.মিটাৰ যায়। বেকী নদীটো যদিও উপনদী ইমান বহল হৈ গ'ল বৰাক নদীতকৈ বেছি বহল হৈ গ'ল। গতিকে সেই কানাডাৰ টেকনলজিটো ব্যৱহাৰ কৰিলে মই ভাৱো ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া। কিবা ভাবিছে নেকি কানাডাৰ technology ৰ বিষয়ে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** কানাডাৰ technology নহয়। বেলেগ নাম হ'ব নিশ্চয় ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা লিখিত দিব তেখেতে study কৰি ল'ব ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** এইটো আমি বিবেচনা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** পৰবৰ্তী প্ৰশ্ন ১২৪। দুৰ্গা ভূমিজ ।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী দুৰ্গা ভূমিজ, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, ২০১০ চনত আৰম্ভ কৰি ২০১১ চনত মুকলি কৰিছে যদিও কথাটো এনেকুৱা আছে যি জিলা উপায়ুক্তৰ যোগেদি নিৰ্মাণ কৰা হৈছে হোষ্টেল, চাহ জনজাতিৰ ছাত্ৰ নিবাস, ডুমডুমাৰ ২ নং লাইনত । এতিয়া কথা হ'ল যে DC Office ৰ পৰা নিৰ্মাণ কৰা হৈছিল আৰু এই হোষ্টেলটো চাহ শ্ৰমিক কল্যাণ পৰিষদক চমজায় দিয়া হৈছিল নেকি

? যদি চমজায় দিয়া নাছিল তেতিয়াহ'লে বিগত দিনত হোষ্টেলটোত সকলো আচবাব, সকলো সামগ্ৰী তাত যোগান ধৰা হয় । যদিহে হস্তান্তৰ হোৱা নাছিলে তেতিয়াহ'লে তাত কেনেকৈ আচবাব কৰিলে । এনেকুৱা বহুতো ছাত্ৰ নিবাসতো হৈছো । মই জানিব বিচাৰিছো যে জিলা উপায়ুক্তৰ পৰা কল্যাণ পৰিষদলৈ হস্তান্তৰ হৈছে নে নাই ? আৰু লগতে কৈ দিছো যে এতিয়া ছাত্ৰী নিবাস মুকলি কৰিবলৈ যাওঁতে নিশ্চয় ৰান্ধনিৰ কথা আহিব, চকীদাৰৰ কথা আহিব । এই ছাত্ৰী নিবাসত যিখিনি যাৱতীয় সামগ্ৰী, বিদ্যুৎ আৰু পানী যোগান ব্যৱস্থা কৰা হৈছেনে ? চকীদাৰ আৰু ৰান্ধনীৰ ব্যৱস্থা হৈছে নে?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক দুৰ্গা ভূমিজ ডাঙৰীয়াই কৈছে যে ডুমডুমা ২ নং লাইনৰ কাষত এক ছাত্ৰী নিবাস নিৰ্মাণ কৰা হৈছে আৰু ২০০৮ চনতে তিনিচুকীয়া জিলা উপায়ুক্তৰ যোগেদি উক্ত ছাত্ৰী নিবাসৰ কাম দ্বায়িত্ব লৈ তেখেত সকলে আগবঢ়াইছিল। এই কাম ২০১১ চনতে সম্পূৰ্ণ হৈছিল আৰু প্ৰাক্তন শ্ৰম মন্ত্ৰী ডাঙৰীয়াই এই হোষ্টেলটো শুভাৰম্ভ কৰিছিল কিন্তু দুখ জনক ভাবে শুভাৰম্ভ কৰা হ'ল কিন্তু তাত ছাত্ৰী সকলৰ থকাৰ যিখিনি ব্যৱস্থা কৰিব লাগিছিল সেই খিনি কৰা নহ'ল । অধ্যক্ষ ডাঙৰীয়া, হোষ্টেলতো তেনেকৈ থাকিলে । আমি সকলোৱে জানিছো যে ডুমডুমা বৃহৎ অঞ্চলটো চাহ জনগোষ্ঠিৰ যথেষ্ট ছাত্ৰী সেই অঞ্চলত পঢ়ে । আমাৰ এই ছাত্ৰী নিবাসটো আজিও প্ৰয়োজন আছে । ২০১৬ চনত যেতিয়া আমাৰ চৰকাৰ আহিলে আহিলে তেতিয়া আমাৰ মন্ত্ৰী ডাঙৰীয়াই এই হোষ্টেলৰ যিখিনি আনুসাংগিক সামগ্ৰী লাগিছিল চকী, টেবুল পালেং ইত্যাদি সকলো ব্যৱস্থা তাত কৰা হ'ল। আৰু সেইটো এনেকুৱা আছে যে আমাৰ দুটা আছে এটা বৰ্ড আৰু এটা বিভাগ, Tea Welfare Board আৰু Tea Welfare Deapartment . এই বৰ্ডে কাৰ্য্য বিলাক নিৰ্মাণ কৰাৰ পিছত বিভাগক চমজায় দিয়ে । গতিকে এইটো হস্তান্তৰ হোৱা নাছিল আৰু লগতে তাত সৰু সুৰা দুটামান কাম কৰিবলগীয়া আছিল যেনেকৈ বিদ্যুৎৰ যোগানৰ ব্যৱস্থাটো হোৱা নাছিল, পানী যোগানৰ ব্যৱস্থাটো হোৱা নাছিল, চকীদাৰৰ ব্যৱস্থাটো হোৱা নাছিল আৰু ৰান্ধনীৰ ব্যৱস্থাটো হোৱা নাছিল। ২০১৬ চনৰ পিছত এই কামখিনি যেতিয়া কৰিবৰ কাৰণে কেইবাদিন ও আলোচনা হৈছিল কিন্তু এই ব্যৱস্থা হোৱা নাছিল আৰু সেয়েহে মই বৰ্তমান নতুনকৈ আহিছো আৰু ভূমিজ ডাঙৰীয়াক এই প্ৰশ্ন কৰাৰ কাৰণে তেখেতক ধন্যবাদ দিছো । যাতে এইটো আমি সোনকালে কৰিব পাৰো । যোৱা পৰহি মই নিজেই ইয়াৰ পৰা গৈ উক্ত হোষ্টেলটো সম্পূৰ্ণ ভাবে নিজেই মই চাই আহিছো, মাননীয় বিধায়ক ডাঙৰীয়াইও মোৰ লগত আছিলে। তাত বিশেষ কাম নাই , তাত আমি লাইনৰ ব্যৱস্থাটো কৰি দিব লাগে ইতিমধ্যে মই নিৰ্দেশ দিছো । আৰু তাত সংলগ্ন কৰিবৰ কাৰণে মই কৈছে। তাত PHE য়ে বৰিং কৰি থৈছে পানী দিবৰ কাৰণে বিশেষ অসুবিধা নহয়। গতিকে এই বৰিং কৰিবৰ কাৰণে যিখিনি তাত কাম আছিল PHE য়ে কৰি পেলাইছে । বাকী আমি পাইপ যোগে তাত টেংকীৰ প্ৰয়োজন হ'ব আৰু যিখিনি আনুসাংগিক বস্তু লাগে পানী যোগানৰ কাৰণে সেই ব্যৱস্থাটো কৰিবৰ কাৰণে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ

কৰিছো । আৰু অধ্যক্ষ ডাঙৰীয়া আশা কৰিছো আমি এই কাম খিনি অহা এপ্ৰিল মাহত আৰম্ভ কৰিব পাৰিম । চকীদাৰ আৰু ৰান্ধনী লাগিব । এই চকীদাৰ আৰু ৰান্ধনীক নিযুক্তি দিবলৈ ব্যৱস্থাটো আগবঢ়াম । অধ্যক্ষ মহোদয় আৰু এটা কথা আছে, তাত অধিক পৰিমানৰ মাটি আছে । তাত যদি আমি আধিক ছাত্ৰী ৰাখিবৰ ব্যৱস্থা অনাগত দিনত কৰিব লাগিব ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১২৫। গুনীন্দ্ৰ নাথ দাস ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বৰপেটা জিলাক ঐতিহ্য মণ্ডিত জিলা কৰাৰ বাবে প্ৰশ্ন কৰিছিলো । মন্ত্ৰী মহোদয়ে উত্তৰত কৈছিল যে আমাৰ পাটবাউসী সত্ৰক ঐতিহ্য ক্ষেত্ৰ কৰাৰ কোনো পৰামৰ্শ অহা নাই । অধ্যক্ষ মহোদয়, কথাটো মই সেইবাবে দৃষ্টিগোচৰ কৰিছিলো যে আমাৰ চৰকাৰে বিভিন্ন কামত গুৰুত্ব দি আহিছে তাৰ বাবে চৰকাৰক মই ধন্যবাদ দিছো । অধ্যক্ষ মহোদয়, পাটবাউসী সত্ৰৰ বৈশিষ্ট এই যে উজনিৰ পৰা নামনিলৈ আহোতে এই পাটবাউসী সত্ৰই ১৮ বছৰ কাল অতিবাহিত কৰিছিল । অধ্যক্ষ মহোদয়, এই গুৰুজনাৰ কৃতি এই ১৮ বছৰ গৌৰৱময় ইতিহাস বুলি ক'ব লাগিব । কাৰণ ইয়াতেই গুৰুজনাই কীৰ্তনঘোষা, ভক্তি ৰত্নাৱলী, বিভিন্ন অংকীয়া নাট, বৰগীত ৰচনা কৰিছিল। ইয়াৰ পৰাই তেওঁ এক শৰণবাদটো গোটেই বিশ্বলৈ বিয়োপিয়াই দিছিল । আজি পাটবাউসী সত্ৰ কিন্তু বহুত সমস্যাটোৰে জৰ্জৰিত। গতিকে সেই কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যাতে এই ক্ষেত্ৰত আমাৰ চৰকাৰে গুৰুত্ব দিয়ে। আৰু বৰপেটা জিলা খনক ঐতিহ্যমণ্ডিত জিলা এই কাৰণে কৈছিলো যে আজি যদি আমি চাৰি গুৰু বুলি কওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ শ্ৰী মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ । এই চাৰি গুৰুৰ সেই স্থান খন আছিল । আৰু যদি আমি কওঁ ভট্টদেৱ আজি বৰপেটা জিলাৰে আছিল । গতিকে চাৰ যদি চাও আজি জিলা খনৰো এটা ঐতিহ্য আছে । গতিকে মই চৰকাৰক অনুৰোধ কৰিছো এই ক্ষেত্ৰত বিবেচনা কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী ঃ** বৰপেটা জিলাক ঐতিহ্য ক্ষেত্ৰ হিচাপে বা পাটবাউসী সত্ৰক ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰাৰ কিবা প্ৰস্তাৱ চৰকাৰে চিন্তা কৰিছেনেকি সেই কথাটো মাননীয় বিধায়ক দাস ডাঙৰীয়াই সুধিছে। বৰ্তমানলৈকে তেনে প্ৰস্তাৱ অহা নাই কাৰণেহে মই নাই বুলি কৈছো। এইটো চিন্তাৰ বাহিৰৰ বস্তু নহয়, এইটো চিন্তাৰ ভিতৰৰ বস্তু কাৰণেই শ্ৰী মন্ত শঙ্কৰদেৱ গুৰুজনাই অমূল্য সৃষ্টি সমূহৰ সৰহখিনিয়েই পাটবাউসীত কৰিছিল। ২৪০ টা বৰগীত, নামঘৰ,নাট,কীৰ্তন ঘৰ,বৃন্দাবনী বস্ত্ৰ সৃষ্টি কৰিছিল। এইবিলাক আমাৰ ঐতিহ্য স্থান। পাটবাউসী সত্ৰত ইয়াৰ বহুখিনি সংৰক্ষণ হৈ এতিয়াও আছে । তাত কৰিব লগীয়া কাম যথেষ্ট আছে। গতিকে বৰপেটা সত্ৰ হিচাপে আছেই। শ্ৰী মন্ত শঙ্কৰদেৱ গুৰুজনাই নামনি অসমৰ পাটবাউসী সত্ৰ আৰু বৰপেটা সত্ৰক মুল কেন্দ্ৰ হিচাপে লৈ কাম কৰিছিল আৰু বাকী সহযোগী সকল যেনে হৰিদেৱ,দামোদৰদেৱৰ কথাও তেওঁ কৈ গৈছে। গতিকে পাটবাউসীকে ধৰি বৰপেটা এখন গুৰুত্বপূৰ্ণ স্থান। বৰদোৱাত সাংস্কৃতিক বিভাগৰ জৰিয়তে বহুখিনি কথা আগবঢ়াইছে। সংৰক্ষণৰ ক্ষেত্ৰত আমি চৰকাৰৰ মজিয়াত বিবেচনাৰ আওতালৈ আনিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কথাখিনি কৈছে। বৰপেটাৰ সুন্দৰীদিয়া সত্ৰ মহাপুৰুষ শঙ্কৰদেৱে প্ৰথমে সৃষ্টি কৰিছিল। ইয়াৰ পিচত পাটবাউসী ,মাধৱদেৱৰ লগত থাকি বৰপেটা সত্ৰ, মইনবৰী সত্ৰ, জনীয়া সত্ৰ,গজিয়া সত্ৰ আদি বিভিন্ন যি আমাৰ সত্ৰ আছে এইবিলাক সৃষ্টি কৰোতে তেখেতে তাত ১৮ বছৰ ৬ মাহ আছিল। তেখেতে শিষ্য সকলৰ লগত মিলি গোটেই জিলাত বহুত সত্ৰ পাতিলে কিন্তু অধ্যক্ষ মহোদয়, বহুকেইখন সত্ৰ এতিয়া ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। মইনবৰী সত্ৰ স্থানান্তৰ কৰিবলগীয়া হৈছে। এইখিনি

ডেভলপমেন্ট কৰিবৰ কাৰণে আমি লক্ষ্য কৰিছো বিগত দিনবিলাকত যেনেধৰণে দৃষ্টি দিবলাগিছিল, তেনেধৰণে দিয়া নাই। প্ৰস্তাৱ নাই অহা বুলি কৈছে, আমি সদনৰ পৰা প্ৰস্তাৱ দিলো যে ঐতিহ্য স্থান হিচাপে ঘোষণা কৰিব লাগে আৰু ডেভেলপমেন্টৰ ব্যৱস্থা কৰিব লাগে। বৰপেটা সত্ৰ আজি ইনটাৰনেশ্যনেলি জনাজাত। বিভিন্ন ঠাইৰ পৰা মানুহ আহে। কিন্তু ঠাইবিলাক ঠেক হয়। হাজাৰ হাজাৰ বিঘা মাটি সত্ৰৰ নামত আছে, টাউনৰ অধিকাংশ মাটি সত্ৰৰ নামত আছে। গতিকে ফাইভ ষ্টাৰ ৰেংকৰ অতিথিশালা নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে, যিহেতু সত্ৰ ভিজিট কৰাৰ কাৰণে বাহিৰৰ পৰাও মানুহ আহে। বৰপেটা টাউনত, সত্ৰৰ ওচৰত যিবিলাক ঠাই আছে,সেইবিলাক ঠিক-থাক কৰি তাতেই বনোৱাৰ ব্যৱস্থা কৰিলে ভাল হয়, যিহেতু থাকিবলৈ তাত ভাল হোটেল নাই।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, গোতেই বৰপেটা জিলাত আমাৰ লিষ্টেড হোৱা ৬৪ খন সত্ৰ আছে। তাৰে ৩৯ খন সত্ৰত ইতিমধ্যে বিভিন্ন পুঁজিৰ পৰা তাত অনুদান দিয়া হৈছে। তেখেতে কৈ যোৱা ধৰণে বৰপেটা,পাটবাউসী আৰু সুন্দৰীদিয়া এই তিনিখন সত্ৰকে মূল হিচাপে লৈ বাকী সত্ৰখিনি আছে । এই আটাইকেইখন সত্ৰ যথেষ্ট গুৰুত্বপূৰ্ণ আৰু যথেষ্ট ঐতিহ্য তাত আছে। আজি যিহেতু গোতেই বিষয়টো উত্থাপন হৈছে, ইয়াৰ ওপৰত আলোচনা হৈছে ,গতিকে চৰকাৰে এটা বিশেষ ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত চিন্তা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ,শ্বেৰমান আলী ।

**শ্ৰীশ্বেৰমান আলী আহমেদঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক দাস ডাঙৰীয়া আৰু ইচলাম ডাঙৰীয়াৰ প্ৰস্তাৱক মই সমৰ্থন জনাই দুটামান কথা অন্তৰ্নিহিত কৰিব খুজিছো।ডাকৰ বচন খ্যাত ডংৰাগাওঁ বৰপেটাত, মান-আহোমৰ শেষ যুদ্ধস্থলী হাদিৰাচকী বৰপেটাত, শৈলধৰ ৰাজখোৱাৰ কবিতাখ্যাত বাঘবৰ, ফুলৰা, চতলা বৰপেটাত ,মাধৱদেৱৰ বৈঠাপুটা সত্ৰ বৰপেটাত, কণৰা সত্ৰ বৰপেটাত। গতিকে মাননীয় অধ্যক্ষ মহোদয়, যিহেতু পাটবাউসীত তেখেতৰ মূল কীৰ্তিসমূহৰ ঠলী আছিল,সেয়েহে গোটেই বৰপেটাতে তেখেতৰ যিবোৰ স্মৃতিবিজড়িত ঠাই আছে, সেইবোৰ সংৰক্ষণকৰিব লাগে আৰু তাৰ লগতে ইচলাম ডাঙৰীয়াই কোৱাৰ দৰে আমি সদনৰ পৰা প্ৰস্তাৱ দিছো যে পাটবাউসী সত্ৰক ঐতিহ্যমণ্ডিত ঠাই হিচাপে ঘোষণা কৰিব লাগে, গোটেই বৰপেটা জিলাক ঐতিহ্যমণ্ডিত জিলা হিচাপে ঘোষণা কৰিব লাগে আৰু য'ত যিমান সত্ৰ আছে, সেই সত্ৰবোৰো সংৰক্ষণৰ কাৰণে তৎকালীনভাৱে ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীশুকুৰ আলী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাক ঐতিহ্যমণ্ডিত জিলা হিচাপে ঘোষণা কৰিব লাগে বুলি কৰা প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে কোনো প্ৰস্তাৱ নাই। অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে প্ৰস্তাৱ গ্ৰহণ কৰক।সত্ৰনগৰী বৰপেটা আৰু গাতে লাগি আছে সুন্দৰীদিয়া সত্ৰ, পাটবাউসী সত্ৰ। এই দাবীটো বহুদিনৰ পৰা উঠি আহিছে। ৰাইজৰ তৰফৰ পৰা আৰু দিল্লীৰ সংসদতো উঠিছে। মই প্ৰস্তাৱ দিব খুজিছো যে মন্ত্ৰী মহোদয়ে অসম বিধান সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰক যে বৰপেটা জিলাক ঐতিহ্যমণ্ডিত জিলা হিচাপে ঘোষণা কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ, এইটো ভাল পৰামৰ্শ। ইয়াত নিশ্চয় কাৰো আপত্তি নাই। মন্ত্ৰী ডাঙৰীয়া, ফৰ্মেলি আলোচনা কৰি আপোনালোকে যিটো ভাৱে সেইটো আনিব।

**শ্ৰীৰফিকুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আশ্বাস দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বুজিবলৈ চেষ্টা কৰক। আমাৰ হাতত ১০ দিন সময় আছে। আমি

কিবা এটা কৰিলে হুৰ-মুৰ কৰিব নাপায়। ফৰ্মেলৰে গ'লে মই ভাল পাম। পৰৱৰ্তী প্ৰশ্ন ১২৬ , কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰত্যেকেই জানো যে ভাৰতৰ প্ৰথম স্বাধীনতা আন্দোলনৰ চিপাহী বিদ্ৰোহ ১৮৫৭ চনত হৈছিল। এইটো মোৰ তথ্য নহয়,ট্ৰেজাৰীৰ পৰা পোৱা তথ্য। ছট্টগ্ৰামৰ ট্ৰেজাৰীটো লোড কৰি আমাৰ ভাৰতীয় সৈন্যই বা ভাৰতৰ স্বাধীনতা সংগ্ৰামীয়ে আমাৰ লাতুৰ মালেগড়ত আহিছিল আৰু মালেগড়ত অহাৰ পিচতে তাতে বৃটিছ সৈনিকৰ লগত যুদ্ধ হয়। তাত ২৬ জন স্বাধীনতা সংগ্ৰামীয়ে প্ৰাণ আহুতি দিছিল,এতিয়াও তেওঁলোকৰ সমাধি আছে। বৃটিছৰ প্ৰায় ৭-৮ জন সৈনিকৰ তাত মৃত্যু হৈছিল।মোৰ কথাটো হৈছে অধ্যক্ষ মহোদয়, আমি ২০০৭-২০০৮ত ২০ লাখ টকাৰ পুঁজি পাইছিলো। বিধান সভাত বাৰ বাৰ কথাখিনি কলো , আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও কলে যে হিষ্টৰিকেল প্লেচ হিচাপে এই ঠাইখন কৰিবলাগে। স্বাধীনতা সংগ্ৰামীক সন্মান দিয়াৰ দায়িত্ববোধ নিশ্চয় আমাৰ আছে। কিন্তু আজিলৈ কোনো ব্যৱস্থা হাতত লোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে 'মালেগড়'ক হিষ্টৰিকেল প্লেচ কৰিবলৈ চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নেকি বা কিবা দায়িত্ব হাতত লৈছে নেকি ? নহ'লে স্বাধীনতা সংগ্ৰামীক অৱমাননা কৰা হৈছে বুলি মই ভাবিম।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মই জনামতে এই পৱিত্ৰ সদনত আগতে আলোচনা হৈছে। মই এই ঠাইটুকুৰা বোৰ্ডাৰ চাবলৈ যাওঁতে দেখিছো আৰু ইয়াৰ হিষ্টৰি সম্পৰ্কতো মই জানো। ইয়াত ২৬ জন স্বাধীনতা সংগ্ৰামীয়ে মৃত্যু বৰণ কৰিছিল আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰো পাঁচ জন সৈনিকে তাত প্ৰাণ দিছিল।নেটিভ ইনফেনট্ৰি এৰিয়া আছিল। এইখন আমাৰ কাৰণে ঐতিহ্যপূৰ্ণ ঠাই। আৰু ইষ্টইণ্ডিয়া কোম্পানীৰো পাচঁজন সৈনিক তাত নিহত হৈছিল আৰু 34 নেটিভ ইনফেনট্ৰি তাৰে যুদ্ধত আছিল। গতিকে ই এটা আমাৰ কাৰণে ঐতিহ্য আৰু স্মাৰক হিচাবে থাকিব লগা ঠাই, যিটো **১৮৫৭** চনত চিপাহী বিদ্ৰোহৰ সময়ত হৈছিল। এই ক্ষেত্ৰত আজি সদনত লিখিত ভাবে দিয়া নাই যদিও সদনত প্ৰতিশ্ৰুতি দিছো যে আমাৰ বিভাগে ইয়াক বিভাগৰ আওঁতালৈ আনি যিখিনি আমাৰ নিময়মতে কৰিব লগা আছে, সেই কামখিনি আমি কৰিম।

**শ্ৰী কমলক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰে **১৮** ডিচেম্বৰত জল প্ৰশাসন আৰু বিধায়ক মিলি এখন অনুষ্ঠান পাতো। এই অনুষ্ঠানটো এই কাৰণে পাতা যায় যে যিবিলাক স্বাধীনতা সংগ্ৰামী আছে, আমাৰ কাৰণে যিবিলাকে প্ৰাণ আহুতি দিছে, তেখেতসকলক আমি এটা সন্মান জনাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি আচৰিত হ'ব এটা সময়ত এ জি পি চৰকাৰৰ কিছুমান মন্ত্ৰী চাবলৈ গৈছিল তালৈ। আজিলৈ সেই যোদ্ধাসকলৰ তৰোৱাল আদি সামগ্ৰী সমুহ সংৰক্ষণ কৰি ৰখা আছে তাত।

গতিকে মই ভাৱো যে আমাৰ যে **১৮** ডিচেম্বৰত জল প্ৰশাসনৰ ফালৰ পৰা যিটো অনুষ্ঠান পাতো, সেই অনুষ্ঠানটিত আমাৰ চৰকাৰৰ ফালৰ পৰা মন্ত্ৰী যাব লাগে, যাতে befitting manner ত অনুষ্ঠানতো পাতিব পাৰো লগতে আমি সঠিক ভাৱে স্বাধীনতা সংগ্ৰামীক সন্মান দিব পাৰো বুলি মই ভাৱো।

**শ্ৰীকেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** - মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত **১৮** ডিচেম্বৰ দিন যিটো তাত ৰখা হৈছে, আমি এইবাৰ আমাৰ বিভাগৰ ফালৰ পৰাও তাত সহযোগ কৰিম আৰু ইয়াক আমি যিদৰে স্বীকৃতি দিব লাগে সেই স্বীকৃতি দিবলৈ যিখিনি যাবতীয় ব্যৱস্থা লাগে আমি গ্ৰহণ

কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ইয়াৰ supplementary মাননীয় সদস্য নিজাম উদ্দিন চৌধুৰী।

**শ্ৰীনিজাম উদ্দিন চৌধুৰী, আলগাপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়,বৰাকৰ হাইলাকাণ্ডি জিলাত আলগাপুৰ বৰনিপিৰ.. জি পিত এটা ৰণ টিলা আছিলে। সেই টিলাত বৃটিছ সেনা আৰু ভাৰতীয় সেনাৰ মাজত যুদ্ধ হৈছিলে। সেই যুদ্ধত বহুত সেনা মৰিলে, তাত ফাঁচিও দিয়া হৈছিলে। তাৰ কাৰণে চৰকাৰে সেই স্মৃতি চিৰস্মৰণীয় কৰাৰ কিবা ব্যৱস্থা লব নেকি? মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰশ্নটো কৰিছে আৰু উত্তৰো দিছে। আগতে প্ৰশাসনৰ ফালৰ পৰা হৈছিলে, ইয়াৰ পিছত চৰকাৰৰ ফালৰ পৰা **১৮** ডিচেম্বৰ পালিব।

**শ্ৰীকেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ -** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো ওলাইছে যেতিয়া কৈ দিওঁ যে বৰাক উপত্যাকত যথেষ্টখিনি ঐতিহ্যপূৰ্ণ স্থান আছে। আমাৰ বিভাগ সেইধৰণে বৰবেছি আগবঢ়া নাছিল। কেন্দ্ৰীয় চৰকাৰৰ Archeological survey of India ৰ হাতত দুই এটা আছে আৰু আমাৰ ৰাজ্য চৰকাৰৰ Archeology ৰ হাতত দুই এটা আছে। কিন্তু আমি এতিয়া ঠিক কৰিছো বৰাক উপত্যকাত গোটেইখিনি survey কৰি সেইখিনি আমাৰ আওঁতালৈ আনিম। তাৰ কাৰণে যোৱা তিনিদিন ধৰি Archeology বিভাগৰ মানুহ বৰাক উপত্যকাত আছে আৰু যোৱা কালি আমাৰ বিভাগৰ মানুহে **১২** ঘণ্টা খোজ কাঢ়ি গৈছে পাহাৰৰ ওপৰলৈ। গতিকে এই গোটেইখিনি কথাত আমি আগবাঢ়িছো। এই ক্ষেত্ৰত আমি বৰাক উপত্যকাৰ সন্মানীয় বিধায়ক সকলৰ লগতো আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং **১২৭**, মাননীয় সদস্য ৰূপজ্যোতি কূৰ্মী।

**শ্ৰীকেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ -** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীৰূপজ্যোতি কূৰ্মী, মৰিয়নীঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো specific আছিলে। জলসম্পদ বিভাগৰ জৰিয়তে অসমৰ বাবে আঁচনি লোৱা হৈছে নেকি? যদি আঁচনি লোৱা হৈছে, **২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯** চনলৈ কিমান আঁচনি লোৱা হৈছে আৰু কিমান পূজি দিয়া হৈছে?

তাৰ পিছত তৃতীয় প্ৰশ্নটো আছিলে - মৰিয়নী সমষ্টিত পুঁজি পাবলৈ বাকী আছে, চৰকাৰ অবগত নে? যদি অৱগত কেতিয়া পুঁজি মুকলি কৰি দিব? দুখৰ বিষয় মৰিয়নী সমষ্টি বুলি কৈছিলো, কিন্তু যোৰহাট সমষ্টিৰ এটা আচঁনি মৰিয়নী নামটো থকাৰ বাবে সেই আঁচনিতো অন্তৰ্ভুক্ত কৰি মৰিয়নী সমষ্টিত তিনিটা আঁচনি দিয়াৰ নিচিনা দেখুৱা হৈ আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বিভাগীয় বিষয়াৰ লগত কথা পাতি এইটো মৰিয়নী সমষ্টিৰ পৰা আঁতৰাব লাগে। আমি দুটা আঁচনি পাইছো তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

মোৰ তৃতীয় প্ৰশ্ন যিটো আছিলে যে মৰিয়নি সমষ্টিত পুঁজি পাবলৈ বাকী আছে। মোৰ প্ৰশ্নটোৰ scheme against ত লগাবলৈ থাকি গ'ল। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমি কেবাটাও দিছা (Disaster Management) মিটিঙৰ জৰিয়তে resolution লৈ নাগালেগুৰ পৰা বৈ অহা ভোগদৈ, জাজী, টিয়ক, পুথিমাৰীনদী, গৰাখহনীয়াসমূহলৈ আমি আঁচনি পঠিয়াছিলো সংৰক্ষণৰ বাবে, errosion control, restoration ৰ বাবে, ইয়াৰ বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে অবগত

নেকি ? যদি অৰগত তেখেতে পুঁজি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**শ্ৰীকেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** - মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আপুনি যোৰহাট জিলাতো সম্পূৰ্ণৰূপে জানে যে ইয়াত ব্ৰহ্মপুত্ৰ, ভোগদৈ, জাজী, কাকদোঙ্গা, টিয়ক, পুথিমাৰী, মেলেং কাকোজান, তেৰিমেৰি, দিহা জান, চৰাই পানী, আৰু চিৰুপতি এনেকৈ সৰু ডাঙৰ নৈ যোৰহাটৰ মাজৰে বৈ গৈছে। ব্ৰহ্মপুত্ৰৰ বাহিৰে বাকী সকলো উপনৈয়ে নগা পাহাৰৰ পৰা ওলোৱা। গতিকে নগা পাহাৰৰ পৰা ওলোৱা নৈ সমূহৰ প্ৰায়খিনি আমাৰ তিতাবৰ, মৰিয়নি, যোৰহাট, ডেৰগাওঁ, টিয়ক সমষ্টি চুই পেলাই পাৰ হৈছে। এতিয়া কথা হ'ল যে নদী এখনত যথেষ্টখিনি কাম কৰা হৈছে, হয়তো কামৰ কৰোতে নদীখনৰ কোনোবা সমষ্টিত কম আছে আৰু কোনোবা সমষ্টিত বেছি আছে। সেইধৰণে এইবাৰ আমি কাকদোঙা, ভোগদৈ নদীতো কাম কৰিছো ভালেখিনি। আমাৰ মাননীয় সদস্যগৰাকীয়ে কোৱাৰ ধৰণে উপনৈ বিলাকৰ যিখিনি সমস্যা, এইখিনিৰ এটা সামূহিক ভাৱে বিবেচনা কৰি আছো, যোৱাবাৰ যিখিনি বানপানী হৈছে উপনৈৰ পৰাই হৈছে। ব্ৰহ্মপুত্ৰতকৈ যোৰহাট জিলাত যিমানখিনি বানপানী হৈছে কেৱল উপনৈৰ পৰা হৈছে। গতিকে তাৰকাৰণে গুৰুত্বসহকাৰে ইতিমধ্যে বিবেচনা কৰিছো। পুঁজি সাপক্ষে আমি যিমানখিনি পাৰো কাম কৰিবলৈ প্ৰস্তুত।

**শ্ৰীৰূপজ্যোতি কূৰ্মী, মৰিয়নীঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাব বিচাৰিছো আৰু উত্তৰ পাম বুলিও আশা ৰাখিছো। আহ্বানটো হ'ল যে মৰিয়নী সমষ্টিত তেখেতক আগতেও নিমন্ত্ৰণ কৰিছিলো আৰু আজিও আপোনাৰ জৰিয়তে নিমন্ত্ৰণ কৰিছো। নিমন্ত্ৰণটো ৰক্ষা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীকেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** - মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে, মাননীয় সদস্যগৰাকীৰ লগত একেলগে যাম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ইয়াৰ পিছৰ supplementary মাননীয় সদস্য অনোৱাৰ হুছেইন লস্কৰ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ, হাইলাকাণ্ডি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে SDRF ৰ কাম বিলাকৰ ক্ষেত্ৰত অলপ চাব লাগে। মই দেখিছো যে ঠিকাদাৰ বিলাকে কাম কৰিছে, কিন্তু পইচা পোৱা নাই। সেই পইচাটো পাব নে নাই ?

**মাননীয় অধ্যক্ষ** ঃ এইটো general answer হ'ব। আৰু supplementary শুনি একেলগে উত্তৰ দিব।

এতিয়া মাননীয় সদস্য প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এখন ঐতিহাসিক নামদাঙ্গ শিল সাঁকো আছে। আমাৰ চৰকাৰে নামদাঙ্গ নৈ খনৰ খনন কিবা ব্যৱস্থা হাতত লৈছে নেকি? যিহেতু নৈখন সম্পূৰ্ণভাৱে পোত গৈছে, যাৰ কাৰণে বিভিন্ন অঞ্চলত বাৰিষা বানপানী হৈছে। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে যে তেখেতে এই বিষয়ত কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি।

**মাননীয় অধ্যক্ষঃ** শ্বেৰমান আলী আহমেদ ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতে মই Cut Motion তো গৰাখহনীয়াৰ সমস্যাৰ বিষয়ে কৈছিলো। এই সমস্যাটো প্ৰতিজন বিধায়কৰ সমষ্টিৰ

সমস্যা। এই শিতানত যোৰাবাৰ চৰকাৰে পুঁজি দিছিল আৰু তাৰ বাবে মই চৰকাৰ ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেৰে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে, এই সমস্যাটো যিহেতু অত্যন্ত ভয়াৱহ আৰু আমাৰ DRSC Committee ৰ মিটিং হোৱাৰ পিছতহে বাজেটখন pass হ'ব, সেয়েহে এই বছৰৰপৰা অসম চৰকাৰৰ বাজেটৰ atleast 10%, Water Resource Department ৰ বাবে ধাৰ্য কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ভৰেন ভৰালী।

**মাননীয় শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী (দেৰগাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ উত্তৰৰ লগত সংলগ্ন কৰা তালিকাখন চাওঁতে দুধনৈ আৰু ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া ৰোধৰ বাবে কোনো আঁচনিৰ উল্লেখ নাপালো। আমাৰ যোৰহাট জিলাৰ কেইবাটাও সমষ্টিত এনে আঁচনি হৈছে, কিন্তু, সেইবোৰ এই তালিকাখনত নাই। গতিকে, তাত কোনো ধৰণৰ আঁচনি sanction হোৱা নাই নেকি? মন্ত্ৰী ডাঙৰীয়াই নিজেই আৰম্ভ হোৱা বুলি কৈছে কিন্তু ইয়াত উল্লেখ নাই। গতিকে, মোৰ সন্দেহ হৈছে, কি বা হ'ল!

**মাননীয় অধ্যক্ষঃ** সমষ্টিভিত্তিক আঁচনিতো নাথাকে। নদীখন দুই-তিনিফালে বৈ যায়।

**মাননীয় শ্ৰী নাৰায়ণ ডেকা (বৰক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আগতে জলসম্পদ বিভাগত যেতিয়া কোনো scheme sanction হৈছিল, তেতিয়া তাৰ tender দুটা-তিনিটা ভাগত ভাগ হৈছিল। সেই কামবোৰ এটা ডাঙৰ package কৰি tender কৰি দিয়ে, গতিকে তাত দহ-বাৰ জন ঠিকাদাৰে tender দিয়ে। পিছত সেই দহ-বাৰ জন ঠিকাদাৰক কামবোৰ ভগাই দিয়ে। এটা কাম যদি দহ-বাৰজনকৈ ঠিকাদাৰক ভগাই দিয়া হয়, তেতিয়া এই কামবোৰ execute কৰোতে অসুবিধা আহি পৰে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, উত্তৰকেইটা অলপ চমুকৈ দিব।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, SDRF ৰ যিটো Bill ৰ কথা কৈছে, এই গোটেই Bill টো ৰাজহ বিভাগে দিয়ে, জলসম্পদ বিভাগৰ পৰা দিয়া নহয়। গতিকে, এই ক্ষেত্ৰত, মাননীয় মুখ্যমন্ত্ৰীৰ সহযোগত আমি যিমান পাৰো, সিমান খৰটকীয়া কৰিবৰ বাবে চেষ্টা কৰিছো।

প্ৰশান্ত ফুকন ডাঙৰীয়াই উত্থাপন কৰা নামদাঙৰ শিলৰ সাকোৰ বিষয়টো Archaeology Department ৰ অন্তৰ্গত। অলপ দিন আগতে এই সাঁকোখনৰ ভঙা অংশখিনি আমি মেৰামতি কৰিছো। গতিকে Bypass হোৱাৰ পিছত ইয়াক সংৰক্ষণ কৰাৰ বিষয়ে আমি ভাৱিছো।
ইয়াৰ পিছত ভৰালী ডাঙৰীয়াই আঁচনি sanction হৈছে নে নাই সুধিছে। অধ্যক্ষ মহোদয়, ভৰালী ডাঙৰীয়াই ভৰা আটাইখিনি আঁচনিয়েই sanction হৈছে। কিবা কাৰণত ইয়াত উল্লেখ হোৱা নাই যদিও আটাইখিনি আঁচনিয়েই যে আছে, তাত কোনো সন্দেহ নাই।

আৰৌ, নাৰায়ণ ডেকা ডাঙৰীয়াই tender ৰ বিষয়ে কৈছে, এই সমস্যাটো যোৱা বছৰলৈকে আছিল, ই এতিয়া নাই। এতিয়া অকল এজন ঠিকাদাৰেই যে কাম পাব, সেইটো খাটাং।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। পিছৰ প্ৰশ্নটো Pradip Hazarika ৰ আছিল, তেখেত বৰ্তমান সদনত উপস্থিত নাই। গতিকে next, Question No. 130, Wazed Ali Choudhury.

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় শ্ৰী ওয়াজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই spe-

cifically দক্ষিণ শালমাৰা সমষ্টিৰ ক'ত ক'ত গৰাখহনীয়া হৈ আছে, সেই সম্পৰ্কত প্ৰশ্ন কৰিছিলো আৰু মন্ত্ৰী মহোদয়ে তাৰ উত্তৰ দিছে। বিধান সভাৰ যোৱা অধিবেশনত মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে ফকিৰগঞ্জৰপৰা হাজিৰহাটলৈকে গৰাখহনীয়া ৰোধৰ বাবে প্ৰায় ২৫০ কোটি টকা World Bank ৰ পৰা ল'বৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। সেয়েহে, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিশেষভাৱে জানিব বিচাৰিছো যে এই কামখিনি কেতিয়ালৈকে হ'ব ? কাৰণ, আগন্তুক সময়ত আকৌ বানপানীৰ সমস্যাই দেখা দিব আৰু ই পুনৰ গৰাখহনীয়াৰ সৃষ্টি কৰিব।

মোৰ আনটো বিষয় Question No. 134 ত আছিল, সেইটো হয়তো আজি সময়ৰ অভাৱত উত্থাপন নহ'ব, গতিকে এতিয়াই উল্লেখ কৰিব বিচাৰিছো। Water Resource Department ৰ দক্ষিণ শালমাৰা-মানকাছাৰৰ যিটো Sub-divisional Office, সেইটো Goalpara divisionৰ লগত সংলগ্ন কৰাৰ বাবে চেষ্টা কৰি থকা বুলি শুনিছিলো আৰু সেয়েহে মই এই বিষয়ত প্ৰশ্নটো আনিছিলো। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়লৈ মোৰ অনুৰোধ থাকিল যে এই Sub-divisional Officeটো ধুবুৰী জিলাৰ অন্তৰ্গত হৈ থাকিব লাগে কিয়নো গোৱালপাৰা জিলা বহুত দূৰ হোৱাৰ ফলত অসুবিধাৰ সৃষ্টি কৰিব।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, তেখেতে যিকেইটা কথা কৈছে সেই সম্পৰ্কত আমি তেখেতৰ লগত প্ৰায়ে আলোচনা কৰি আছো। World Bank ৰ project টো এতিয়া ভাৰত চৰকাৰৰ শেষ পৰ্যায়ত আছে, অৰ্থাৎ Empower Committee ৰ মিটিং হৈ গৈছে, কেৱল Home Ministry ৰ clearance লাগে, তাৰ পিছত World Bankৰ loan processটো আৰম্ভ হ'ব। আপোনালোকেও জানে যে loan process হোৱাৰ পিছত গোটেই প্ৰক্ৰিয়াখিনি মিলি কাৰ্যকৰী হ'বলৈ প্ৰায় এবছৰ সময় লাগিব।

দ্বিতীয়তে, তেখেতে যিটো Sub-divisional Office ৰ কথা কৈছে, সেই সম্পৰ্কত মই জনাব বিচাৰিম যে আমি আমাৰ বিভাগটো re-organize কৰিবৰ বাবে এখন সমিতি গঠন কৰি দিছো। সমিতিখনে প্ৰস্তুত কৰা Report টোত এইটো বিষয় উল্লেখ আছে যদিও চৰকাৰে Report টো এতিয়ালৈ final কৰা নাই। আকৌ, তেখেতে যিটো কথা World Bank ৰ বুলি কৈছে সেইটো World Bank ৰ নহয়, ADB ৰ Tranche 3 ৰহে আৰু এইটোত আমি ইতিমধ্যে আগবাঢ়িছো। Tranche 2 টো অক্টোবৰ মাহত আদায় হ'ব আৰু তাৰ পিছত Tranche 3 আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষঃ**ধন্যবাদ। Next supplementary মতিউৰ ৰহমান মণ্ডল।

**মাননীয় ডাঃ মতিউৰ ৰহমান মণ্ডল, (মানকাছাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। মাননীয় সদস্য ওয়াজেদ আলী ডাঙৰীয়াই উল্লেখ কৰা হাজিৰহাটৰ পৰা ভাটিৰ ফালে চুকচৰ আৰু ভটিদান্দা গাওঁ মানকাছাৰ সমষ্টিৰ অন্তৰ্গত। তাত এতিয়াও গৰাখহনীয়া চলি আছে। মই MLA Fund ৰ জৰিয়তে তাত কিছু কাম কৰাইছো যদিও আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো এই ক্ষেত্ৰত কিবা পুঁজিৰ ব্যৱস্থা ল'ব নেকি ?

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ সম্পৰ্কে মই অতি সোনকালে বিভাগীয় বিষয়া সকলৰ লগত আলোচনা কৰিম আৰু যিধৰণে সহায় কৰিব লাগে, আমি সহায় কৰিম। আপুনি (মাননীয় ডাঃ মতিউৰ ৰহমান মণ্ডলক উদ্দেশ্যি) গাওঁ দুখনৰ নাম দিব।

**মাননীয় ডাঃ মতিউৰ ৰহমান মণ্ডল, (মানকাছাৰ)ঃ** মই আপোনাক লিখিত ভাৱে দিম।

**মাননীয় কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ বৰ্ষত বৰাক উপত্যকাত ভয়ংকৰ বানপানী হৈছিল আৰু সেই পৰিস্থিতিৰ বুজ ল'বলৈ আমাৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী মহোদয়ো গৈছিল। বানৰ সেই পৰিস্থিতি দেখি মুখ্যমন্ত্ৰী মহোদয়ে ১০০ কোটি টকা sanction দিব বুলি কৈছিল আৰু সেই অনুসৰি তাত এটা আঁচনি sanction হৈছিল বুলি শুনিছিলো। কিন্তু, আজি পৰ্যন্ত তাত সেই আঁচনি implement কৰা হোৱা নাই। এই সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই বানপানীৰ পিছত বৰাক উপত্যকাত ১০০ কোটিতকৈ অধিক টকা ইতিমধ্যে দিয়া হৈছে। আপুনি জানেই যে বৰাক উপত্যকাত থকা ৫০০ তকৈ অধিক শ্লুইচ গেট আমি এবছৰৰ ভিতৰত মেৰামতি কৰিছো যাতে আগন্তুক সময়ত তাত আৰু পানী সোমাব নোৱাৰে। ঠিক তেনেদৰে, অন্য ক্ষেত্ৰতো মেৰামতিৰ কাম হৈ আছে। মুখ্যমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি আমি সম্পূৰ্ণভাৱে ৰক্ষা কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next Question No. 131, Durga Bhumij.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং-১৩১, দুৰ্গাভূমিজ ডাঙৰীয়াই কওঁক।

**শ্ৰী দুৰ্গা ভূমিজ, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে নিৰ্মাণ শ্ৰমিক কল্যাণ ব'ৰ্ডৰ কিমানটা বিকাশ কেন্দ্ৰ আছে আৰু তাৰ পৰা কিমান ট্ৰেইনিং ল'লে? ইয়াৰ উত্তৰত আহিছে যে ১৬০০০ ট্ৰেইনিং লোৱা হৈছে। ইয়াত নাম ঠিকনা উল্লেখ কৰিব দিয়া হৈছিল, কিন্তু ইয়াৰ উত্তৰত নাম-ঠিকনা উল্লেখ কৰা হোৱা নাই। উত্তৰত নাম-ঠিকনা দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ উত্তৰটো মযেই ক'লো হৈছে বুলি। এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী, শ্ৰমিক কল্যাণ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুৰ্গা ভূমিজ ডাঙৰীয়াই যিটো কৈছে, এই ক্ষেত্ৰত আমি প্ৰায় ১৯,৩০০ পঞ্জীয়নভুক্ত শ্ৰমিকক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছো। তাৰে ৯২.৭৭ শতাংশ প্ৰায় ১৭,৯০৬ জনক প্ৰশিক্ষণ দিয়া হৈছে আৰু প্ৰশিক্ষণ দিয়াৰ পিছত শ্ৰমিকসকলৰ দক্ষতা আৰু উপাৰ্জন বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। আমি এনেধৰণৰ সফলতা পাইছো। বাকীখিনি উত্তৰ মোৰ ওচৰত আছে। মই তেখেতক দি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। তেখেতে এটা অনুগ্ৰহ কৰিছে, সেইটো চাই দিব। প্ৰশ্নোত্তৰ কাল শেষ হোৱা বুলি কৈছো, লগতে সংসদীয় পৰিক্ৰমা মন্ত্ৰীক আজি ১২টা প্ৰশ্ন স্পৰ্শ কৰিবলৈ কোৱা বুলি জনালো। মই জলসম্পদ মন্ত্ৰী আৰু শ্ৰম কল্যাণ দুয়োজন মন্ত্ৰীৰ লগতে মই অন্য সন্মানীয় সদস্য সকলকো ধন্যবাদ জনাইছো। বৰপেটাৰ কথাটো দুয়োজনে ক'বলৈ বিচৰিছিল। কিন্তু দিয়া নাই, কাৰণ These are very good issue.আমাৰ বৰপেটা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই এটা কৈছে আৰু বাকীখিনিয়েও এটা কৈছে। বৰ বেছিকৈ ক'লে প্ৰশ্নসমূহ নাপাম। গতিকে এই বিষয়ে আমাৰ সদনৰ এটা good sense হ'ল। মই গুৰুজ্যোতি দাস ডাঙৰীয়া আৰু সত্যব্ৰত কলিতা ডাঙৰীয়াক সেইকাৰণে দিব নোৱাৰিলো। But I am in favour of the whole thing আৰু আমাৰ sense টো চৰকাৰক দিছো। চৰকাৰে সেইটো বুজি লৈ এটা নিশ্চয় আনিব। এতিয়া পইণ্ট অফ অৰ্ডাৰ।

**ডাঃ নোমল মমিন, (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ'ণা ভাইৰাছৰ সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ Ministry of Health ৰ পৰা এটা অৰ্ডাৰ দিয়া হৈছিল-To prevent the Mass gathering. আৰু কৰ'ণা ভাইৰাছ প্ৰতিৰোধ কৰিবলৈ গ'লে ইজনে-সিজনৰ পৰা অতি কমেও ১

মিটাৰ দূৰত্বতত থাকিব লাগে। কিন্তু আমি সেইটো নমনাৰ নিচিনা পৰিলক্ষিত হৈছে। গতিকে আমাৰ আসনৰ দূৰত্বটো ১ মিটাৰ হ'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইবোৰ গুৰুত্বপূৰ্ণ বিষয়। কালিলৈ কৰ'ণা ভাইৰাছৰ ওপৰত এটা আলোচনা আছে। মই ৫৪ নং-ত অনুমতি দিছো।

**শ্ৰী শিলাদিত্য দেৱ, (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি দেখা পালো যে তৰা চিহ্নিত প্ৰশ্ন নং-১৬ টা আছে আৰু তৰা বিহীন প্ৰশ্ন মাত্ৰ দুটা আছে। Is it a indicator for good Government, and there is no question to raise?

**মাননীয় অধ্যক্ষ ঃ** I will explain to it. Because this day was not introduce initially. Subsequently আমি বাজেট শুকুৰবাৰে শেষ কৰিবলগীয়া আছিল। কিন্তু আমি বাজেট বঢ়াবলগীয়া হ'ল। কাৰণ Supplementary Demand ৰ কথা আহিল, প্ৰথমে নাছিল। সেই কাৰণে আমি হঠাতে তাৰিখ কেইটা ল'লো। সেই কাৰণে আমি ১১-০৩-২০২০ তাৰিখৰ প্ৰশ্নত আমি কিছুমান ২৫-০৩-২০২০ তাৰিখৰ প্ৰশ্ন সোমাই দিছিলো। So, that we can have the numbers. এইটো এটা সাংঘাতিক অৱস্থা হৈছিল কাৰণে আমি কৰিলো। অহা কালিও আমাৰ প্ৰশ্ন আছে। But I have extended to other days also. যাতে বাকী প্ৰশ্ন সমূহো আহিব পাৰে। এতিয়া Next point of order.

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰা চিহ্নিত প্ৰশ্ন নং-১৩০, ইয়াত প্ৰশ্ন আছিল যে বৰ্তমান অসমৰ কোন কোন জিলাৰ কোন কোন ঠাইত তেিয়াও ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া অব্যাহত আছে। উত্তৰত ক'লে যে বৰপেটা জিলাৰ একমাত্ৰ বান্দালি আৰু বিলৰতাৰি অঞ্চলত। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ বামুন নংৰা, যাদৱপুৰত ভয়ঙ্কৰ গৰাখহনীয়া চলি আছে। মইনবড়ী অঞ্চল, কদম তলা, ছয়চিমনা, ৰামাপাৰা পামত ভয়ঙ্কৰ গৰাখহনীয়া চলি আছে। ছত্ৰকনৰা, ছেউৰাপিঠা, বাৰাকাটা চাৰিআলি, বৰতলনীত ভয়ঙ্কৰ গৰাখহনীয়া চলি আছে। মই এই কথাখিনি কেৱল মন্ত্ৰী মহোদয়েই নহয়, সচিবকে আদি কৰি বিভাগৰ বিভিন্ন কৰ্মচাৰীক জনাইছো। তাৰ পিছতো ঠাই সমূহৰ নাম কিয় নাই?

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পাইছো। এইটো অতি গুৰুত্বপূৰ্ণ। মন্ত্ৰী মহোদয়ে এই বিষয়ে চাব। এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নিত প্ৰশ্ন আছিল-১৩৩। মই ইয়াত প্ৰশ্ন সুধিছিলো Information Technology বিভাগৰ জৰিয়তে অসমক লৈ কিবা আঁচনি লৈছে নেকি? বিভিন্ন আঁচনিৰ কথা চৰকাৰে জনাইছে, যাৰ কাৰণে চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু এটা বিষয় খুব আশা কৰিছিলো যে চৰকাৰৰ পৰা উত্তৰ পাম। গুৱাহাটীখনক Digital Hub কৰাৰ কথা বাজেটতো উল্লখ কৰিছিল। কিন্তু এইটো উল্লেখ নহ'ল। আশা ৰাখিছো যে চৰকাৰৰে এই বিষয়ে চাব। কাৰণ অসমৰ বহু ল'ৰা-ছোৱালী, আমাৰে বহু বন্ধু-বান্ধৱ আজি ২৫ বছৰ আগতে পাচ কৰা। এতিয়া বাহিৰত চাকৰি কৰি থাকিবলগীয়া হৈছে। আমি এই ক্ষেত্ৰত এটা আশাৰ ৰেঙণি পাইছিলো যে ইয়াত Digital Hub হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ concern টো চৰকাৰে বুজি পায়। এতিয়া শূন্য কালীন ঘণ্টাৰ বিষয় হৈছে- "অসমৰ ভূমিত মেঘালয়ৰ অগ্ৰাসন"। ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্য কালীন ঘণ্টাত মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। পশ্চিম গুৱাহাটী সমষ্টিৰ লগতে

বকো, ছয়গাওঁ, দিছপুৰ এই কেইটা সমষ্টিৰ অসম-মেঘালয় সীমান্তৰৱৰ্ত্তী এলেকা আৰু বিশেষভাৱে লক্ষ্য কৰা হৈছে যে অসমৰ মাটিত মেঘালয়ে অগ্ৰাসনৰ ক্ষেত্ৰতত ইতিমধ্যে তেওঁলোকে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাখিনি লোৱাৰ কাৰণ হ'ল যে আমাৰ অসমৰ সীমান্তৰৱৰ্ত্তী এলেকাত আমাৰ যি ধৰণৰ উন্নয়ণ মূলক কাম হ'ব লাগিছিল, তেনেধৰণে কাম সম্ভৱ হৈ উঠা নাই। ইয়াৰ কাৰণ হৈছে-বন বিভাগৰ বাধাৰ বাবে আজি সেই অঞ্চলসমূহত উন্নয়ণমূলক কাম কৰিবৰ বাবে সম্ভৱ হৈ উঠা নাই। কিন্তু আমি যদি লক্ষ্য কৰো তেনেহ'লে, মেঘালয় সীমান্তৰৱৰ্ত্তী এলেকাত আজি মেঘালয় চৰকাৰে বিভিন্ন উন্নয়ণমূলক কাম হাতত লৈছে। আজি বিদ্যুৎ, পানীযোগান, ৰাস্তা-ঘাট বা তেওঁলোকৰ বিভিন্ন বিদ্যালয়ৰ ক্ষেত্ৰতেই হওঁক, তেওঁলোকে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু আমাৰ বন বিভাগে বিশেষভাৱে সীমান্তৰৱৰ্ত্তী এলেকাত কাম কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰে। ৰাইজে যিহেতু উন্নয়ণ বিচাৰে আৰু উন্নয়ণৰ স্বাৰ্থত তেওঁলোকে মেঘালয় চৰকাৰে যিখিনি সুবিধা প্ৰদান কৰিছে, সেই সুবিধা লোৱাৰ ক্ষেত্ৰত তেওঁলোকে আগবাঢ়ি আহিছে। মই আপোনাৰ জৰিয়তে মাননীয় ব'ৰ্ডাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এইটো হয় যে আজি সংৰক্ষিত বনাঞ্চলত যিসকল পৰিয়ালে বসবাস কৰি আহিছে, তেওঁলোকক মাটিৰ পট্টা দিব নোৱাৰো। কিন্তু মোৰ কথা হৈছে-মাটিৰ পট্টা দিব নোৱাৰো এইটো সঁচা কথা। আমাৰ কিছুমান ফৰেষ্ট ভিলেজ আছে। কিন্তু কিছুমান ঠাইত ফৰেষ্ট ভিলেজ নাই আৰু যাৰ কাৰণে আমাৰ ভাৰত স্বাধীন হোৱাৰ আগতে ফৰেষ্ট ভিলেজসমূহৰ নোটিফিকেশ্বন হৈছিল। কিন্তু সেই সময়ত কিছুমান ফৰেষ্ট ভিলেজৰ নোটি ফিকেশ্বন নহ'ল। সেই কাৰণে আজি বিশেষভাৱে চৰকাৰৰ ফালৰ পৰা যিখিনি সুবিধা প্ৰদান কৰিব লাগিছিল, সেই সুবিধা সমূহৰ পৰা বঞ্চিত হৈ আছে। আমাৰ চৰকাৰো এই ক্ষেত্ৰত সচেষ্ট হ'ব লাগিব। মই এটা উদাহৰণ দিছো- মোৰ মোডুকী অঞ্চলত পি এম জি এচ ৱাইৰ জৰিয়তে প্ৰায় ওঠৰ খন মান দলং আৰু ৰাষ্টা-ঘাট নিৰ্মাণ কৰিছিলো। কিন্তু বিশেষভাৱে মেঘালয় চৰকাৰৰ ফালৰ পৰা, সেইবিলাকত ৰজা থাকে আৰু ৰজাৰ চেক্ৰেটাৰী থাকে। অসম সীমান্তৰৱৰ্তী এলেকাত ৰাষ্টা-ঘাট, দলং নিৰ্মাণ কৰিছিলো, তেতিয়া চেক্ৰেটাৰীয়ে গৈ মেঘালয়ৰ উচ্চ ন্যায়ালয়ত কামটো বন্ধ কৰাৰ কাৰণে গোচৰ ৰুজু কৰিছে। যেতিয়া হাই কোৰ্টত কেচ দিলে, তেতিয়া Interim order দিলে যে, যিবিলাক উন্নয়নমূলক কাম কৰি আছে, সেইবিলাক সাময়িকভাৱে বন্ধ ৰাখিব লাগে আৰু আমি বন্ধ ৰাখিব লগা হ'ল। কিন্তু পৰৱৰ্তী সময়ত চাৰ, আপুনি জানিব যেতিয়া সেই ঘটনাটো হ'ল, তেতিয়া যিজন চেক্ৰেটাৰীয়ে হাই কোৰ্টত কেচ কৰিলে, তাতে অলপ উত্তেজনাৰ সৃষ্টি হ'ল, অসমৰ জনসাধাৰণৰ মাজত। অলপ তেনে ধৰণৰ তেওঁলোকে অত্যাচাৰো কৰিলে। যাৰ ফলত তেওঁলোকে আকৌ গোচৰ ৰুজু কৰিলে আৰু দহজন ল'ৰাক মেঘালয় পুলিচে গ্ৰেপ্তাৰ কৰিলে। কিন্তু তাৰ পিছতে মেঘালয়ৰ পৰা বিভিন্ন মন্ত্ৰী, opposition ৰ leader আৰু উচ্চ পৰ্য্যায়ৰ বিষয়াসকল আহি পৰিদৰ্শন কৰিলে। অৱশ্যে ডি চি এচ পি, তেওঁলোক যথেষ্ট সচেতন, তেওঁলোকক লৈ গৈ মইও পৰিদৰ্শন কৰিলো। কিন্তু আমাৰ উচ্চ পৰ্য্যায়ৰ কোনো অফিচাৰ তাত গৈ পৰিদৰ্শন নকৰিলে আৰু পৰিদৰ্শন নকৰাৰ কাৰণে মানুহবিলাকৰ মাজত এটা প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। পিছত মই বহুবাৰ Advocate General ক ক'লো, বিধান সভাতো এই কথাটো উত্থাপন কৰিছিলো, তাৰ পিছতো কিন্তু কোনো ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। পিছত মই নিজে, মেঘালয়ৰ যিজন সীমান্তৰৱৰ্তী এলেকাৰ এম এল এ আৰু মই ৰজাৰ লগত কথা পাতি ইতিমধ্যে মই সেই কেচটো যিটো ডেভলপমেণ্টৰ কামৰ বন্ধ কৰিছিল, সেইটো withdraw কৰা হৈছে আৰু এতিয়া আমি সেই ৰাষ্টা-ঘাটৰ কাম কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিম। গতিকে মই বিশেষভাৱে ভাৱো, যে আমাৰ

চৰকাৰখন সীমান্তৱৰ্তী এলেকাৰ ক্ষেত্ৰত কিছু সচেষ্ট হোৱাৰ ভাল আৰু এইক্ষেত্ৰত পৰিদৰ্শন কৰি মানুহৰ মনৰ বুজ যদি লবলৈ যায়, তেতিয়াহ'লে সীমান্তৱৰ্তী এলেকাৰ মানুহ বিলাকে অনুপ্ৰেৰণা পাব, সাহস পাব আৰু আমি দেখিছো, যে মেঘালয়ত যদি নিৰ্বাচন হয়, বিধান সভাৰে হওঁক, পাৰ্লিয়ামেণ্টৰে হওঁক, তেতিয়া আমাৰ মানুহেও গৈ তাতে ভোটাৰ হৈ তাত ভোটাদান কৰিছে, এই অৱস্থাতো হৈছে। গতিকে মই ভাৱো, এইবিলাকৰ ক্ষেত্ৰত আৰু মেঘালয়ৰ যিটো আগ্ৰাসণ সেইটো বন্ধ কৰাৰ স্বাৰ্থত আমাৰ সীমান্তৱৰ্তী এলেকাত, এতিয়া মেঘালয় সীমান্তৱৰ্তী এলেকাত police ৰ out post কৰিছে। কিন্তু আমাৰ মেঘালয় সীমান্তৱৰ্তী এলেকাত, মেঘালয়ত বিশেষভাৱে কোনো out post নাই। গতিকে তেনেধৰণৰ যদি out post টো দিব পৰা যায়, তেতিয়া আইন শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হয়। সেই কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যে আমাৰ চৰকাৰে বিশেষভাৱে যিবিলাক village ইতিমধ্যে forest village হোৱা নাই, সেই forest village বিলাক অতি সোনকালে আনুষ্ঠানিকভাৱে যিটো প্ৰক্ৰিয়া ল'ব লাগে, সেই প্ৰক্ৰিয়াখিনি সম্পূৰ্ণ কৰি সেই forest এৰিয়া বিলাককো forest village হিচাপে আনুষ্ঠানিকভাৱে ঘোষণা কৰিব লাগে আৰু তাৰ লগতে উন্নয়নমূলক কামবিলাকৰ ক্ষেত্ৰতো যাতে আমি পূৰ্ণোদ্যমে কামবিলাক কৰিব পাৰো তাৰবাবে আমি ব্যৱস্থা ল'ব লাগিব। আজি লখৰাৰ পৰা জালুক পাম অঞ্চল, তাতো ৰাষ্টাৰ বাবদ ইতিমধ্যে পি এম জি এচ ৱাইৰ পৰা কাম কৰা হৈছিল। ৰানীৰ পৰা জালুকপাম, সীমান্তৱৰ্তী এলেকা, তালৈকে ৰাষ্টা নিৰ্মাণৰ ক্ষেত্ৰত টকা দিয়া হৈছে। কিন্তু বন বিভাগটো হঠাতে, মাজতে বন বিভাগৰ বুলি কৈ আকৌ সেই ৰাষ্টা দুটা বন্ধ কৰা হৈছিল। কিন্তু পি এম জি এচ ৱাই, আমাৰ কেন্দ্ৰীয় চৰকাৰৰ Environment Ministry য়ে, পি এম জি এচ ৱাইৰ যদি ৰাষ্টা কৰে, সেইটো clearence তাতে দিয়া আছিল। কিছুদিন আমি ৰখিব লগা হ'ল পৰৱৰ্তী সময়ত আমি বন বিভাগৰ মন্ত্ৰীৰ লগত, বিষয়াৰ লগত কথা পাতি ইতিমধ্যে আকৌ সেইটো কৰিবৰ কাৰণে তেওঁলোকে অনুমতি প্ৰদান কৰিছে। গতিকে মই ভাৱো যে, অলপমান এইবিলাকৰ ক্ষেত্ৰত আমি যদি কামবিলাক কৰাৰ ক্ষেত্ৰত যদি সহাৰি দিয়ে বন বিভাগে, তেতিয়াহ'লে আমাৰ কাৰণে ভাল হ'ব। গতিকে মই ভাবিছো যে, অসম মেঘালয় সীমান্তৱৰ্তী এলেকাত আমি যদি এতিয়াও সচেষ্ট নহওঁ, পৰৱৰ্তী সময়ত কিন্তু আমাৰ কাৰণে এটা ভয়ংকৰ দিন আহিব আৰু সেই ভয়ংকৰ দিন অহাৰ আগতেই আমি যদি সাৱধান নহওঁ, তেনেহ'লে কিন্তু তাৰ ফল আমি ভোগ কৰিব লাগিব। এই কথাখিনি আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰীক অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো যে, এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ বাবে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি এতিয়া উত্তৰ দিব। মই কথাটো এই কাৰণেই আনিলো যে, ১৯৯৮-৯৯ চনত মই যেতিয়া মন্ত্ৰী আছিলো, এই লাঙপি এৰিয়াৰ গণ্ডগোল কিন্তু বহুত যুগৰ। আজি ২০ বছৰেই হৈ গ'ল। গতিকে সীমামূৰীয়া ৰাজ্যবিলাকৰ লগত অলপ গণ্ডগোল থাকেই সদায়। গতিকে লাঙপিটো কৰাৰ কাৰণে মই সেইদিনা চাইছো, বহুদিন হ'ল আৰু আমাৰ Friendly Government বিলাকে আছে এনেকুৱা এটা hostile নহয়, It is a very important issue. পাৰিলে ইয়াতকৈ aggravate নহয় যাতে। মই সেই কাৰণে মনত পেলাই দিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, সেই বিষয়টো গুৰুত্বপূৰ্ণ হয়।

আমাৰ প্ৰতিখন চুবুৰীয়া ৰাজ্যৰ লগত আমাৰ সীমা সম্পৰ্কীয় বিভিন্ন Dispute চলি আছে। আনকি কিছুমান বিষয়লৈ, অৰুণাচলৰ বিষয় এটা লৈ চুপ্ৰীম কোৰ্টত কেচ চলি আছে। Assam Government vs. Arunachal Government.গতিকে অধ্যক্ষ ডাঙৰীয়া, শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই যি কেইটা পৰামৰ্শ আগবঢ়াইছে, এই পৰামৰ্শকেইটা নিশ্চয় চৰকাৰে পৰৱৰ্তী দিনত বিবেচনা কৰি চাব। এইটো ভাল concept যে আমাৰ সীমামূৰীয়া অঞ্চল সমূহত যদি border development টো ভালকৈ কৰি দিব পাৰো, বা এইখিনি যদি আমি reserve forest হিচাপে ঘোষণা কৰিব পাৰো আৰু development activity আগবঢ়ায় লৈ যাব পাৰো, মই ভাৱো তেতিয়া বোৰ্ডাৰ সুৰক্ষিত হ'ব। গতিকে তেনেকুৱা এটা ক্ষেত্ৰত আপুনি ধুনীয়া পৰামৰ্শ আগবঢ়াইছে আৰু এই পৰামৰ্শটো চৰকাৰে নিশ্চয় গুৰুত্ব সহকাৰে বিবেচনা কৰিব। আজি আপোনালোকে জানে, আজি কিছুদিনৰ আগতে বিধান সভাত মই অৰুণাচল আৰু অসমৰ সীমাৰ বিবাদ লৈ কথা কৈছো তাৰ আগতেও নাগালেণ্ড আৰু অসম, মেঘালয়ৰ লগতো আমাৰ কাৰ্বি লাঙপি এই অঞ্চলটোত অধ্যক্ষ ডাঙৰীয়া আৰু মই যেতিয়া leader of the opposition ত আছিলো, সেই অঞ্চলত যেতিয়া উত্তেজনা হৈছিল, আমি দুয়ো ভ্ৰমণো কৰিছিলো। সেই অঞ্চলটো আমি ভালকৈ জানো। গতিকে এইক্ষেত্ৰত চৰকাৰে নিশ্চয় আপোনাৰ সকলোখিনি, যিখিনি আপুনি ইয়াতে পৰামৰ্শ দিছে, সেই পৰামৰ্শখিনি চৰকাৰে নিশ্চয় বিবেচনা কৰিব আৰু "অসমৰ ভূমিত পুণৰ মেগালয়ৰ আগ্ৰাসন" শীৰ্ষক 'আমাৰ অসম' বাতৰি কাকতত প্ৰকাশিত বাতৰিটো সম্পৰ্কত আমাৰ সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, এই সম্পৰ্কত চৰকাৰৰ গৃহবিভাগৰ পৰা এইখিনি কথা স্পষ্ট কৰি দিয়া হয় যে, কামৰূপ জিলাৰ বকো পুলিচ থানাৰ অন্তৰ্গত লাম্পি (উমলি, হৰ্ষনগৰ) গাৱত অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগে সীমান্ত আৰক্ষী চকী নিৰ্মাণৰ বাবে দিয়া অনুমোদন সাপেক্ষে যোৱা ইংৰাজী ১৯-২-২০২০ তাৰিখে দিনৰ ১১ বজাত কামৰূপ জিলা উন্নয়ন আয়ুক্ত, শ্ৰী টংকেশ্বৰ দাস (অ.অ.সে.) লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক, শ্ৰী সঞ্জীৱ শইকীয়া আৰু লগতে অসম চৰকাৰৰ কিছু উচ্চস্তৰীয় বিষয়াই উক্ত নিৰ্মাণস্থলি নিৰীক্ষণ কৰিবলৈ যায়। তেতিয়া তেওঁলোকক সেই স্থানত আগৰে পৰা ৰৈ থকা মেঘালয়ৰ পশ্চিম খাচী পাহাৰ জিলা প্ৰশাসনৰ বিষয়াৰ লগতে মেঘালয়ৰ বাসিন্দা সকলে নিৰীক্ষণৰ কামত বাধা আৰোপ কৰে আৰু তেওঁলোকে সেই ঠাইডোখৰ মেগালয়ৰ অন্তৰ্গত বুলি দাবী কৰে। কামৰূপ জিলা প্ৰশাসনৰ বিষয়াসকলে অসমৰ আৰু মেগালয়ৰ সীমা মেপত দেখুৱাই দিয়ে আৰু তেতিয়া মেগালয়ৰ প্ৰশাসন আৰু লোক সকলে সেই ঠাই ডোখৰ অসমৰ অন্তৰ্গত বুলি মানিবলৈ বাধ্য হয় আৰু তেতিয়া স্থানীয় লোকসকলে নিৰীক্ষণ কৰাৰ কামত বাধা দিয়াৰ পৰা বিৰত থাকে। কামৰূপ আৰু পশ্চিম খাচী পাহাৰ জিলাৰ উপায়ুক্ত সকলৰ মাজত ইং ০৪-০৩-২০২০ তাৰিখে এখন বৈঠক হোৱাৰ কথা আছিল যদিও শ্বিলঙত বৰ্তমানে চলি থকা আইন শৃংখলাজনিত কাৰণত সেই বৈঠকখন অনুষ্ঠিত নহ'ল। এই বৈঠক খন অহা ১৩-৩-২০২০ তাৰিখে অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। আনকি মোক আজি ৰাতিপুৱা আমাৰ ADGP levelৰ পুলিচ বিষয়াই মোক কৈছে, বিধান সভাত অহাৰ আগতে যে মুখ্য সচিৱ পৰ্য্যায়টো এই কথাখিনি আলোচনা কৰাৰ চিন্তা চৰ্চ্চা কৰা হৈছে। আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই এই কথাখিনি মোক জনাইছে। সীমান্ত আৰক্ষী অধীক্ষক, অসমৰ প্ৰতিবেদন মৰ্ম্মে BOP বনাব লগা স্থানৰ পৰা মেঘালয় আৰক্ষীৰ লোক সকল আতৰি গৈ মেঘালয়ৰ এজন উপ- আৰক্ষী অধিক্ষকৰ নেতৃত্বত ২৪ জন আৰক্ষীসহ অসমৰ এলেকাৰ ভিতৰত উমালী প্ৰেছবিতাৰিয়ান প্ৰাথমিক বিদ্যালয় নামৰ অসমৰ এখন ব্যক্তিগত

মিছনাৰী স্কুলত অৱস্থান লৈ আছে বুলি জানিব পৰা গৈছে। এই সংক্ৰান্তত বিশেষ পদক্ষেপ হিচাপে পৰিস্থিতি নিয়ন্ত্ৰনৰ কাৰণে লাম্পি, বি অ পি আৰু বকো থানাৰ অসম আৰক্ষী দলৰ দ্বাৰা এই স্থানত তহলদাৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে কামৰূপ জিলাৰ উপায়ুক্তই পশ্চিম খাচী পাহাৰ জিলাৰ উপায়ুক্তক মেঘালয়ৰ আৰক্ষীৰ সেই স্কুলত বাহৰ পাতি থকা দলটোক ওভোতাই নিবলৈ অনুৰোধ জনাইছে। সভাপতি ডাঙৰীয়া, আচলতে অসম পুলিচে নিজকে restraint কৰিছে। নহ'লে অসম পুলিচৰ কাৰনে তেওঁলোকক আতৰাই দিয়াতো বেছি সময়ৰ কথা নহয়। যিহেতুকে আমাৰ চুবুৰীয়া ৰাজ্য সেয়েহে আলাপ-আলোচনাৰ জৰিয়তে অসম পুলিচে বি,য়টো নিষ্পত্তি কৰাৰ কথা বিবেচনা কৰিছে। নহ'লে অসম পুলিচে যদি ফ'ৰ্চ ব্যৱহাৰ কৰে, তেতিয়া মেঘালয়ৰ পুলিচৰ ২৪ জন বিষয়াই স্কুলত যি বাহৰ পাতি আছে তেওঁলোকক তাৰ পৰা আতৰাবলৈ বেছি সময় নালাগে। কিন্তু আলাপ-আলোচনাৰ মাধ্যমেৰে হ'লে দুয়োখন ৰাজ্যৰে সম্ভাৱনা থাকিব। সেয়েহে আলাপ- আলোচনাৰ ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই যিখিনি পৰামৰ্শ দিছে, সেই পৰামৰ্শখিনি চৰকাৰে বিবেচনা কৰিব ধন্যবাদ।

**মাননীয় সভাপতি** ঃ- ইয়াৰ পিছত শূন্যকলীন ঘন্টাৰ নটিচ আছে, মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, সদস্য** ঃ- মাননীয় সভাপতি মহোদয়, প্ৰতিদিন কাকতৰ ২১ ফেব্ৰুৱাৰী ২০২০ তাৰিখে প্ৰকাশ পোৱা বাতৰি হৈছে " উৎকোচ বিচাৰি কাৰ্য্যবাহী অভিযন্তাক বিলম্ব কৰাৰ অভিযোগ ৰেহাই মুল্যৰ সামগ্ৰী বিচাৰি গৌৰীপুৰ কৃষিকাৰ্য্যালয়ত উত্তপ্ত পৰিস্থিতি হিতাধিকাৰীৰ"। ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তত আনকি চৰ অঞ্চলতো আমাৰ কৃষি বিভাগৰ দ্বাৰা যিটো পাৱাৰ পাম্পৰ ব্যৱস্থা, তাত চলাৰো আছে, ইলেকট্ৰিকৰো আছে, ইয়াৰ জৰিয়তে উপকৃত হৈছে। য'তে যাওঁ তাতে ধান খেতি আৰম্ভ হৈছে। আনকি চৰ অঞ্চলটো দেখিছো ২৪ ঘন্টাই পানী দিব পাৰিছে, চলাৰৰ দ্বাৰা। সেয়েহে ইয়াৰ দ্বাৰা যথেষ্ট উপকৃত হৈছে। কিন্তু হঠাৎ আজি কেইমাহ মান আগতে গৌৰীপুৰৰ কাৰ্য্যবাহী অভিযন্ত্ৰা বদলি হৈ যায়, আৰু তাৰ ঠাইত নতুনকৈ এগৰাকী মহিলা কাৰ্য্যবাহী অভিযন্ত্ৰাই তেওঁৰ ঠাইত জইন কৰে। জইন কৰাৰ পাছতেই, ইতিমধ্যেই কৃষক সকলে ১৫ হাজাৰকৈ ড্ৰাফট জমা দিছে, মোৰ সমষ্টিৰ ৩৮০ গৰাকী হিতাধিকাৰীয়ে আজি বহুদিন আগতে ড্ৰাফট জমা দিছে যদিও, কাৰ্য্যবাহী অভিযন্ত্ৰাগৰাকীয়ে কেতিয়াবা কয় দক্ষিণ শালমৰাত আৰু দিয়া ন'হব। কেতিয়াবা কয় ১৫ বিঘা মাটি লাগিব। তেওঁলোকে গাইড লাইন উলিয়াই দেখুৱাই দিয়ে যে ১৫ বিঘা নহ'লেও হয়। এনেদৰে বিভিন্ন অজুহাত দেখুৱাই তেওঁলোকক পাম্পচেট এতিয়ালৈকে দিয়া নাই। তেওঁলোকৰ আগৰ যিবিলাক বিল আছিল, বৰিং কৰাৰ পিছত যিখিনিবিল আছিল, সেই খিনিও পেমেন্ট কৰিবলৈ দিয়া নাই। গতিকে কি কাৰনত এই বিষয়াগৰাকীয়ে নিৰ্দিষ্টকৈ এটা সমষ্টিৰ হিতাধিকাৰী সকলক এনেকৈ হাৰাশাস্ত্ৰি দিয়াৰ কাৰন কি? ৰাইজ আজি আগবাঢ়ি আহিছে, মাননীয় সভাপতি মহোদয় মই আপোনাক অনুৰোধ কৰিছো, আপুনি এবাৰ গৈ চাই আহিব, ধুবুৰী জিলাৰ ধানখেতি চৰে, গাৱে ভুঞে এটা যুদ্ধকালীন তৎপৰতাৰে আৰম্ভ হৈছে, যিটো দেখিলেই ভাল লাগে। চাৰিওফালে সেউজীয়া আৰু সেউজীয়া। সেই সময়ত যদি এটা সমষ্টিত এনেকৈ পাম্পচেট বিলাক দিয়া নহয় আৰু তাত আৰু পাম্পচেট দিয়া ন'হব বুলি কোৱা কথাবোৰ আৰু কি কাৰণত দক্ষিণ শালমৰাত আৰু পাম্পচেট দিয়া ন'হব এই কথাষাৰ প্ৰকৃততে আজি সভাপতি মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰিছো। আমাৰ জিলাখন কৃষিপ্ৰধান জিলা। সাধাৰনতে গোটেই অসমত ৮৭ শতাংশ ইয়াত বাস কৰে। আমাৰ অসমৰ কৃষক সকলৰ যদি উন্নতি হয়, আমাৰ

অসমৰ উন্নতি হ'ব। কিন্তু অসমৰ আটাইতকৈ যিসকল দুখীয়া সেই সকল হৈছে কৃষক। কিন্তু কৃষক সকলক যিটো গুৰুত্ব চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে, কিন্তু বিষয়া সকলৰ কাৰণে আজি আমাৰ কৃষক সকল আজি বঞ্চিত হ'ব লগা হৈছে। সেই কাৰনে মই শূন্যকালীন ঘন্টাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো, যে নিৰ্দিষ্টকে দক্ষিনশালমৰা সমষ্টিৰ কৃষক সকলক কি কাৰনত পাম্পচেট দিয়া ন'হব। তেওঁলোকে ড্ৰাফ্ট জমা দিয়াৰ ইমান মাহ হৈ যোৱাৰ পাছতো তেওঁলোকে কিয় পাৱাৰ পাম্প নাপাব, সেইইখিনি জানিবৰ কাৰনে শূন্যকালীনঘন্টাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টিআৰ্কষন কৰিছো।

**মাননীয় সভাপতি ঃ-** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী** ঃ- মাননীয় সভাপতি মহোদয়, সন্মানীয় সদন। অসম বিধান সভাৰ২২ নং দক্ষিণ শালমৰা সমষ্টিৰ বিধায়ক শ্ৰী ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াই যোৱা ২১ ফেব্ৰুৱাৰী ২০২০ তাৰিখে অসমীয়া প্ৰতিদিন কাককক প্ৰকাশিত উৎকোচ বিচাৰি কাৰ্য্যবাহী অভিযন্ত্ৰাই বিলম্ব কৰাৰ অভিযোগ, ৰেহাই মুল্যৰ সামগ্ৰী বিচাৰি গৌৰীপুৰ কৃষি কাৰ্য্যালয়ত উত্তপ্ত পৰিস্থিতি হিতাধিকাৰীৰ শীৰ্ষক বাতৰিৰ সৰ্ন্দভত সন্মানীয় সদনৰ শূন্যকালীন সময়ত আলোচনা বিচৰাৰ বাবে মাননীয় বিধায়ক আলি ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাননীয় সভাপতি মহোদয়, মাননীয় বিধায়ক আলি ডাঙৰীয়াই উত্থাপন কৰা মুল বিষয়টোৰ সৰ্ন্দভত বিভাগীয় স্থিতি জনোৱাৰ আগতে মই কৃষি যান্ত্ৰিকী কৰণৰ সন্দৰ্ভত ৰাজ্যখনৰ কৃষক ৰাইজক সহায় সহযোগিতা আগবঢ়াইছো, সেই কথা মই কবলৈ প্ৰয়াস কৰিছো। মাননীয় সভাপতি মহোদয়, কৃষিবিভাগে গ্ৰাম্য আন্তঃগাঠনি উন্নয়ন পুজিৰ অধীনত ৰাজ্যখনত ৬০ হাজাৰ টা ডিজেলচালিত ৩০ হাজাৰ টা বিদুৎচালিত পাম্প আৰু ১১ হাজাৰ টা সৌৰশক্তিচালিত পাম্পচেট ৰেহাই মুল্যত বিতৰন কৰাৰ বাবে এখন আঁচনি গ্ৰহন কৰিছে। য'ত ৭৫ শতাংশ চাবচিটি আছে, আৰু এটাত ৮৫ শতাংশ চাবচিটি আছে। ইয়াৰ উপৰিও আমি্ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত ৰাজ্যখনৰ কৃষক সকলক আমি পাৱাৰ টিলাৰ দিছো। ৰিপাৰ দিছো, থ্ৰেচাৰ দিছো এনেধৰনৰ বহুবোৰ সুবিধা আমি কৃষকসকললৈ আগবঢ়াইছো। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ২৬ হাজাৰ আত্মসহায়ক গোটক, ২৬ হাজাৰ ৰাজহ গাৱলৈ আমি ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰিছো। আৰু সেই কামখিনি এতিয়াও চলি আছে। NFSM বিজিয়ৰি আয়, এম অ পি এনেধৰনৰ কেন্দ্ৰীয় চৰকাৰৰ অন্যান্ন আঁচনিত কৃষি যান্ত্ৰিকিকৰণৰ উপৰিও বিভিন্ন সা-সুবিধা কৃষক ৰাইজক আগবঢ়োৱা হৈছে। কৃষক ৰাইজে যাতে এই আঁচনিখনৰ সুবিধা গ্ৰহন কৰি নিশ্চিত জলসিঞ্চন ব্যৱস্থাৰ সহায়ত কৃষি উৎপাদন বৃদ্ধি কৰি নিজৰ আয় দুগুন বঢ়াব পাৰে, তাৰ বাবে এই আঁচনিখনৰ ৰূপায়নত কৃষি বিভাগে অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিছে। কৃষি ক্ষেত্ৰত ধুবুৰী জিলাখন অসমৰ অন্যতম এখন অগ্ৰণী জিলা সেই কথাটো আমি স্বীকাৰ কৰিব লাগিব । জিলাখনৰ কৃষকসকলে বিভাগীয় আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰাৰ ফলতেই এই সফলতা সম্ভৱ হৈছে । এই কথাটো ইতিমধ্যে মাননীয় বিধায়কগৰাকীয়েও কৈছে । ইয়াৰ বাবে মই জিলাখনৰ সমূহ কৃষকক অভিনন্দন জনোৱাৰ লগতে ধন্যবাদ জনাইছো । সভাপতি মহোদয় এতিয়া সন্মানীয় বিধায়ক ৱাজেদ আলি চৌধুৰী ডাঙৰীয়াই উত্থাপন কৰা মূল বিষয়টোৰ সন্দৰ্ভলৈ আহো । তাত পূৰ্বতে এগৰাকী কাৰ্যবাহী অভিযন্তা আছিল আৰু তেখেতৰ নাম আছিল ৰেকিব আহমেদ। তেখেতক বদলি কৰি মৌচুমী দাসক কাৰ্যবাহী অভিযন্তা হিচাপে তাত দায়িত্ব দিয়া হৈছিল ।ৰেকিব আহমেদক বদলি কৰা হৈছিল কিয়নো Deputy Commissioner এ তেওঁৰ বিৰুদ্ধে এটা অভিযোগ দিছিল। আমি পূৰ্বতেও এই কথা জানিছিলো যে

মৌচুমী দাসৰ বিৰুদ্ধে যিহেতু বিভিন্ন সময়ত তেওঁ কাৰ্যনিৰ্বাহ কৰা ঠাই বিলাকৰ পৰা অভিযোগ আহিছিল আৰু তেনে অভিযোগ পোৱাৰ পিছত তেওঁৰ বিৰুদ্ধে বিভাগীয় নীতি-নিয়মৰ আধাৰত নিলম্বনৰ ব্যৱস্থা আমি গ্ৰহণ কৰিছিলো। নিলম্বন প্ৰত্যাহাৰ কৰি ধুবুৰী জিলাত আকৌ তেখেতক কাৰ্যবাহী অভিযন্তা হিচাপে আমি দায়িত্ব অৰ্পণ কৰাৰ সুযোগ দিছিলো । কিন্তু পুনৰ দায়িত্ব পোৱাৰ পিছতো আমি দেখিছো আমাৰ বিভাগে ৰূপায়ণ কৰা গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ জৰিয়তে আগবঢ়োৱা ১ লাখ এহেজাৰটা অগভীৰ নলীনাদ স্থাপন আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি যথেষ্ট কম হোৱা বিভাগৰ দৃষ্টিগোচৰ হৈছে । আঁচনিখনৰ অধীনত কিছুমান নিৰ্বাচিত হিতাধিকাৰীয়ে অগভীৰ নলীনাদ আৰু পাম্পৰ বাবে নিজৰ অংশ জমা দিয়াৰ পাছতো তেওঁলোকক পাম্প আদি মোকলাই নিদিয়া, হিতাধিকাৰীক দুৰ্ব্যৱহাৰ কৰা, কৃষকৰ পৰা উৎকোচ দাবী কৰা আদি অভিযোগ বাতৰি কাকতত প্ৰকাশ পোৱাৰ পাছত যোৱা ৭ মাৰ্চ, ২০২০ তাৰিখে এইগৰাকী কৃষি অভিযন্তাৰ বিৰুদ্ধে বিৰুদ্ধে কিয় অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা নহ'ব সেই বিষয়ে কাৰ্যবাহী কৃষি অভিযন্তাগৰাকীলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে । এই কাৰণ দৰ্শোৱাৰ জাননীখনত বিষয়াগৰাকীয়ে ইতিমধ্যে উৰ্দ্ধতন কৰ্তৃপক্ষৰ অনুমতি নোহোৱাকৈ নিজাববীয়াকৈ তেওঁৰ দুজন সহকৰ্মীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা, বিভাগীয় আঁচনিৰ পুনৰীক্ষণ সভাত অনুমতিবিহীনভাৱে অনুপস্থিত থকা তথা বাতৰি কাকতত প্ৰকাশ পোৱা ধৰণে সঘনাই নিজৰ কৰ্তব্যত উপস্থিত নথকা আদি বিষয়বোৰো অন্তৰ্ভুক্ত কৰা হৈছে ।

সভাপতি মহোদয়,

সন্মানীয় সদনত মই মাননীয় বিধায়ক আলি ডাঙৰীয়াক আশ্বস্ত কৰিব বিচাৰো যে, উক্ত কাৰ্যবাহী কৃষি অভিযন্তাগৰাকীৰ বিৰুদ্ধে জাৰি কৰা এই কাৰণ দৰ্শোৱাৰ জাননীৰ উত্তৰ বিষয়াগৰাকীৰ পৰা পোৱাৰ লগে লগে এই দিশবোৰ বিভাগীয় নীতি-নিয়মৰ আধাৰত বিবেচনা কৰি উক্ত বিষয়াগৰাকীৰ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰা হ'ব । ধন্যবাদ ।

**সভাপতি ঃ** ইয়াৰ পিছত শেষৰ খন শূণ্যকালীন ঘণ্টাৰ জাননী শ্ৰী গুৰুজ্যোতি দাস ।

**শ্ৰী গুৰুজ্যোতি দাস (মঙ্গলদৈ) ঃ** সভাপতি মহোদয়, ধন্যবাদ জ্ঞাপন কৰিছো। মই যি বিষয়ৰ ওপৰত শূণ্যকালীন ঘন্টাত আবেদন জনাইছিলো সেই বিষয়বোৰৰ ওপৰত অনুমতি দিয়াৰ বাবে সচাঁকৈ সুখী অনুভৱ কৰিছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। এই পৃথিৱীখন ইমান ধুনীয়া আৰু সুন্দৰ। আমি যেতিয়া এই পৃথিৱীত জন্মগ্ৰহণ কৰো আৰু সৰুকালৰ পৰা খেলা-ধুলা কৰি ডাঙৰ দীঘল হোৱাৰ পিছত আমাৰ এই পৃথিৱীখন এৰিবৰ কাৰণে বৰ মোহ লাগে। মৃত্যুৰ মুখলৈ যাবৰ কাৰণে ভয় লাগে। কিন্তু সভাপতি মহোদয়, আমাৰ মাজতে জন্মসূত্ৰে বহুত লোক বিশেষভাৱে সক্ষম হিচাপে নামকৰণ কৰা হৈছে। কোনোবা হয়তো ভৰি দুখন লেঙেৰা হৈ আহিছে, কোনোৱাই হয়তো হাত, কোনোৱাই হয়তো অন্ধ হৈ জন্মগ্ৰহণ কৰে আৰু সেই সকলক বিশেষভাৱে সক্ষম লোক বুলি কোৱা হয়। তেখেতসকল জন্মগ্ৰহণ কৰাৰ পিছত এটা পৰিয়ালৰ পিতৃ-মাতৃয়ে কিমান দুখ অনুভৱ কৰে আমি যিসকলে পোৱা নাই সেইসকলে অনুভৱ কৰিব নোৱাৰো। কিন্তু প্ৰভু ভগৱন্তই ইমান সুন্দৰকৈ পৃথিৱীখন সৃষ্টি কৰিছে আৰু প্ৰতিগৰাকী মানৱৰ দেহত একোটাকৈ প্ৰতিভা দি পঠিয়াইছে। সেইকাৰণে আমাক জীৱশ্ৰেষ্ঠ মানৱ বুলি কোৱা হৈছে আৰু এই সুন্দৰ পৃথিৱীখনত মানৱৰ যি প্ৰতিভা আছে সেই প্ৰতিভাসমূহ বিভিন্ন সময়ত তেওঁলোকে প্ৰদৰ্শণ কৰি আহিছে আৰু প্ৰতিভাৰ জৰিয়তে কাম কৰি আহিছে। কিন্তু মই উপস্থাপন কৰা বিষয়টো আজি হ'ল - যিসকল বিশেষভাৱে সক্ষম, সেই লোক সকলক লৈ অসমৰ এটা জনপ্ৰিয় চেনেল News Live

য়ে  নিপ কুমাৰ বৰুৱাৰ দ্বাৰা পৰিচালিত ‘সুখৰ সংজ্ঞা বিচাৰি’ বুলি এটা programme প্ৰায় ২০১৬ ৰ পৰা  প্ৰচাৰ কৰি আহিছে । তাত যিসকলে এই পৃথিৱীখন তেওঁলোকৰ নিজ চকুৰে দেখিবলৈ সক্ষম হোৱা নাই, তেওঁলোকে গানৰ জৰিয়তে এই সুন্দৰপৃথিৱীখন অনুভৱ কৰি আহিছে আৰু সেই সকল শিল্পীক লৈ এই ‘সুখৰ সংজ্ঞা বিচাৰি’ অনুষ্ঠানটো আয়োজন কৰি আহিছে। মোৰো এই অনুষ্ঠানত উপস্থিত থাকিবলৈ দুই তিনিবাৰ সৌভাগ্য হৈছিল । আপুনি নেদেখিলে হয়তো অনুভৱ কৰিব নোৱাৰে তেওঁলোকে ইমান সুন্দৰ গীত পৰিৱেশন কৰে আৰু ‘বিশেষভাৱে সক্ষম’ সেই সমূহ শিল্পীক বিচাৰি আনি আজি  News Live ৰ জৰিয়তে এই অনুষ্ঠানটো পাতি তেওঁলোকক এখন মঞ্চ দিছে । মই এই সদনৰ মজিয়াৰ পৰাই নিপ কুমাৰ বৰুৱা ডাঙৰীয়াক অনুষ্ঠানটো পৰিচালিত কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ। অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে বিশেষভাৱে সক্ষম  প্ৰায়  ১লাখ লোকক ইতিমধ্যে সাহায্য প্ৰদান কৰিছে আৰু হয়তো তাৰ ভিতৰত তেওঁলোকে  এই সাহাৰ্য্য লাভ কৰিবলৈ সক্ষম হৈছে। আজি এই চৰকাৰখনে  প্ৰায় ১ হাজাৰৰো অধিক শিল্পীক এককালীন সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।  সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বা মনৰ ভাৱ প্ৰকাশ কৰিব বিচাৰিছো যে তেনেকুৱা শিল্পী সকলক যাতে আমি সাহায্য প্ৰদান কৰি সমাজত প্ৰতিষ্ঠিত কৰিব  পাৰো যাতে তেওঁলোকে জীয়াই থকাৰ বাবে দুগুণ উৎসাহ পায়। মই ইতিমধ্যে News Live ৰ কেইগৰাকীমান শিল্পীৰ নামো  collection  কৰিছো। যেনে- গহপুৰৰ সুনীতা দাস, মৰিগাওঁৰ ধৰমতুলৰ বিমান পাটৰ,  জালুকবাৰীৰ পম্পী দেৱী,  হোজাইৰ শ্ৰৱন ডেকা,  গোলাঘাটৰ কমল শইকীয়া,  মঙ্গলদৈৰ শ্বাহীদ আফ্ৰিদি আৰু নিধন কলিতা, নলবাৰীৰ হিৰণ্য শৰ্মা আৰু অজগ্ন ৰাজকৰ্মী,  গোলাঘাটৰ নকুল কুৰ্মী,  নলবাৰীৰ মন্টু আলী, গোৱালপাৰাৰ মৌলিক ৰাজা এনেকুৱাকৈ বহুত শিল্পীৰ নাম আছে  হয়তো মই আৰু পাঠ নকৰো। তাৰোপৰি গাড়ীত, bus station ত , rail station ত আমি এনেধৰণৰ শিল্পী প্ৰায়ে লগ পাওঁ। ঠিক তেনেদৰে নাৰিকলী মন্দিৰত এজন লোকে ধুনীয়াকৈ হাতত এখন দোতাৰা বা যিকোনো বাদ্যযন্ত্ৰ লৈ গীত পৰিৱেশন কৰি থাকে তাতে কোনোৱাই তেওঁক ৫-১০ টকাকৈ দিয়ে আৰু এনেকুৱা বহুত শিল্পী আমাৰ এই সমাজত আছে। মই ভাৱো, আমাৰ চৰকাৰে এইসকল  ব্যক্তিক লৈ আঁচনি ৰূপায়ণ কৰিছে আৰু প্ৰতিগৰাকী ব্যক্তি এইআঁচনিৰ জৰিয়তে সুফল লাভ কৰিছে। এইখন চৰকাৰে ইতিমধ্যে এই বিশেষভাৱে সক্ষম লোক সকলক ১ লাখ ব্যক্তিয়ে সুবিধা পাবলৈ সক্ষম হৈছে। সভাপতি মহোদয়, আপোনাৰ জৰিয়তে আজি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিম যাতে শিল্পীসকলক মৰ্য্যদা দি সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰে। যাতে এই শিল্পীসকলে  উৎসাহ আৰু উদ্দীপনা পায়। তেওঁলোকেও যাতে সমাজত শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে। এনেধৰণৰ শিল্পী বহুত আছে- কিছুমান বাছ ষ্টেগুত আমি লগ পাও, কিছুমানক আমি মন্দিৰত দেখা পাওঁ, কিছুমানক চহৰৰ ফুটপাঠত গান গাই থকা আমি শুনো। তেওঁলোকক লৈ এটা কাউন্সেলিঙ কৰি উপযুক্ত ব্যৱস্থা ল'বলৈ মই আপোনাৰ জৰিয়তে সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় সভাপতি ( শ্ৰীবিনন্দ কুমাৰ শইকীয়া ) ঃ** ধন্যবাদ । মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰীনৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয়  সভাপতি  মহোদয়  । মাননীয় বিধায়ক শ্ৰীগুৰুজ্যোতি দাস ডাঙৰীয়াই বিধান সভাৰ শূণ্যকালীন ঘন্টাত অসমৰ জনপ্ৰিয় টি ভি চেনেল নিউজ লাইভৰ অনুষ্ঠানত আজিৰ সমাজত বিশেষভাবে সক্ষম লোকে পৰিৱেশন কৰা “ দুখৰ সংজ্ঞা বিচাৰি ” নামেৰে হৃদয়

স্পৰ্শী এক অনুষ্ঠানত গীত পৰিৱেশন কৰা দিব্যাঙ্গ শিল্পীসকলক অনুপ্ৰেৰণা দিয়াৰ বাবে আৰু তেওঁলোকৰ বাবে বিশেষ আঁচনি লোৱাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে। মাননীয় সভাপতি মহোদয়, আমাৰ অসমত ২০১৫ চনৰ পৰিসংখ্যাৰ তথ্য অনুসৰি বিশেষভাবে সক্ষম লোকৰ সংখ্যা ৪,৮০৬৫ জন। জিলা হিচাপত ৪৫,১২৫ জনেই সৰ্বাধিক নগাওঁ জিলাৰ। সৰ্বনিম্ন হ'ল- ২৪২২ জন ডিমা হাচাও জিলাৰ। আমাৰ আমাৰ সমাজৰ বিশেষভাবে সক্ষম এই শিল্পীসকলৰ কৰ্মসংস্থাপনকে আদি কৰি বিভিন্ন দিশত উপকৃত কৰিবলৈ আমাৰ চৰকাৰে সমাজ কল্যাণ বিভাগৰ দ্বাৰা বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহৰ দ্বাৰা সমাজৰ এই অক্ষম লোকসকলক বিভিন্ন কৰ্ম সংস্থাপনকে ধৰি তেওঁলোকক সাহায্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰী কৰ্ম সংস্থাপনত ৪ শতাংশ পদ বিশেষভাবে অক্ষম লোকৰ বাবে সংৰক্ষিত কৰাৰ ব্যৱস্থা কৰা হৈছে। বৰ্ত্তমান সমাজকল্যাণ বিভাগে অসমৰ ২৭৬৫ পদত বিশেষভাবে সক্ষম লোকক চিনাক্ত কৰি নিযুক্তি দিয়াৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ বিভাগে সাংস্কৃতিক ক্ষেত্ৰখনত বিশেষভাবে সক্ষম শিল্পীসকলক উপকৃত কৰিবলৈ বৰ্ত্তমানে কোনো সুকীয়া আঁচনি গ্ৰহণ কৰা নাই। আমাৰ বিভাগে বিভিন্ন হিতাধিকাৰীসকলৰ জৰিয়তে শিল্পী পেঞ্চন এককালীন সাহায্য, শিল্পী সম্বৰ্দ্ধনা ইত্যাদিৰ জৰিয়তে সকলো শিল্পীকে সামৰি লোৱাৰ ব্যৱস্থা কৰিছে। এই সম্বৰ্দ্ধনাত ৩০ বছৰৰ পৰা ৩৫ বছৰ বয়সলৈকে সীমা নিৰ্দ্ধাৰণ কৰা হৈছে। কিন্তু বিশেষভাবে সক্ষম শিল্পীসকলক বয়সৰ সীমাৰ ক্ষেত্ৰত কিছু ৰেহাই দিয়াৰ বাবে আমি চিন্তা চৰ্চা কৰিম। আবেদন কৰাৰ পিছত উপযুক্ত বিবেচিত হ'লে আমি বিশেষভাবে তেখেতসকলক উপকৃত কৰিম।

**শ্ৰীগুৰুজ্যোতি দাস (মঙ্গলদৈ)** ঃ সভাপতি মহোদয়, যদি কোনোবাই আবেদন কৰিব নোৱাৰে। মই জানিব পৰা মতে News Liveৰ হাতত ১৫০ জনৰো অধিক আছে। যি হয়তো আবেদন কৰিব নোৱাৰে। মই ভাবো তেখেতসকলক অতিৰিক্ত দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় সভাপতি ( শ্ৰীবিনন্দ কুমাৰ শইকীয়া ) ঃ** ঠিক আছে। মন্ত্ৰীয়ে কৈছে চৰকাৰে ব্যৱস্থা ল'ব।

**শ্ৰীনৱ কুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে যিমান কথা কৈছে লিষ্টখন যদি আমাক দিয়ে তেন্তে আমি ইয়াৰ ব্যৱস্থা ল'ম।

**মাননীয় সভাপতি ঃ** ধন্যবাদ, এতিয়া কাৰ্য্যসূচী নং ২ । মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২০ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখত 'অসমীয়া খৱৰ ' বাতৰি কাকতত প্ৰকাশিত " কেঞ্চাৰে ৰাজ্যত বছৰি আক্ৰান্ত ৩০ হাজাৰ" শীৰ্ষক বাতৰিটোৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষন কৰিব। এতিয়া জাকিৰ হুচেইন সিকদাৰ দাঙৰীয়া।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় সভাপতি ডাঙৰীয়া। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত যোৱা ২৮ ফেব্ৰুৱাৰী,২০২০ তাৰিখৰ অসমীয়া খবৰ কাকতত প্ৰকাশিত 'কেঞ্চাৰত ৰাজ্যত প্ৰতি বছৰে আক্ৰান্ত ৩০ হাজাৰ " শীৰ্ষক বাতৰিটো মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সভাপতি ডাঙৰীয়া, এখন সুস্থ- সবল দেশ- ৰাজ্য- সমাজ আৰু জাতি গঢ়ি উঠিবৰ কাৰণে সেই দেশৰ নাগৰিকসকলৰ সুস্থ সবল স্বাস্থ্যৰ অতি প্ৰয়োজনীয়তা আছে। এই সুস্থ সৱল স্বাস্থ্য অবিহনে কেতিয়াও এটা জাতি বা এখন দেশে উন্নতিৰ জখলালৈ আগবাঢ়ি যাব নোৱাৰে। বেমাৰ-আজাৰ আমাৰ সমাজ বা দেশখনত বহুতো আছে। যিমান নতুন নতুন বেমাৰৰ বীজাণু সৃষ্টি

হৈ মানুহৰ গালৈ বিয়পে তাক প্ৰতিহত কৰাৰ বাবে স্বাস্থ্য বিজ্ঞানে ইতিমধ্যে নতুন নতুন প্ৰতিষেধক আবিস্কাৰ কৰিছে। শেহতীয়া ভাবে আমি দেখিছো যে ‘ কৰ’ণা’ ভাইৰাছে সমগ্ৰ বিশ্বতে আতংক সৃষ্টি কৰি আহিছে। তাৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু আজিৰ সদনত উপস্থিত থকা স্বাস্থ্য বিভাগৰ মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই যিটো পদক্ষেপ লৈছে সেইটো শলাগ ল’বলগীয়া। গোটেই অসমবাসীয়ে আতংকৰ মাজতো আশাৰ সঞ্চাৰ দেখিবলৈ পাইছে যে আমাৰ স্বাস্থ্য বিভাগ যথেষ্টখিনি তৎপৰ হৈছে। সভাপতি ডাঙৰীয়া অসমীয়া খবৰ নামৰ বাতৰি কাকতত যিটো প্ৰকাশ হৈছে , যিটো বিমাৰে দীৰ্ঘদিনৰ পৰা মানৱ জাতিক চেলেঞ্জ কৰি আছে। বিশ্ব স্বাস্থ্য সংস্থা ( ডব্লিউ এইচ ও) য়ে হওঁক বা আমাৰ কেন্দ্ৰীয় চৰকাৰ বা আমাৰ ৰাজ্য চৰকাৰৰ ছত্ৰছায়াতে হওঁক আমাৰ চিকিৎসকসকল দিনে নিশাই মানুহক এই বেমাৰৰ পৰা ৰক্ষা কৰাৰ বাবে কাম কৰি আছে কিন্তু সেই চিকিৎসকলেও আজি কেঞ্চাৰ ৰোগৰ লগত হাৰ মানিব লগা হৈছে। গতিকে আজিৰ সদনত সেই বিষয়ে কিছু কথা ব্যক্ত কৰিবলৈ মই বিচাৰিম। সভাপতি মহোদয়- আমাৰ উত্তৰ পূৱক কেঞ্চাৰ বেমাৰৰ ৰাজধানী বুলি কোৱা হয়। প্ৰতি বছৰে উত্তৰ পূবত ৩৯,০০০ কেঞ্চাৰ ৰোগী চিনাক্ত কৰা হয় আৰু ইয়াৰে ৩০,০০০ ৰোগীয়ে অসমৰ হয়। আমাৰ অসমৰ উজনিয়ে হওক বা নামনিয়ে অসমে হওঁক কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ বহু পৰিয়াললৈ অমানিশা নামি আহিছে। এই কেঞ্চাৰ ৰোগৰ ভয়াৱহতাৰ বিষয়ে আমি সকলোৱে কম-বেছি পৰিমাণে জ্ঞাত। আমাৰ বিধান সভাৰ সদস্যসকলৰ ওচৰলৈ কি ধৰণে কেঞ্চাৰত আক্ৰান্ত পৰিয়াল বা ৰোগী সহায় বা পৰামৰ্শ বিচাৰি আহে সকলোৱে জ্ঞাত আৰু সকলোৱে এইক্ষেত্ৰত পাৰ্য্যমানে সহায় কৰি আহিছো। সভাপতি মহোদয়, আপোনাৰ জৰিয়তে আজি বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক কেইটামান কথা ক’বলৈ বিচাৰিম। অসম কেঞ্চাৰ ৰোগীসকলৰ চিকিৎসাৰ বাবে ডাঃভূবনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ লগতে নতুনকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত স্থাপিত কেঞ্চাৰ হাস্পাতাললৈ মই বিভিন্ন কেঞ্চাৰ ৰোগীৰ খবৰ ল’বলৈ মই যাওঁ। এই চিকিৎসালয় কেইখনৰ লগত যদি আমি মুম্বাইত থকা টাটা কেঞ্চাৰ প্ৰতিষ্ঠানৰ লগত যদি তুলনা কৰো তেন্তে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নতুনকৈ স্থাপিত যিটো কেঞ্চাৰ হাস্পাতাল খোলা হৈছে সকলো ক্ষেত্ৰত নহ’লেও কিছু ক্ষেত্ৰত ফেৰ মাৰিব পৰাকৈ অৱস্থা প্ৰাপ্ত হৈছে। ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ বিভিন্ন চিকিৎসকসকলৰ লগত যেতিয়া মই কথা পাতিছো তেতিয়া গম পাওঁ সেই চিকিৎসালয়কেইখনত ৰোগীৰ অনুপাতে চিকিৎসকৰ অভাব। তাত ৰোগীৰ ৰোগ নিৰ্ণয় কৰাৰ বাবে যিখিনি অতি প্ৰয়োজনীয় যন্ত্ৰপাতি লাগে সেইখিনিৰো যথেষ্ট অভাৱ পৰিলক্ষিত হৈছে।

সভাপতি ডাঙৰীয়া, ভাৰতত ১০ লাখ জনসংখ্যাৰ বিপৰীতে এটাকৈ টেলিথেৰাপীৰ যন্ত্ৰ লাগে। গোটেই ভাৰত বৰ্ষত যদি অনুপাতে যাওঁ যথেষ্টখিনি কম আমাৰ অসমত। তাতকৈ ডাঙৰ কথা হৈছে ভাৰতত ১৩০ কোটি জনসংখ্যাৰ বিপৰীতে মাত্ৰ ৬৫০০ জনহে কৰ্কত ৰোগৰ ক্ষেত্ৰত পাৰ্গত ডাক্তৰ আছে। আমাৰ অসমত সেই তথ্যটো স্বাস্থ্য বিভাগৰ হাতত নিশ্চিত ভাৱে আছে। গতিকে তেনেকুৱা কিছুমান কাৰণেও আমি কেন্সাৰ ৰোগৰ লগত পৰাজয় বৰণ কৰিব লগীয়া হৈছে। সভাপতি ডাঙৰীয়া, ২০০ ৰো অধিক বিভিন্ন ধৰণৰ কৰ্কট ৰোগ ইতিমধ্যে চিকিৎসা বিজ্ঞানে চিনাক্ত কৰিছে। যেতিয়া বিভিন্ন ধৰণৰ ৰোগে মানুহক আক্ৰান্ত কৰে, বিভিন্ন বেমাৰ আজাৰ হয় সেই বেমাৰ আজাৰ হোৱাৰ লগে লগে আমি নিজেই জানো যে আমাৰ বিভিন্ন ধৰণৰ বেমাৰত আমি আক্ৰান্ত হৈছো। কিন্তু কেন্সাৰ ৰোগ এনেকুৱা এটা বেমাৰ আমাৰ দেহত যেতিয়া আক্ৰান্ত হয় সি গোপনে সেই মানুহৰ দেহত গৈ গৈ লাহে লাহে গোটেই দেহত বিয়পি পৰে, শেষ পৰ্যায়ত তেতিয়া মানুহে সেই

কথাবিলাক জানে যে মোৰ দেহত কিবা এটা বেমাৰ হৈছে, ডাক্তৰৰ ওচৰত যোৱাৰ লগে লগে চিকিৎসা কৰাৰ পিছত ফলাফল ওলাই যে কেন্সাৰ ৰোগত আক্ৰান্ত হৈছে। আমি সেই কেন্সাৰ ৰোগৰ পৰা, সেই কেন্সাৰ ৰোগ যেতিয়া চিহ্নিত হৈ যায় তাৰ পৰা বিভিন্ন ধৰণৰ ডাক্তৰৰ ওচৰত, বিভিন্ন ধৰণৰ চিকিৎসালয়ত মানুহে যায় বিভিন্ন পৰামৰ্শ লৈ যেতিয়া আগবাঢ়ে কিন্তু বেছিভাগ ৰোগীয়ে বিভিন্ন মৃত্যু যন্ত্ৰনাত চত্‌ফটাই অৱশেষত মৃত্যুবৰণ কৰিব লগীয়া হয়। তাৰ মাজত যিসললে অতি প্ৰাথমিক ভাৱে যি সকলে যেতিয়া তেঁওলোকৰ দেহত কেন্সাৰ ৰোগে বিয়পে, যেতিয়া কেন্সাৰৰ বিজানু ধৰা পৰে তেতিয়া যদি চিকিৎসালয়ৰ ওচৰত যোৱা যায় তেনেহলে তেওঁলোকে মৃত্যুমূখৰ পৰা ৰক্ষা পৰে। গতিকে সভাপতি ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম, মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ আগতেও এই বিধান সভাত এই বিষয়ে কিছু তথ্য দিছে, যে আমি ৰোগ চিনাক্ত কৰাৰ পিছত কেন্সাৰ ৰোগী সকলক ভাল কৰাৰ নজীৰ খুব কম। কিছুমানে ভাল পায়, কিন্তু খুব কম। সেইবাবে আমি কেন্সাৰ ৰোগৰ পৰা কেনেকৈ আমি হাত সাৰিব পাৰো, কি কি কাৰকে কেন্সাৰৰ বিজানুৰ সৃষ্টি কৰে, কি কি কাৰণত আমাৰ দেহত সেই মৃত্যুমুখী বেমাৰ আহে সেই কাৰণ সমূহৰ পৰা আমি বাছি থাকিব লাগিব। সেই কাৰণ সমূহ চিনাক্ত কৰি আমাৰ মানুহক আমি সচেতন কৰিব লাগিব, সজগতা কৰিব লাগিব। মই মুম্বাইৰ টাটাতো গৈছো বা চেন্নাইৰ যি কেন্সাৰ হস্পিটাল আছে তাতেও গৈছো, অসমৰ বিভিন্ন ঠাইত গৈছো। য'তে গৈছো তাতেই বিভিন্ন জনৰ এটাই কথা, চিকিৎসক সকলে এটাই পৰামৰ্শ দিয়ে যে কেন্সাৰৰ পৰা হাত সাৰিবলৈ তাৰ আগতে আমাৰ সমাজৰ প্ৰতিজন মানুহে সচেতনতা আমি আনিব লাগিব, সচেতনতা আমি কৰিব লাগিব, সজগতা কৰিব লাগিব। গতিকে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে বৰ্তমান অসমৰ স্বাস্থ্য বিভাগ কেন্সাৰ ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত যথেষ্টদূৰ আগবাঢ়ি গৈছে, বিভিন্ন ধৰণৰ নতুন যন্ত্ৰপাতি আনিছে। মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ মোৰ এতিয়া কথা হ'ল যে আমি কেৱল কেন্সাৰ ৰোগৰ চিকিৎসা কৰাৰ ক্ষেত্ৰত যিমান আগবাঢ়িম তাতকৈ এই ৰোগৰ পৰা হাত সাৰি থাকিবলৈ যিখিনি সজগতা সৃষ্টি কৰিব লাগে তাৰ কাৰণে স্বাস্থ্য বিভাগে কিছু কাৰ্যসূচী হাতত ল'ব লাগে। ইতিমধ্যে আমি দেখিছো মই কেৱল এই চৰকাৰকে কোৱা নাই পূৰ্বৰ চৰকাৰকো এই বেমাৰৰ ক্ষেত্ৰত কোনো দোষাৰোপ নকৰো। সজগতাৰ ক্ষেত্ৰত কেন্সাৰ ৰোগৰ পৰা মুক্ত পাবলৈ বা আমি কি কি ধৰণে আগবাঢ়িবলৈ কি খাব লাগে, কি খাব নালাগে, ধুমপানৰ ক্ষেত্ৰৰ কথাই হওঁক বা বিভিন্ন ধৰণৰ কাৰক সমূহৰ পৰা বাচিবলৈ এজন ব্যক্তিয়ে কি কি পথ অৱলম্বন কৰিব লাগে তাৰ কাৰণে স্বাস্থ্য বিভাগে আজিৰ তাৰিখলৈ যিখিনি সজগতা সৃষ্টি কৰি আহিছে কেন্সাৰৰ ক্ষেত্ৰত সেইখিনি কিন্তু উপযুক্ত সজগতা নহয়।

**শ্ৰীকমালক্ষ্য দে পুৰকায়স্থ ঃ** চাৰ, থূলৰ অভাৱ।

**সভাপতি (শ্ৰীবিনন্দ কুমাৰ শইকীয়া) ঃ** বাহিৰত কোন আছে মাতি দিয়কচোন।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** সভাপতি ডাঙৰীয়া, গতিকে সেই কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে আমি কেন্সাৰ বেমাৰৰ ক্ষেত্ৰত সজগতা সৃষ্টি কৰাৰ ক্ষেত্ৰত বিভাগে উপযুক্ত পদক্ষেপ লব লাগে, প্ৰতিটো গাঁৱত আমি যাব লাগে। পঞ্চায়ত বিভাগৰ জৰিয়তে প্ৰত্যেক গাঁও পঞ্চায়তৰ গাওঁ সভা হয় বা বিভিন্ন বিভাগ এগ্ৰিকালচাৰ বিভাগৰ জৰিয়তে বিভিন্ন ধৰণৰ সভা সমিতি হয়, ৰাজ্য চৰকাৰ খনে বিভিন্ন টকা পইটা দি আত্মসহায়ক গোটক উপকৃত কৰিছে, এই গোটবোৰৰ জৰিয়তে এই সচেতনতা আমি কৰিব লাগে, সজাগ আমি সৃষ্টি কৰিব লাগে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে কেন্সাৰৰ পৰা আমাৰ অসমৰ

ৰাইজক ৰক্ষা কৰাৰ কাৰণে স্বাস্থ্য বিভাগে উপযুক্ত ব্যৱস্থা ল'ব।

**সভাপতি (শ্ৰীবিনন্দ কুমাৰ শইকীয়া) ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** সন্মানীয় সভাপতি মহোদয়, সন্মানীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই ৰুল ৫৪ ৰ যোগেদি 'কেন্সাৰ ৰাজ্যত বছৰি আক্ৰান্ত ৩০ হাজাৰ' শীৰ্ষক যি বাতৰিটো উপস্থাপন কৰিছে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতে এটা গুৰুত্বপূৰ্ণ কথা সদনৰ মজিয়াত উপস্থাপন কৰিছে। কিন্তু সভাপতি মহোদয়, এই একেই বিষয়টো কেইদিনমান আগত সন্মানীয় বিধায়ক পবিন্দ্ৰ ডেকা ডাঙৰীয়াইও আনিছিল। যিমানখিনি আমি কৰিছো বা কৰিব পাৰিম সেই বিষয়ে মই পবিত্ৰ বিধান সভাক অৱগত কৰিছিলো। তেখেতে আজি অনাৰ কাৰণে মই ভালেই পাইছো, কাৰণ সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰ খনে যোৱা চাৰিটা বছৰত কি কি কাম কৰিলে কেন্সাৰ কেয়াৰৰ কাৰণে, মই আকৌ এবাৰ কবলৈ সুযোগ পাইছো। সেই সুযোগটো দিয়াৰ কাৰণে জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো। একেবাৰে সঁচা, অত্যন্ত গুৰুত্বপূৰ্ণ কথা যে অসমত বছৰি ৩০ হাজাৰ মানুহ নতুনকৈ কেন্সাৰত আক্ৰান্ত হয়। এই ৩০ হাজাৰ মানুহৰ মাজত মৃত্যুৰ সংখ্যা হৈছে ৫০ শতাংশ। সেইটো আমাৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ, উদ্যেগজনক আৰু দূখজনক ঘটনা। এই বেমাৰ প্ৰতিৰোধ কৰিব লাগে আৰু অসমৰ ৰাইজক বচাব লাগে। আমাৰ মাজত যি এই ৩০ হাজাৰ কেন্সাৰ ৰোগী হয় বা কেন্সাৰৰ প্ৰাদুৰ্ভাৱ দিনে দিনে বাঢ়ি গৈছে তাৰ কাৰণে আমি সকলোতকৈ গুৰুত্বপূৰ্ণ কামটো কি কৰিব লাগে আমাৰ মাজত সজগতা সৃষ্টি কৰিব লাগে। জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই আমাৰ চৰকাৰে কৰা কাম-কাজক প্ৰশংসা কৰিছে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেখেতে সজগতা মূলক কেইটামান কাম কৰাৰ কাৰণে আমাক পৰামৰ্শ দিছে মই সাদৰৰে গ্ৰহণ কৰিছো। মূলতে কোৱা হয় Tobacco বা চিগাৰেট বা কিছু কিছু কেন্সাৰ মদ খোৱাৰ কাৰণে, কিছু কিছু কেন্সাৰ বেয়া খাদ্য খোৱাৰ কাৰণে আৰু কিছু কিছু কেন্সাৰ মানুহ এজনৰ ফিজিকেল এক্টিভিটিৰ কাৰণে হয়, সেই কথাখিনি আমি ৰাইজক বুজাব লাগিব যে আমি পাৰিলে মাদকদ্ৰব্য গ্ৰহণ কৰিব নালাগে আৰু আমি ভাল খাদ্য খোৱা বা চাফাকৈ খোৱা সেই পৰিৱেশটোৰ সৃষ্টি কৰিব লাগে আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ কথা আমাৰ ফিজিকেল এক্টিভিটি লাগে। আমি প্ৰত্যেক জনে, আমিও যদি সমলোচনা কৰিছো, এতিয়া বিৰোধী পক্ষই সমলোচনা কৰিছে, ভাৰত বৰ্ষত অমূক তমূক কম হয় আমি একেবাৰে সফলতাৰ শীৰ্ষত গৈ আৰোহণ কৰা নাই। আজিৰ পৰা অলপ দিনৰ আগতে মোৰ লণ্ডনলৈ যোৱাৰ সুযোগ ঘটিছিল, অসমৰ এজন ডাক্তৰ লণ্ডনত থাকে তেখেতে মোক লগ ধৰিছিল। আমি বিভিন্ন কথা আলোচনা কৰি আছিলো। তাৰ স্বাস্থ্য বিভাগৰ কথাৰ বিষয়ে মোক অসমৰ ডাক্তৰ গৰাকীয়ে কলে, তেখেতৰ সৰু এটা স্কীনৰ বেমাৰ হৈছিল তেখেত ডাক্তৰ আৰু তেখেতে এগৰাকী ডাক্তৰৰ এপইনমেন্ট বিচাৰতে ৯ মাহ সময় লৈছিল। ৯ মাহৰ পাছতহে তেখেতক সময়টো দিছিল। গতিকে কৰবাত কৰাবত হয়তো আমি আগুৱাই গৈছো। আজি ইংলেণ্ড এখন উন্নত দেশ গতিকে তেওঁলোকে আগুৱাই গৈছে বুলি আমি সকলোৱে জানো । কিন্তু আমাৰ ভাৰতবৰ্ষত ৯, ১০ মাহ, ১ বছৰ হয়তো কোনোবা এজন ডাক্তৰৰ appointment ৰ কাৰণে আমি ৰৈ থাকিব নালাগে সেইটো আমাৰ কাৰণে ভাল লক্ষণ বুলি মই অন্ততঃ উপলব্ধি কৰো । আজি আমাৰ super specialist ৰ সংখ্যা কম, অস্বীকাৰ কৰা নাই । কিয় কম আমি যদি ৭০ বছৰত ৬ খন মেডিকেল কলেজহে বনালো কিন্তু এতিয়া আমি ৮ খন মেডিকেল কলেজ বনাইছো আৰু তিনিখন বনাবলৈ গৈ আছো । ডাক্তৰ আমাক বেছিকৈ লাগিব আৰু তেতিয়াহে আমি ৰোগীক পৰিচৰ্যা কৰিব পাৰিম। সভাপতি

ডাঙৰীয়া ইতিমধ্যে অসমৰ গুৱাহাটী মেডিকেল কলেজত কেঞ্চাৰ হস্পিতাল আমি স্থাপন কৰিছো, আমাৰ বি বৰুৱা কেঞ্চাৰ হস্পিতাল আছে, ডিব্ৰুগড় মেডিকেল কলেজত আমাৰ চিকিৎসা হয়, যোৰহাট মেডিকেল কলেজত হয়, বৰপেটা মেডিকেল কলেজত হয়, শিলচৰ, তেজপুৰ মেডিকেল কলেজত হয়। কিন্তু সেই আমাৰ কাৰণে পৰ্য্যাপ্ত নহয়। ৩০ হাজাৰ ৰোগী বছৰি আৰু আগৰ বছৰৰ ৰোগীতো থাকিয়েই যায়। গতিকে আমি এটা সময়ত একেলগে ৪০ হাজাৰ ৰোগীক চিকিৎসা কৰিব লাগে । গতিকে এই কেইখন হস্পিতাল আমাৰ কাৰণে যথেষ্ট নহয় । তাৰ কাৰণে আমি হস্পিতাল বনাবলৈ বা এই কেঞ্চাৰ কেয়াৰটোক আগুৱাই নিবলৈ আমি প্ৰয়াস কৰিছো । সভাপতি ডাঙৰীয়া আজি আকৌ কবলৈ পাই মই অত্যন্ত সুখী হৈছো যে অসম চৰকাৰে ইতিমধ্যে Assam Cancer Care Foundation গঠন কৰি Data trust ৰ লগত MoU কৰি ১৮ খন কেঞ্চাৰ হস্পিতাল বনাবলৈ আমি আগবাঢ়িছো আৰু প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ত হস্পিতাল সমূহক চিনাক্ত কৰি প্ৰথম পৰ্য্যায়ৰ কাম ইতিমধ্যে আৰম্ভ কৰিছো । সভাপতি ডাঙৰীয়া, প্ৰথম পৰ্য্যায়ত আমাৰ ১০ খন হস্পিতাল আছে, বৰপেটা, ডিব্ৰুগড়, দৰং, ডিফু, শিলচৰ, যোৰহাট, শোণিতপুৰ, কোকৰাঝাৰ, লক্ষিমপুৰ। দ্বিতীয় পৰ্য্যায়ত, তিনিচুকীয়া কৰিমগঞ্জ, ডিমা হাচাও, নগাওঁ, গোলাঘাট, গোৱালপাৰা, নলবাৰী আৰু ধুবুৰীত আছে। প্ৰথম পৰ্য্যায়ত আমি ইতিমধ্যে কাম আৰম্ভ কৰিছো। গুৱাহাটী মেডিকেল কলেজত আমাৰ কেঞ্চাৰ কেয়াৰ হস্পিতাল আছে তাত আমি “পেট চিটি স্কেন” অত্যন্ত ব্যয় বহুল এটা যন্ত্ৰ ইতিমধ্যে install কৰিবলৈ সক্ষম হৈছো। সভাপতি ডাঙৰীয়া আমাৰ এটা সমস্যা আছে যে কিছু ক্ষেত্ৰত বেমাৰটো চিকিৎসা পৰ্য্যায়লৈকে নাহে তাৰ আগতেই মানুহ মৃত্যু হোৱাৰ উদাহৰণ আছে। কথাটো হ’ল যে বিত্তীয় ভাবে আমাৰ কিছুমান মানুহ দুৰ্বল আৰু ইয়াৰ চিকিৎসা যিহেতু ব্যয় বহুল, তেওঁলোকে চিকিৎসা কৰিবলৈ নাপাওতেই মৃত্যু মুখত পৰে। কিন্তু আমাৰ কাৰণে ভাল খবৰ যে এই খন চৰকাৰে অটল অমৃত অভিযান আনি আমি বহুতো কেঞ্চাৰ ৰোগীক বচাবলৈ সক্ষম হৈছো। সভাপতি ডাঙৰীয়া, কেন্দ্ৰীয় চৰকাৰে পি এম জি ৱাই আঁচনি আনি দেশৰ ১০ কোটি ৭৫ লাখ বি পি এল পৰিয়ালক ৫ লাখ টকালৈকে বিনামূলীয়া চিকিৎসাৰ সুবিধা কৰি দিছে। তাৰ ফলত যথেষ্ট কেঞ্চাৰ ৰোগীয়ে চিকিৎসা কৰিবলৈ সুবিধা পাইছো। গতিকে সভাপতি ডাঙৰীয়া, আমি আৰু কাম কৰিবলৈ আছে মই অস্বীকাৰ কৰা নাই। স্বাস্থ্য জগতত প্ৰত্যেক দিনাই নতুন মেচিন আৱিষ্কাৰ হয়, নতুন ঔষধ আৱিষ্কাৰ হয়, ডাক্তৰ সকলে প্ৰত্যেক দিনাই পঢ়িব লাগে। তাৰ লগে লগে চৰকাৰো আগুৱাই যাব লাগিব। এই ক্ষেত্ৰত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰ খন মাননীয় স্বাস্থ্য বিভাগৰ কেবিনেট মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত স্বাস্থ্য বিভাগ সজাগ আৰু সচেতন। মই আজি জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিকেইটা পৰামৰ্শ দিছে, মই আকৌ কৈছো সাদৰেৰে গ্ৰহণ কৰিছো। স্বাস্থ্য বিভাগে এই ক্ষেত্ৰত আৰু উন্নত কৰিবলৈ চেষ্টা কৰিম, প্ৰয়াস কৰিম। আমাৰ মানুহ খিনিক আমি বচাব লাগিব, সেই দায়িত্ব আমাৰ সকলোৰে। এই খিনিকে কৈ মোৰ বক্তব্য সামৰিছো । ধন্য বাদ ।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (সভাপতি)** ঃ এতিয়া কাৰ্য্যসূচী নং-৩। এতিয়া মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা। তেখেতে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত ডাম্পিং গ্ৰাউণ্ডৰ পৰিবৰ্তে পৌৰ নিগমত ১০ কোটিৰ প্ৰকল্প স্থাপনৰ যোজনা। মহানগৰীত চলিত waste manage শীৰ্ষক বাতৰিটো under rule 301ত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ মাননীয় সভাপতি মহোদয়, মই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ অধিনত এই বিষয়টো দৃষ্টি আকৰ্ষণ কৰিব

বিচাৰিছো । বিষয়টো হৈছে- ডাম্পিং গ্ৰাউণ্ডৰ পৰিবৰ্তে পৌৰ নিগমত ১০ কোটি টকীয়া প্ৰকল্প স্থাপনৰ যোজনা। মহানগৰী GMC ৰ Solid Waste Managment এইটো অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত হৈছিল । মাননীয় সভাপতি মহোদয়, Solid Waste Managment অকল অসমতে নহয়, গোটেই বিশ্বতেই এই এটা প্ৰত্যাহ্বান হিচাপে দেখা দিছে । আমাৰ ভাৰতবৰ্ষৰ বিভিন্ন চহৰত ইতিমধ্যে Solid Waste Managment ৰ জৰিয়তে বিভিন্ন প্ৰকল্প গ্ৰহণ কৰিছে। কিন্তু আমাৰ অসমত Solid Waste Managment জৰিয়তে কোনো প্ৰকল্প গ্ৰহণ কৰা নাই । মাননীয় সভাপতি ডাঙৰীয়া মই এটা উদাহৰণ দি ক'ব বিচাৰিছো যে, পুনেত পৌৰ নিগমে প্ৰতিদিনে ১৬০০ মেট্ৰিক টন Solid Waste সংগ্ৰহ আৰু পৃথক কৰি ইতিমধ্যে treatment কৰি আছে আৰু তাৰ লগে লগে তেওঁলোকে যিটো বায়ু গেছ, composs আৰু লগতে আৰু আমাৰ Solid Waste recycle কৰিও তেওঁলোকে treatment ৰ ব্যৱস্থা কৰিছে । কিন্তু অসমত দীপৰ বিলৰ কাষত ডাম্পিং গ্ৰাউণ্ডটো স্থাপন কৰা হৈছে । মাননীয় সভাপতি ডাঙৰীয়া আপুনি শুনি ভাল পাব যে পুনে পৌৰ নিগমে Solid Waste Managment জৰিয়তে biodegradable, bio-CNG, fuel ethanol আৰু lequid metal উৎপাদন কৰি আহিছে । আমাৰ ইয়াত বিশেষভাবে দীপৰ বিলৰ পাৰত যিটো ডাম্পিং গ্ৰাউণ্ড আছে এই ডাম্পিং গ্ৰাউণ্ড ত গুৱাহাটীৰ পৰা প্ৰতিদিনে ৫০০ মেট্ৰিক টন Solid Waste আজি ডাম্পিং গ্ৰাউণ্ডত পেলোৱা হৈছে। ইতিমধ্যে সেই ডাম্পিং গ্ৰাউণ্ডৰ পৰা আমাৰ বিশেষভাৱে লেতেৰা আৰু বেয়া বস্তু বিলাক গৈ দ্বীপৰ বিলত পৰিছে আৰু দ্বীপৰ বিলত পৰা কাৰণে আমাৰ বিশেষভাৱে জীৱকুলৰো যথেষ্ট অসুবিধা হৈছে। যিহেতু দ্বীপৰ বিলৰ প্ৰদুষণ হৈছে এই প্ৰদুষণৰ কবলত পৰি ইতিমধ্যে বিভিন্ন জীৱকুলৰ মৃত্যু হৈছে। আনকি তাত থকা মাছসমূহেও বিভিন্ন বেমাৰৰ সন্মুখীন হৈছে। যি সময়ত ড্ৰাম্পিং গ্ৰাউণ্ড স্থাপন কৰিছিল , সেই সময়ত কংগ্ৰেছ আই চৰকাৰ আছিল। তেওঁলোকে solid waste management ৰ অধীনত তাত power generation ৰো এটা প্ৰকল্প লৈছিল। কিন্তু প্ৰকল্পটো কি হ'ল, সেইটো আজি আমি আৰু কব নোৱাৰো। প্ৰকল্পও নাই, সেই বিলাক প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল। আজি যদি তেনেধৰণৰ বিকল্প এটা প্ৰকল্প হ'লহেতেন তেনেহ'লে আজিৰ এই অৱস্থাৰ সৃষ্টি নহ'লহেতেন। মাননীয় সভাপতি ডাঙৰীয়া, ইতিমধ্যে আমাৰ 'ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে' এই ডাম্পিং গ্ৰাডণ্ডটো তাৰপৰা স্থানান্তৰিত কৰাৰ বাবে বাৰম্বাৰ নিৰ্দেশ দি আছে। বিগত ২৯ এপ্ৰিল তাৰিখেও আমাৰ 'ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে' এই ডাম্পিং গ্ৰাউণ্ডটো পৌৰনিগমক ২ মাহৰ ভিতৰত স্থানান্তৰ কৰাৰ ক্ষেত্ৰত নিৰ্দেশ দিছিল। কিন্তু সেই নিৰ্দেশ আজি ৯ মাহ পাৰ হোৱাৰ পিছতো কাৰ্য্যকৰী হোৱা নাই। মই ক'ব বিচৰা নাই যে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰীৰ গাফিলতি আছে। কিন্তু কথাতো হৈছে যে সেই ডাম্পিং গ্ৰাউণ্ডটো স্থানান্তৰ কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খনে ইতিমধ্যে চাৰিটা স্থান পৰিদৰ্শন কৰি নিৰ্ধাৰণ কৰিছিল। সেই কেইটা হৈছে ক্ৰমে বশিষ্ঠ, সোণাপুৰ,ওদালবাক্ৰা আৰু চন্দ্ৰপুৰ। ইতিমধ্যে চন্দ্ৰপুৰলৈ স্থানান্তৰ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লৈছে যদিও ৰাইজৰ প্ৰতিবাদত সেইটো স্থানান্তৰিত কৰিব নোৱাৰিলে। গতিকে প্ৰশ্নটো হ'ল, আজি মানুহৰ সন্দেহ হৈছে কিয় ? মানুহৰ সন্দেহ এই কাৰণেই হৈছে যে আজি যি বিলাক জাবৰ-যোথৰ solid waste সেইটো আজি যিটো স্থানলৈ স্থানান্তৰিত কৰিব তাত যদি বিকল্প কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়া হলে ৰাইজে এই ক্ষেত্ৰত কেতিয়াও সন্মতি প্ৰকাশ নকৰে। মাননীয় সভাপতি ডাঙৰীয়া ,আপুনি যদি দ্বীপৰ বিলৰ ড্ৰাম্পিং গ্ৰাউণ্ডলৈ যায় তেতিয়া হ'লে আপুনি দেখিব এখন পাহাৰ। কাৰণ যিমান solid waste আছে জাবৰ-যোঠৰ আছে সেই গোটেইখিনি ড্ৰাম্পিং

গ্ৰাউণ্ডত বিকল্প ব্যৱস্থা নোলোৱাৰ কাৰণে আজি এক ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। গতিকে মই বিশেষ ভাৱে অনুৰোধ জনাব বিচাৰিছো যে চৰকাৰখনে ইতিমধ্যে integrated solid waste project এটা লোৱাৰ কথা এই বাতৰিত প্ৰকাশ পাইছে। কিমানদূৰ সচা মই নাজানো। আমি যদি বিশেষভাৱে তেনেধৰণৰ integrated solid waste project এটা গ্ৰহণ কৰো তেতিয়াহ'লে হয়তো তেনেধৰণৰ প্ৰজেক্ট স্থানান্তৰ কৰিলেও কোনেও আপত্তি নকৰিব। মই গম পোৱা মতে ইতিমধ্যে ১০ কোটি টকাও দিয়া বুলি ইয়াত প্ৰকাশ পাইছে। যদি আমি বিশেষ ভাৱে ডাম্পিং গ্ৰাউণ্ডটো দ্বীপৰ বিলৰ পাৰৰ পৰা স্থানান্তৰিত কৰা নহয় তেনেহ'লে জীৱকুল এক প্ৰত্যাহ্বানৰ সন্মুখীন ইতিমধ্যে হৈছে , অনাগত দিনত যে আৰু হ'ব এইটো নিশ্চিত। কাৰণ দেশী-বিদেশী বিভিন্ন পশু-পক্ষী তালৈ আহে আৰু ঠিক তেনেকৈ পাহাৰৰ পৰাও হাতী বিচৰণ কৰিবৰ বাবেও সেই দ্বীপৰ বিললৈ আহে। সভাপতি মহোদয় দ্বীপৰ বিল হৈছে পৃথিৱীৰ ভিতৰত বিখ্যাত জলাশয়। এইটোক 'Ramsar site' বুলি কোৱা হয়। আজি এই জলাশয়টো বিশেষভাৱে এই (ডাম্পিং গ্ৰাউণ্ডৰ ফলত নিশেষ হোৱাৰ পথত। ইতিমধ্যে এই দ্বীপৰ বিলৰ ক্ষেত্ৰত বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে মইও ইতিমধ্যে Signature Scheme ৰ যিটো ১০ কোটি টকা পাইছিলো, এইটো দ্বীপৰ বিলৰ সংৰক্ষণ আৰু দ্বীপৰ বিলৰ পৰ্য্যটনৰ আকৰ্ষণৰ কাৰণেও বিভিন্ন আঁচনি গ্ৰহণ কৰি আমি অচিৰেই কাম আৰম্ভ কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰিছো আৰু ইতিমধ্যে দ্বীপৰ বিল চ'চাইটি নামেৰেও এটা চ'চাইটি গঠন কৰা হৈছে আৰু যিটো চ'চাইটিৰ সভাপতি হ'ল আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া। গতিকে তেনেধৰণৰ এখন দ্বীপৰ বিল, যিটো পৃথিৱী বিখ্যাত জলাশয়, আজি তাত বিভিন্ন ধৰণেৰে প্ৰদুষিত হৈ পানী পৰ্য্যন্ত ক'লা হৈ গৈছে। এই বিলৰ পানী প্ৰদূষিত হৈ জীৱকুল বিলাকে মৃত্যু মুখত পৰিছে। গতিকে আপোনাৰ জড়িয়তে মই মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই ডাম্পিং গ্ৰাউণ্ডটো স্থানান্তৰিত কৰাৰ লগে লগে আমাৰ বিশেষভাৱে solid waste management ৰ জড়িয়তে তেনেধৰণৰ এটা প্ৰকল্পও স্থাপন কৰাৰ ক্ষেত্ৰত যাতে তেওঁলোকে ব্যৱস্থা গ্ৰহণ কৰে। প্ৰয়োজন হ'লে মাননীয় মন্ত্ৰীৰ নেতৃত্বত এটা প্ৰতিনিধি দল গৈও য'ত য'ত তেনেধৰণৰ আমাৰ বিশেষভাৱে solid waste management ৰ জড়িয়তে প্ৰকল্প গ্ৰহণ কৰিছে সেইবোৰ পৰিদৰ্শন কৰি আহিলে ভাল হয়।আজি হাইদৰাবাদ, পুনে,মুম্বাই আদি সকলোতে তেনেধৰণৰ প্ৰকল্প গ্ৰহণ কৰিছে। আনকি কলিকতাতো তেনেধৰণৰ প্ৰকল্প গ্ৰহণ কৰিছে। আমি যদি তেনেধৰণৰ বিকল্প এটা ব্যৱস্থা কৰো ,তেতিয়া হ'লে দ্বীপৰ বিল ৰক্ষা পৰিব,ন'হলে দ্বীপৰ বিল এটা সময়ত এখন শ্মশানত যে পৰিণত হ'ব সেইটো কথা নিশ্চিত। সেয়েহে মই আপোনাৰ জড়িয়তে মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ এটা সদ উত্তৰ পাম বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় সভাপতি,(শ্ৰী বিনন্দ কুমাৰ শইকীয়া ) ঃ** এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, আপুনি ইয়াৰ আগতেওঁ কেইবাবাৰো উত্থাপন কৰিছে। মাননীয় মন্ত্ৰী।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য,গুৱাহাটী উন্নয়ন মন্ত্ৰীঃ** মাননীয় সভাপতি মহোদয়, আজি মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই 'প্ৰতিদিন' বাতৰি কাকতৰ বাতৰিৰ ভিত্তিত আজি যি উৎকণ্ঠা প্ৰকাশ কৰিছে মই তেখেতক তাৰ বাবে ধন্যবাদ জনাইছো। তেখেতে ২৫ ফেব্ৰুৱাৰী তাৰিখৰ 'প্ৰতিদিন' কাকতত প্ৰকাশিত এটা বাতৰিৰ ওপৰত মন্তব্য ৰাখিছে। এই প্ৰকাশিত বাতৰিতো মই যথেষ্ট গুৰুত্ব সহকাৰে লৈ পুংখানু-পুংখভাৱে অধ্যয়ন কৰিছো আৰু অতি দুৰ্ভাগ্যৰ সৈতে মই

ক'বলগীয়া হৈছে যে যিগৰাকী সাংবাদিকে এই বাতৰিটো প্ৰস্তুত কৰিছে, তেখেতে বিষয়টো সঠিকভাৱে নোচোৱাকৈ,নজনাকৈহে এই বাতৰিটো বনাইছে। কিয়নো ইয়াত দুটা প্ৰসংগ আছে। প্ৰত্যেক দিনাই ৫০০ টন আবৰ্জনা আমি বড়া গাওঁৰ যিখন ডাম্পিং গ্ৰাউণ্ড আছে তাত আমি পেলাওঁ আৰু তাৰ লগত বৰ্তমান তেখেতে যিটো বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ কথা কৈছে-this is misleading . কিয়নো ইয়াত কোৱা হৈছে "ডাম্পিং গ্ৰাউণ্ডৰ পৰিৱৰ্তে পৌৰনিগমৰ ১০ কোটি টকীয়া প্ৰকল্প স্থাপনৰ যা-যোগাৰ"। মাননীয় অধ্যক্ষ মহোদয়, বাৰম্বাৰ National Green Tribunel ৰ আদেশৰ কথা ইয়াত উত্থাপিত হৈছে, যি আদেশৰ কথা ইয়াত উত্থাপন কৰা হৈছে, সেই আদেশৰ ক'পি মোৰ হাতত আছে, মই সেই আদেশটো পঢ়ি দিব খুজিছো, যাতে আমাৰ বিধায়কেই নহয় আমাৰ সদনেও এই সম্পৰ্কে জ্ঞাত হয়। এই NGT ৰ order তো হৈছে **১৯-০৮-১৯** তাৰিখ, তাৰ para -4। এইটো relevant para হয়, সেইটো মই পঢ়ি দিছো -

"we however deem it appropriate to observe that while deciding on the alternative site it ought to be developed as an integrated solid waste management plant as described under the "Solid Waste Management Rule, 2016" in order to take care of the future space requirement. It would also be appropriate for the State to plan decentralized processing plant to be established in suitable location of the city as a support system of the proposed integrated solid waste management plant.

মাননীয় অধ্যক্ষ মহোদয়, আপুনি জ্ঞাত যে Solid Waste Management Rule, 2016 আমাৰ ভাৰতবৰ্ষৰ সকলো Urban area ৰ কাৰণে প্ৰযোজ্য। বৰ্তমানে এই বাতৰিত যিটো কথা কোৱা হৈছে - প্ৰ কল্পটো হৈছে ২০০৭ চনতে কিন্তু বৰাগাঁৱৰ dumping ground লৈছিল, সেই সময়ত কোন চৰকাৰ আছিল। In what wisdom they had initiated that dumping ground. That is beyond question. Now it is a fact that we have to accept. তেখেতসকলে ২০০৭ চনতে যদি এনেকুৱা এটা সিদ্ধান্ত ন'ললেহেতেন, আজি হয়তো উত্তৰাধীকাৰী সুত্ৰে আমি বিধান সভাত এইটো চৰ্চা কৰিবলগীয়া নহ'লহতেন। তেখেতসকলে কি কৰিছে, কি কৰা নাই, সেইবিলাকলৈ মই নাযাওঁ। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানি আঁচৰিত হ'ব যে **২০০৭** চনৰ পৰা আজি **২০২০** চনলৈকে এই **১৩** বছৰত পুৰণি জাৰৰ প্ৰায় **১৩** লাখ টন এতিয়া ডাম্প হৈ আছে, সেইকাৰণে পাহাৰ হৈ আছে আৰু NGT (National Green Tribunal) য়ে কৈছে যে নতুন যিখিনি জাৰৰ আহি আছে , সেইখিনিৰ কাৰণে আপোনালেকে alternate site চাওঁক, কিন্তু যিখিনি পুৰণি জাৰৰ আছে, সেইখিনিৰ কি হ'ব ? তেখেতে কৈছে ময়ো তেখেতৰ লগত একমত যে এই ডাম্পিং গ্ৰাউণ্ডৰ কাৰণে যথেষ্ট প্ৰদুষণ হৈছে। প্ৰদুষণ ৰোধ কৰিবৰ কাৰণে আমি পদক্ষেপ লোৱাৰ চেষ্টা কৰিছো। গোটেই ডাম্পিং গ্ৰাউণ্ডখিনিক containment wall দি ঘেৰি দিয়াৰ চেষ্টা কৰা হৈছে। যাতে ইয়াৰ জাৰৰ গৈ পেলাই পানী প্ৰদুৰ্ষিত নকৰে। ইয়াৰ উপৰিও আমাৰ যিখিনি প্ৰদুষিত পানী যায় তাৰ purification ৰ বাবে আমি প্ৰকল্প হাতত লৈছো। These are all beside what has been deleberated today. আৰু NGT য়ে এই পুৰণি জাৰৰখিনিক Legecy waste বুলি কৈছে। এই **১৩** লাখ টন পুৰণি আৰৰ্জনাৰ কাৰণে যিটো প্ৰকল্প হাতত লোৱা হৈছে সেইটোক

Bio-Remediation project বুলি কোৱা হয়। এই প্ৰকল্পটোৰ বাবে আমাক প্ৰায় ৪০ কোটি টকাৰ প্ৰয়োজন হ'ব। প্ৰাৰম্ভিকত আমি **১০** কোটি টকা পাইছো। এই **১০** কোটি টকাৰে আমি **১৩** লাখ টন waste খিনিক Bio-degrade কৰি যাতে ভৱিষ্যতে পৰিবেশ প্ৰদুষিত নকৰে তাৰবাবে প্ৰচেষ্টা হাতত লৈছো । মই আশা কৰিছিলো যে এই যিটো এটা প্ৰশংসনীয় পদক্ষেপ, এই পদক্ষেপৰ বাবে আমাক প্ৰশংসা কৰিব। কিন্তু দেখিছো সমালোচনাহে কৰিছে। যিয়ে নহওঁক, হয়তো যিগৰাকীয়ে বাতৰি প্ৰস্তুত কৰিছে তেখেতে গোটেই প্ৰকল্পটোৰ সম্পৰ্কে সঠিকভাৱে অধ্যায়ন কৰা নাই। কৰিলে এনেকুৰা বাতৰি প্ৰকাশ নকৰিলেহেতেন।

মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত যিখিনি ক'লো তাৰ উপৰিও সকলো মাননীয় সদস্যৰ বাবে এটা Statement এটা পঢ়ি দিব খুজিছো -

"যোৱা ইং **৫** ফেব্ৰুৱাৰী, **২০২০** তাৰিখৰ অসমীয়া প্ৰতিদিন বাতৰি কাকতত প্ৰকাশিত "ডাম্পিং গ্ৰাউণ্ডৰ পৰিবৰ্তে পৌৰ নিগমৰ **১০** কোটি টকীয়া প্ৰকল্পৰ যো-জা মহানগৰীত জি এম চিৰ ছলিড ৱেষ্ট মেনেজমেন্ট" শীৰ্ষক বাতৰি সন্দৰ্ভত মাননীয় বিধায়ক শ্ৰীযুত ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ দ্বাৰা উত্থাপিত বিষয়ৰ ওপৰত **১১-০৩-২০২০** তাৰিখে হ'বলগীয়া আলোচনাৰ টোকা ঃ

উপৰোক্ত শিৰোনামাৰে ইং **১৫-০২-২০২০** তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

পশ্চিম বৰাগাঁৱস্থিত Dumping ground খন ২০০৭ চনত আৰম্ভ কৰা হৈছিল। ইয়াত এতিয়ালৈকে প্ৰায় **১২-১৩** লাখ টন জাবৰ জমা হৈ আছে. এই পুৰণি জাবৰ খিনিক Legacy Waste বুলি কোৱা হয়। National Green Tribunal (NGT) ৰ নিৰ্দেশ মৰ্মে এই Legacy Waste খিনি Bio-Remediation ৰ যোগেদি পৰিস্কাৰ কৰি মাটি খিনি পুনৰ ব্যৱহাৰযোগ্য কৰিব লাগে যাতে দীপৰ বিলৰ পানী প্ৰদুষিত নহয়। Bio-Remediation প্ৰকল্প এটাৰ কাৰণে ৪২ কোটি টকাৰ এটা Project Proposal প্ৰস্তুত কৰা হৈছে। ইয়াৰে **১০** কোটি টকা বিত্ত বিভাগৰ অনুমোদন পোৱা হৈছে । গতিকে এইটো NGT ৰ নিৰ্দেশ মৰ্মে বৰাগাওঁৰ মাটিখিনি পুনৰ ব্যৱহাৰ যোগ্য কৰাৰ বাবেহে, কিন্তু নতুন জাবৰ নিষ্কাশনৰ বাবে নহয়। এই প্ৰকল্পটোৰ উদ্দেশ্য হ'ল পুৰণি জমা হৈ থকা জাবৰখিনি খান্দি উলিয়াই শুদ্ধিকৰণ আৰু পুনৰ ব্যৱহাৰৰ উপযোগী কৰা।

NGT যে বৰাগাঁওস্থিত ডাম্পিং গ্ৰাউণ্ডখন বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। যিহেতু গুৱাহাটী পৌৰ নিগমৰ নিজা মাটি নাই, অসম চৰকাৰক মাটি আৱন্টন দিবৰ বাবে অনুৰোধ জনোৱা হৈছে। অসম চৰকাৰে এতিয়ালৈকে চাৰিটা ঠাইত মাটি আৱন্টন দিছে। আৱন্টন দিয়া মাটি সমূহৰ বৰ্তমানৰ পৰিস্থিতি তলত দিয়া ধৰণে বৰ্ণনা কৰা হ'ল - (**১**) **চন্দ্ৰপুৰ** ঃ - চন্দ্ৰপুৰ তাপবিদ্যুত প্ৰকল্পৰ ভিতৰত থকা ৪০ বিঘা মাটি এটা waste to Energy Plant বনাবলৈ আৱন্টন দিছিল। এই বিষয়টোৰ সন্দৰ্ভত AGCPL আৰু GMC মাজত এখত চুক্তিসম্পন্ন হৈছে য'ত AGCPL য়ে প্ৰকল্পটো নিৰ্মাণ কৰিব আৰু তাত ইন্ধন হিচাপে ব্যৱহাৰ হ'বলগীয়া জাৱৰসমূহ GMC য়ে যোগান ধৰিব। কিন্তু স্থানীয় ৰাইজৰ প্ৰতিবাদী কাৰ্য্যকলাপৰ বাবে জিলা প্ৰশাসনে মাটি ডোখৰ এতিয়ালৈ GMC ক হস্তান্তৰ কৰিব পৰা নাই। এতিয়ালৈকে প্ৰতিবাদী ৰাইজৰ লগত জিলা প্ৰশাসনে আৰু পৌৰ নিগমে কেইবালানীও আলোচনা অনুষ্ঠিত কৰিছে। এই আলোচনাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনৰ তৰফৰ পৰা স্থানীয় ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি কেইজনমানক নতুন দিল্লীস্থিত OKHLA Waste to Energy Plant পৰিদৰ্শনৰ কাৰণে আমন্ত্ৰণ কৰা হৈছে। বৰ্তমান নতুন দিল্লীস্থিত OKHLA Waste to Energy Plant টো বছৰেকীয়া মেৰামতি আৰু ফাকুৱা উৎসৱৰ কাৰণে বন্ধ আছে।

প্ৰকল্পটো খোলাৰ পিছত ৰাইজৰ প্ৰতিনিধি কেইজনক নতুন দিল্লীলৈ লৈ যোবা হ'ব।

(২) **ওদালবাক্ৰা** ঃ ওদালবাক্ৰাত আৱন্টন দিয়া **২০** বিঘা মাটি জনবসতিপূৰ্ণ অঞ্চল ভিতৰত। গতিকে জাৱৰ নিষ্কাশন প্ৰকল্প স্থাপন কৰিব পৰা নাযায়।

(৩) **বৰপথাৰ বশিষ্ঠ** ঃ বৰপথাৰ বশিষ্ঠ অঞ্চলত **৩৭** বিঘা মাটি আৱন্টন দিয়া হৈছিল। ইং **২১** ডিচেম্বৰ, **২০১৯** তাৰিখে দিছপুৰ চক্ৰ বিষয়াই পৌৰ নিগমক মাটি হস্তান্তৰিত কৰা কথা আছিল আৰু উভয়পক্ষ উপস্থিত আছিল। কিন্তু মেঘালয় প্ৰশাসনে আৰু ৰাইজৰ বাধাত মাটি হস্তান্তৰিত নহ'ল। ইয়াৰ পিছত মেঘালয়ৰ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে স্থিতাবস্থা বাহাল ৰখা হৈছে।

(৪) **তামুলকুছি (বৰ্ণিহাট )** ঃ সোনাপুৰ চক্ৰৰ তামুলকুছী অঞ্চলত **২৭** বিঘা মাটি আৱন্টন দিয়া হৈছে । কিন্তু চৰজমিন তদন্তত দেখা গ'ল যে মাটি খিনি  পাহাৰীয়া আৰু সংযোগী বাট-পথ নাই। জিলা প্ৰশাসনৰ আলোচনামৰ্মে Animal Husbandry & Veterinary Deptt. ৰ অধীনত থকা এটুকুৰা খালী মাটি সালসলনি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। এই বিষয়ত যোৱা ইং ৪ মাৰ্চ, ২০২০ তাৰিখে অসম চৰকাৰ, পৌৰ নিগম আৰু স্থানীয় ৰাইজৰ লগত যুটীয়া নিৰীক্ষণ কৰা হয়। আলোচনা মৰ্মে স্থানীয় ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি কেইজনমানক নতুন দিল্লীস্থিত OKHLA Waste to Energy Plant পৰিদৰ্শনৰ কাৰণে আমন্ত্ৰন কৰা হৈছে। আমাৰ এইখিনিত যিহেতু কিছু সময় লাগিছিল আৰু প্ৰায় ১৩ লাখ টনৰ legacy waste খিনি বৰাগাঁৱৰ dumping ground ত আছে। এইখিনিয়ে দীপৰ বিলক যাতে আৰু প্ৰদূষিত কৰিব নোৱাৰে তাৰ বাবে প্ৰায় ১০ কোটি টকাৰে Containment Wall  নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ প্ৰায় ৮০% কাম সম্পূৰ্ণ হৈছে। এই Containment Wall খন দিয়াৰ পিছত waste ground ৰ আৱৰ্জনাই প্ৰদূষণ কৰিব নোৱাৰিব। গতিকে, এই ক্ষেত্ৰতো আমি যথেষ্ট সকাহ পাম। মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে এই সংক্ৰান্তত আমি যি তথ্য আপোনালোকৰ ওচৰত দাঙি ধৰিলো, এই বিষয়খিনিক লৈ  আমাৰ বিধায়ক ডাঙৰীয়া নিঃসন্দেহে যথেষ্ট সজাগ। Dumping Groundৰ বিকল্প স্থান বিচাৰি এদিন তেখেতেও মোৰ লগত বিভিন্ন স্থান পৰিদৰ্শন কৰিছিল। তেখেতে ব্যক্তিগতভাৱেও জানে, ক'ত কি কাম কৰা হৈছে। কিন্তু, বাতৰি কাকতখনত যি প্ৰকাশ হৈছে, সেই ক্ষেত্ৰত বাতৰিত প্ৰকাশ কৰা সাংবাদিকজনে এই গোটেই বিষয়টো হয়তো সঠিক ভাৱে পঢ়া নাই বা ইয়াৰ background টো research কৰা নাই, সেইকাৰণে তেখেতে দুটা বেলেগ বিষয় সাঙুৰি এই বাতৰিটো প্ৰকাশ কৰিছে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে Pune Municipal Corporation ৰ পদক্ষেপক তেওঁ প্ৰশংসা  কৰিছে। গতিকে, মই ভাৱো এনে এক project স্থাপন কৰিবৰ বাবে গুৱাহাটীত যা-যোগাৰ চলোৱাৰ বাবে তেখেতে আমাকো প্ৰশংসা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। দীপৰ বিলৰ Dumping Ground সম্পৰ্কত এই কথাটো কেইবাবাৰো সদনত উত্থাপিত হৈছে। আমি Airport লৈ গ'লে এই দীপৰ বিলখন দেখিবলৈ পাওঁ। ইয়াক Tourist Attraction ৰ স্থান হিচাপে ৰূপান্তৰিত কৰিব পৰা যায়। আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াইও এদিন Waste Energy Project ৰ কথা কৈছিল। মই ভাৱো এইটো খুব গুৰুত্বপূৰ্ণ বিষয়, সেয়েহে, দীপৰ বিলখনক  আমি ভালকৈ সংৰক্ষণ কৰিব লাগে। এই wastage বোৰ scientifically কিদৰে নাইকিয়া কৰিব পাৰি, তাৰ বাবেও চিন্তা-চৰ্চা কৰিব লাগে। এই সম্পৰ্কত প্ৰয়োজন হ'লে আমি আগন্তুক সময়ত পুনৰ আলোচনা কৰিম। এই গোটেই বিষয়টোত আলোচনাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও ইচ্ছুক বুলি মই জানিব পাৰিছো।

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা Point of order আছিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, কওঁক।

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত উপাচাৰ্য পদৰ বাবে আবেদন বিচৰা হৈছিল আৰু সেই মৰ্মে Interview পতাৰ পিছত ৩ জন ব্যক্তিৰ নাম recommend কৰি পঠিওৱা হৈছিল। C.A.G. ৰ Report অনুসৰি যিগৰাকী উপাচাৰ্যক নিযুক্তি দিয়া হ'ল, সেই উপাচাৰ্য গৰাকীৰ ওপৰত ইতিমধ্যে Administrative আৰু Judicial enquiry চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** I am getting your point. I will ask the Minister concerned to look into this matter. You just give me in written.

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত মোক অলপ ক'বলৈ অনুমতি দিয়ক, বিষয়টো বৰ গুৰুত্বপূৰ্ণ ।

**মাননীয় অধ্যক্ষ ঃ** No, this is not permissible. If you desire, you can come tomorrow with a proper notice.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটা সুনাম আছে আৰু অসমৰ এক বৰেণ্য ব্যক্তিৰ নামত এই বিশ্ববিদ্যালয়খন হৈছে। বিগত দিনত তাত যিগৰাকী উপাচাৰ্যই কাম কৰিছিল, তেখেতে অতি সুন্দৰকৈ এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰি তাত নতুন নতুন course আনিছে আৰু সুন্দৰকৈ পৰিচালনা কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** Why don't you bring this matter tomorrow through a Zero Hour Notice? I will allow you.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিষয়টো C.A.G. ৰ Report ত উল্লেখ হৈছে আৰু C.A.G. ৰ Report টো যিহেতু Assembly ত দাখিল হৈছে, So, it is the property of the Assembly and on the basis of that, it is mentioned by the Hon'ble Member.

**মাননীয় অধ্যক্ষ ঃ** Under what rule he has mentioned?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** Sir, he has just raised the point of order to clarify. দেশত যেতিয়া আইন-কানুন ভংগ হয়, তেতিয়া সেই আইন-কানুনৰ শুধৰণি লোকসভা বা বিধান সভাই কৰিব লাগিব কাৰণ আমি law making ও কৰিব লাগিব আৰু ইয়াক protect ও কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** I am seized with the matter. I will allow you everything, but it should be in proper way.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক এই বিষয়টো অহাকালি উত্থাপন কৰিবলৈ দিব লাগে, Let there be a discussion.

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ concern টো মই বুজি পাইছো। Point of Order ত inter-

pretation of Rules থাকে। তাৰ বাহিৰে আন একো নাথাকে। কিন্তু, মই কেতিয়াবা প্ৰশ্নবোৰৰ ক্ষেত্ৰত ভুল হ'লে Point of Order দিওঁ। মই Zero Hour ত সদায় ৩ তাকৈ Notice allow কৰি আছো আৰু 301 ত ৫ টাকৈ Notice দিব পাৰো। কিন্তু, বিষয়বোৰৰ ওপৰত ইমান দীঘলীয়াকৈ কোৱা হয় যে অন্য বিষয়ৰ ওপৰত আৰু আলোচনা কৰিবৰ বাবে সময় নহয়। সদস্যসকলে যদি ৩-৪ মিনিটৰ ভিতৰত কৈ শেষ কৰিব পাৰে তেন্তে ৫ টাকৈ 301 দিব পাৰো। আপোনালোকে দেখিছে, আজিকালি মই এটা 301 দিওঁ কাৰণ বাকীবোৰৰ discussion ৰ সময় নহয়। সদস্যসকলে দীঘলীয়াকৈ প্ৰশ্ন কৰিলে মন্ত্ৰীয়ে তাৰ উত্তৰ দীঘলীয়াকৈ দিয়ে। দৰকাৰী কথাবোৰ সদনত উত্থাপিত হোৱাটো মইয়ো বিচাৰো। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিষয়টো খুব গুৰুত্বপূৰ্ণ বিষয়, I admit it. But, this is not Point of Order. আমি সকলোৱে এই বিষয়টোক লৈ চিন্তিত, এই ক্ষেত্ৰত যদি কিবা হৈছেও তাৰ ওপৰত চৰকাৰৰ নিশ্চিতভাৱে দায়িত্ব আছে। লগতে, সদনেও এই বিষয়টো যদি উত্থাপন হোৱাটো বিচাৰে, তেন্তে through proper Notice উত্থাপন হ'লে ভাল হ'ব। মন্ত্ৰী ডাঙৰীয়া, এই বিষয়টো যদি অহাকালি সদনত উত্থাপিত হয়, তেন্তে আপুনি ইয়াৰ ওপৰত উত্তৰ দিব পাৰিব। মই মেঘালয়ৰ বিষয়টোও আলোচনাৰ বাবে সময় দিছিলো, as it was a burning issue. গতিকে এইটোৰ ক্ষেত্ৰতো মই অনুমতি দিম ।

এতিয়া বাজেটৰ ওপৰত general discussion ৰ বাবে বি.পি.এফ দলৰ পৰা ইমানুৱেল মুছাহাৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী ইমানুৱেল মুছাহাৰী, (তামুলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ সন্মানীয় বিত্ত মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ০৬-০৩-২০২০ তাৰিখে ২০২০- ২০২১ ৰ যি বাজেট উংথাপন কৰিলে আৰু ইয়াৰ ওপৰত যি আলোচনা আগবঢ়াইছে ইয়াত বি পি এফৰ ফালৰ পৰা মই ক'ব বিচাৰিছো। আমি জানো যে এইবাৰ ২০২০-২১ ৰ বাজেটত Total Expenditure Estimated to be Rs.-1,03,762 cr. 13.3% Decrease from the revised estimate of 2019-20. 2019-20 ত আছিল ১,১৯,৭৬০কোটি in 2019-20 Total Expenditure Estimated to be increase by 20.4% that is Rs.-20,000 cr. from the budget estimate for the year. আজি বিশেষকৈ যি বাজেট উংথাপন কৰিলে, তাৰ ওপৰত যোৱা ৭ তাৰিখে নিশ্চয় বহুজনে বক্তব্য ৰাখিছে, মই উপস্থিত থাকিব পৰা নাছিলো। আমি প্ৰিণ্ট মিডিয়া বা ইলেক্ট্ৰ'নিক মিডিয়াত বহু জনে নিশ্চয় পঢ়িছো আৰু বহুতেই কৈছে এইখন Election oriented budget. কিছুমানে এইখন সুন্দৰ বাজেট যিখন বাজেটে আমাৰ প্ৰতিজন পুৰুষ-মহিলাৰ পৰা আৰম্ভ কৰি, ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি যি সকল destitute, যি সকলে মাক্ৰ'ফাইনেনঞ্চ বা তেনেকুৱা গাফলতিৰ বাবে ভুগিবলগীয়া হৈছে, আমাৰ অসমত যোৱা ১ বছৰত প্ৰতিটো স্তৰত উদ্ভৱ হৈছে, সেই সমস্যাসমূহৰ সমাধান কৰিব আৰু ভৱিষ্যতে আমাৰ যিটো নিৰন্তৰ উন্নয়ণৰ লক্ষ্য SDG Goal-2023. আমি ২০৩০ ৰ ভিতৰত যিমানবিলাক টাৰ্গেট আছে, প্ৰায় ১৭ টা টাৰ্গেট আৰু ২৬১ Goal আছে। সেইবিলাক কি ধৰণে আমি বাস্তৱত ৰূপায়ণ কৰিব পাৰো। অন্যান্য ৰাষ্ট্ৰসমূহৰ তুলনাত বা ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ স্থান কিমানত আছে, আমি কিমানজন মানুহক ইউনিভাৰ্চেল পেঞ্চনৰ জৰিয়তে পেঞ্চন দিব পাৰিলো? আমি আমাৰ যিখিনি আন্তঃগাঁথনিৰ অতি প্ৰয়োজনীয় যেনে-বিদ্যুৎ। আমি শুনি আৰু দেখা পাই যথেষ্ট সুখী যে অসমত এনেকুৱা এখন ঘৰ নাই য'ত বিদ্যুৎ সংযোগ দিয়া হোৱা

নাই। মই আজি বিশেষকৈ কিছু মান বিভাগ আছে, যাৰ বাজেট বঢ়োৱা দেখিবলৈ পাইছো, Sectoral allocation অলপ বেছি। এইটো হ'ল-PWD, Education and Health, Social Sector Department. আৰু মেক্সিমাম যিবিলাক বিভাগ আছে, যাৰ যোৱা বছৰৰ তুলনাত খৰচ এই বছৰ অলপ কম দেখুৱাইছে। গতিকে ৰেভিনিউ জেনেৰেশ্বনৰ ক্ষেত্ৰত সুন্দৰকৈ দেখুৱাইছে যে ক'ৰ পৰা ৰেভিনিউ জেনেৰেশ্বন আহিব? 15th Finance Commission ৰ পৰা আমি কিমান পাম? তাৰ পিচত শ্বেয়াৰ কিমান হ'ব, সেই শ্বেয়াৰত 14th Finance Commission ত ৪২ শতাংশ ষ্টেট সমূহক দিয়া হৈছিল। গতিকে এইবাৰ ৪১আৰু ১ শতাংশটো নতুনকৈ যিবিলাক স্বায়ত্ব শাসিত ৰাজ্য বনোৱা হৈছে যেনেকৈ জন্মু-কাশ্মীৰ তাত ১ শতাংশটো যাব বুলি কোৱা হৈছে। আজি মই এজন সাধাৰণ সদস্য হিচাপে যথেষ্ট সুখী হৈছো, এইখন সদনত মই দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হৈছো। আমাৰ বিৰোধীৰ ফালৰ পৰা মই যোৱাবাৰ ভালকৈ শুনিছো যে প্ৰতিজন সদস্য আৰু আমাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে প্ৰত্যেকজন সাধাৰণ জনতাই কৈছে যে ৰাস্তা এইবাৰ হৈছে। ৰাস্তা যথেষ্ট হৈছে। আজি প্ৰত্যেকটো এলেচিত গড় হিচাপে ১৫০ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ কৰি থকা হৈছে। ইয়াৰ ৭০ শতাংশ ক'ৰবাত সম্পূৰ্ণ হৈছে, কিছুমান চলি আছে। প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ বাহিৰেও ভাৰতচৰকাৰৰ ফালৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ নতুনকৈ নিৰ্মাণ কৰা হ'ল আৰু নতুনকৈ ৰাষ্ট্ৰীয় ঘাইপথ গ্ৰহণ কৰা হ'ল। তাৰ পিছত DRDA ৰ ফালৰ পৰাও বা বিভিন্ন বিভাগৰ ফালৰ পৰা ৰাস্তাৰ কামসমূহ কৰিছে।গতিকে যিকিনো বতৰতে চলিব পৰা ১২ মাহে চলিব পৰা ৰাস্তা অসমত তুলনামূলকভাৱে যথেষ্ট হৈছে। গতিকে যোৱা বাজেটত সৰ্বমুঠ কিমান দৈৰ্ঘ্যৰ ৰাস্তা নিৰ্মাণ হ'ল, ইয়াৰ সুন্দৰ হিচাব এটা আমি পালো। ইয়াত এটা কথা নিশ্চয় উল্লেখ নকৰাকৈ মই থাকিব নোৱাৰিম যে বি টি চি অঞ্চল তামুলপুৰৰ পৰা আৰম্ভ কৰি ওদালগুৰি সংলগ্ন কৰি সুন্দৰ এটা ৰাস্তা গঠন কৰা হ'ল ৰেকৰ্ড টাইমৰ ভিতৰত। ৰাস্তা নিৰ্মাণৰ এপ্ৰোভেলটো আগৰ চৰকাৰৰ দিনত কৰিছিল। গতিকে তামুলপুৰ-ওদালগুৰি ৰাস্তাটো ADB, Asian Development Bank ৰ ফালৰ পৰা অনুমোদন দিয়া হৈছিল আৰু ইয়াত সুন্দৰ এটা ৰাস্তা হৈ গ'ল। বহুতো হাজাৰ হাজাৰ inhabitation, Tea-plantation, Group centre এই সকলোবোৰ সংলগ্ন কৰি ৰেকৰ্ড টাইমৰ ভিতৰত এটা সুন্দৰ ৰাস্তা নিৰ্মাণ কৰা হ'ল। মই ইয়াত শ্বেয়াৰ কৰিব বিচাৰিছো যে এই ৰাস্তাটো এতিয়ালৈকে ভাৰতত নিৰ্মাণ কৰা ৰাস্তাসমূহৰ ভিতৰত এটা অতি ভাল ৰাস্তা। গতিকে অৰ্থনৈতিক কাৰ্য্যসমূহ দুটা বছৰৰ ভিতৰত সলনি হোৱা আমি দেখিলো। যিবিলাক আগতে জুপুৰী আছিল, সেইবোৰ এতিয়া সুন্দৰ ঘৰ হ'ল। ব্যৱসায় সমূহ বাঢ়ি গ'ল। এইটো এটা তাৰ সৰু নিদৰ্শন। ইয়াত আমি কেঞ্চাৰ সম্পৰ্কে আলোচনাত আগবঢ়াইছো। ইয়াত ৩০ হাজাৰ প্ৰতিবছৰে নতুন নতুন কেঞ্চাৰ বেমাৰ অসমত হয়। কেঞ্চাৰ হোৱাৰ বহুতো কাৰণ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই ক'লে। ইয়াত কিছুমান জীন আছে, যিবিলাক পৰিয়ালৰ আগতে কেঞ্চাৰ আছিল, সেইবিলাক পিছৰ প্ৰজন্মৰ তাতো আহি যায়। চেলবোৰ নষ্ট হৈ গ'লে, তাত কেঞ্চাৰ আহি যায়। আমি এণ্টিঅক্সিডেণ্ট বা ফাইবাৰযুক্ত খাদ্য যদি আমি খাওঁ তেতিয়া কমি যায়। মই এই বিষয়ে বিশেষজ্ঞ বা ডাক্তৰ নহওঁ। অসমত যদি বিশেষকৈ আমাৰ সদস্য সকলে যিয়ে অসমৰ উন্নয়নৰ প্ৰত্যেকটো শ্বেয়াৰ বিচাৰো, ৩০ হাজাৰ কেঞ্চাৰ প্ৰতি বছৰে হোৱা ১২৬ টা সমষ্টিত যদি ভাগ কৰো গড়ে ২৩৮ টা কৈ নতুন কেঞ্চাৰ ৰোগী এটা সমষ্টিত হয়। এইটো অতি দুখলগা। আমাৰ অসমত কেঞ্চাৰ ৰোগীৰ সংখ্যা যথেষ্ট বাঢ়িছে। ইয়াৰ বঢ়াৰ যথেষ্ট কাৰণ আছে। কিন্তু আজি দেখা গ'ল সেই কেঞ্চাৰ বেমাৰসমূহ কি ধৰণে প্ৰতিৰোধ কৰা যায়? ইয়াৰ কাৰণে সজাগতা সভা কৰা

হৈছে আৰু ঠিক তেনেকৈ চিকিৎসাৰ বাবেও ব্যৱস্থা কৰা হৈছে। মেচিনাৰী অনা হৈছে। কেঞ্চাৰৰ চিকিৎসাৰ বাবে চিকিৎসালয় নিৰ্মাণ কৰা হৈছে। ডাক্তৰ নিয়োগ কৰা হৈছে। কিন্তু ইয়াতকৈ ডাঙৰ বিষয়টো হ'ল আগত যিমানবিলাক স্বাস্থ্য সম্পৰ্কে আমি ব্যক্তি হিচাপে বা ঘৰ হিচাপে খৰচ কৰিছিলো, সেইটো গাঁঠিৰ ধন ভাঙি বা মাটি বেচি কৰিব লগা হৈছিল। কিছুমানে নিজৰ সঞ্চয় সকলোখিনি খৰচ কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া To some extent, insurence cover ৰ দ্বাৰা out of the pocket আমি এতিয়া খৰচ কৰিবলগীয়া নহয়। গতিকে এইটো এটা নতুন পদক্ষেপ, ডাঙৰ এটা প'লিচি মেটাৰত আমি লক্ষ্য কৰিছো ইয়াত যথেষ্ট প'লিচি চীফ্‌ট হৈ গৈছে। আগতে আমি out of the pocket খৰচ কৰিছিলো। সেইকাৰণে মই ক'ব লাগিব যে তুলনামুলকভাৱে অসমো পিচ পৰি থকা নাই। স্বাস্থ্যৰ ক্ষেত্ৰতে কওঁক, ৰাষ্টাঘাটৰ কথাটো কলোৱেই। ঠিক তেনেকৈ শিক্ষাৰ ক্ষেত্ৰত আমি পাইছিলো যে ৰাইজেও বিচৰা নাছিল যে চৰকাৰে এখন স্কুল বিল্ডিং বনাই দিয়া যাওক। আমি জানো বি টি চি অঞ্চল সমূহত শিক্ষাৰ পোহৰ কবলৈ গ'লে দুটা Decads ৰ আগত হে আমাৰ শিক্ষাৰ পোহৰ বিলাক আহিছে। তেনেকুৱা স্কুল কলেজ সমূহ নাছিল। ৰাইজে বছৰি ধান সংগ্ৰহ কৰি স্কুল সমূহ নিমাৰ্ণ কৰিছিল। ঠিক তেনেকৈ এল পি স্কুলবিলাক স্থাপন কৰা হৈছিল যিটো ভেঞ্চাৰ স্কুল বুলি কওঁ। গতিকে সেই ভেঞ্চাৰসমূহ চৰকাৰে লোৱাৰ ব্যৱস্থা কৰিলে। সৰ্বশিক্ষা মিছন অভিযানৰ জৰিয়তে এইসমূহ স্কুল নিৰ্মাণ কৰা হ'ল। শিক্ষক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ratio basis ত নিযুক্ত কৰা হ'ল আৰু ঠিক তেনেকৈ এটা চিষ্টেমত অনা হৈ গ'ল যে কোনে শিক্ষকতা কৰিব পাৰে। গতিকে minimum এটা qualification ৰ প্ৰয়োজন হ'ল। গতিকে টেট পৰীক্ষাৰ ব্যৱস্থা কৰিলে আৰু টেট পৰীক্ষা দিবৰ কাৰণে certain qualification ধৰি দিয়া হৈ গ'ল। গতিকে তুলনামূলকভাৱে শিক্ষাৰ যিটো quality, সেইটো যথেষ্ট আহিছে। গতিকে আজি বাজেটত আমি দেখা পাইছো শিক্ষাৰ sectoral যিটো allocation, যোৱাবছৰৰ তুলনাত এইবাৰ sectoral allocation টো অলপ বেছি হৈছে । গতিকে আমি ভাল পাইছো যে এইবাৰ এটা ডাঙৰ পদক্ষেপ আকৌ হাতত লৈছে। এইটো হ'ল যিসকল ভেঞ্চাৰ স্কুল, যিবিলাক ভেঞ্চাৰ স্কুল recommended হ'ল সেই ভেঞ্চাৰ স্কুলক আকৌ চৰকাৰী বা প্ৰভিঞ্চিয়েলাইজেশ্যনৰ আওতাত আনিবৰ কাৰণে ঠিৰাং কৰা হৈছে। এইটো এটা ভাল পদক্ষেপ। নিশ্চয় ইয়াৰ কাৰণে আমি চৰকাৰৰ শলাগ ল'ব লাগিব। ইয়াত আকৌ মই এটা উল্লেখ কৰিব বিচাৰিছো যে এটা Specific আমি দেখা পাইছো যে বিভিন্ন ঠাইত নতুন মডেল কলেজ বিলাক স্থাপন কৰা হ'ল। গতিকে মই কেতিয়াবা বুজি নাপাও, খুব মনোযোগেৰে শুনো, তথাপিও অলপ বুজিবলৈ টান পাও যে কিহৰ ভিত্তি বা কি পলিচিৰ ওপৰত নিৰ্ভৰ কৰি সেই মডেল কলেজবিলাক স্থাপন কৰা হ'ল। মোৰ সমষ্টিৰ ২০১৭ চনত মই এটা প্ৰশ্ন উথাপন কৰিছিলো যে ৫ চেপ্তেম্বৰত আমাৰ সন্মানীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে সেইদিনা উত্তৰ দিছিল, শিক্ষা মন্ত্ৰী ডাঙৰীয়া উপস্থিত নাছিল। Sub-Division Head Quarter আৰু এটা সমষ্টি, সেই সমষ্টিত আজিলৈকে এখনো প্ৰভিঞ্চিয়েলাইজ কলেজ নাই। যি ৩ খন কলেজ স্থাপন কৰা হৈছে সেইখন প্ৰভিঞ্চিয়েলাইজ কলেজৰ আনিব পৰা এটা আওতাত নাই। গতিকে প্ৰশ্ন আহিছিল এটা oral question, গতিকে চাম বুলি কৈছিল। ঠিক তেনেকৈ চৰকাৰে আকৌ পলিচি গ্ৰহণ কৰিলে ২০১৮ আৰু ২০১৯ চনত বাজেট বক্তৃতাত উত্থাপন কৰিছিল যে উত্তৰণৰ ৬ খন কলেজৰ বাদেও বাক্‌চা আৰু বিভিন্ন ঠাইত তেনেকৈ নতুনকৈ কলেজ স্থাপন কৰা হ'ব। গতিকে সেই হিচাপে এখন চিঠি পালো যে বাক্‌চা বুলি ক'লে in general এখন জিলাৰ। গতিকে য'ত Sub-Division হিচাপে এখন প্ৰভিঞ্চিয়েলাইজ

কলেজ নাই, মোৰ সমষ্টিত। গতিকে এখন কলেজ পাম বুলি আশা কৰিছো। ঠিক তেনেকৈ বি টি চি কৰ্তৃপক্ষৰ ফালৰ চিঠি এখন পালো যে তৎক্ষণাত মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে সেই হিচাপে মাটিও দিলো, কিন্তু কলেজখন এইবাৰ চাইছিলো নহ'ল। গতিকে মই অনুৰোধ জনাইছো যে আজি সেই সুবিধাখিনি গ্ৰহণ কৰিলো বাজেট বক্তৃতাৰ আলোচনাৰ জৰিয়তে। এইবাৰ নিশ্চয় অন্তৰ্ভূক্ত যাতে কৰে, গতিকে যি সমষ্টি বিলাকত বা Sub-Division সমূহত এখনো প্ৰভিঞ্চিয়েলাইজ কলেজ নাই তেনেকুৱা এটা পলিচিৰ জৰিয়তে যদি আমাৰ তামুলপুৰ Sub-Division ত এখন প্ৰভিঞ্চিয়েলাইজ কলেজ যদি পাওঁ মই যথেষ্ট সুখী হম। কাৰণ ইয়াত আমি যিটো শিক্ষাৰ ক্ষেত্ৰত যিবিলাক declaration পাইছো ইয়াত Law College ৰ কথা আহিছে, বিশ্ববিদ্যালয় বহুতো স্থাপন কৰা হৈ গ'ল, মেডিকেল কলেজ স্থাপন কৰিছে। কিন্তু আমি এখন প্ৰভিঞ্চিয়েলাইজ কলেজৰ কাৰণে আজি মাত মাতিছো, মোৰ কাৰণে এটা anti climate ৰ নিচিনা। যিয়ে নহওঁক, মই সদনৰ জৰিয়তে এইটো অনুৰোধ জনাইছো আজি অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়া নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আছে, নিশ্চয় মনত ৰাখিব। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ জনাইছো। ইয়াৰ বাদেও আজি বিশেষকৈ আমাৰ বহুতো high-lights বিলাক আছে, যে total revenue general হ'ব, total expenditure, আগতে ক'লো এইবাৰ slightly lower, compre কৰিলে যোৱাবাৰ revice estimated, যিমান expenditure হ'ল এতিয়া অৱশ্যে মাৰ্চ ending হোৱা নাই। তুলনামূলক ভাৱে কম দেখা গৈছে। পলিচি highlights ৰ ক্ষেত্ৰত এইবাৰ বাজেটত আমি বিশেষ দেখা পাইছো যে Food Security আইনৰ জৰিয়তে যিবিলাক অন্তৰ্ভূক্ত কৰা হ'ল, দুই লাখ পচপন্ন হেড়্চ। ঠিক তেনেকৈ পাছ কেজিকৈ প্ৰতিমাহত এটকাকে তেনেকৈ Food Security আইনৰ অধীনত অৰ্ন্তভূক্ত কৰা হ'ল। নিশ্চয় সেইটো আমি জানো যে, আমাৰ SDG Goal ৰ ফালে আমি ঢাপলি মেলিছো। ইয়াত যেনেকৈ কোৱা হৈছিল, No hunger. গতিকে কোনো যাতে নোখোৱাকৈ বিনিদ্ৰা ৰজনী কটাব নালাগে, প্ৰতিজনে খাব পাবৰ কাৰণে অধিকাৰ আছে। গতিকে ইয়াৰ জৰিয়তে নিশ্চয় অন্তৰ্ভক্ত কৰিছে। সুন্দৰ এটা পদক্ষেপ। ঠিক তেনেকৈ শিক্ষাৰ ক্ষেত্ৰত এইবাৰ আমি নতুন নতুন পদক্ষেপ দেখা পাইছো যে, All house hold with monthly electricity consumption below 30 units will be provided free electricity. The Government will transfer a subsidy of Rs. 404/- (four hundred four) to Assam Power Distribution Company Limited to insured consumer from up-ward division in tariff. গতিকে electricity ৰ ক্ষেত্ৰত আমি দেখা পাইছো যে বহুতো সময়ে সময়ে আমাৰ বিশেষকৈ বাগানৰ, এখেতসকলৰ প্ৰতিটো house whole নিজাববীয়া এটা মিটাৰ নাই। গতিকে সেই ক্ষেত্ৰত প্ৰতিটো house whole ত কিনা হৈছিল, কিন্তু সেইটো সময়ত ইনষ্টল নকৰাৰ কাৰণে সেই মিটাৰ বিলাক এতিয়া ব্যৱহাৰ যোগ্য হৈ থকা নাই। মোৰ সমষ্টিত নাগ্ৰাজুলি বুলি এখন বাগান আছে, তাত তিনিমাহমান এখেতসকল তেনেকুৱা এটা পাৱাৰৰ পৰা বঞ্চিত হ'ব লগা হৈছে যে এখেতসকলৰ বিল আহিছে single এটা মিটাৰ আছে, ইয়াত entire কলনিৰ ৰাইজত দুটা বা তিনিটা মিটাৰ থাকে আৰু ইয়াত তেনেকে বিলবিলাক আহি যায়, গতিকে সেই বিলটো properly share নোহোৱাৰ কাৰণে লাইনটো কাটি দিয়া হৈছে। গতিকে ইয়াত যদি ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। নিশ্চয় এটা ভাল পদক্ষেপ। ঠিক তেনেকৈ employment ৰ ক্ষেত্ৰত দুই লাখ unemployed youth সকলক এইবাৰ The two

lakh youth across the state will be covered under revised Swami Vivekananda Youth Empowerment Yojana to encourage youth to form entrepreneur groups. গতিকে নিশ্চয় যিসকল unemployed youth সকল আছে, কাৰণ ক'বলৈ গ'লে সমগ্ৰ ভাৰতত যদি আমি চাও, অসমৰ unemployment rate higher. According to the perodic labour for survey 17-18 Assam has an unemployment rate of 8.1% which is higher then all India empolyment rate of 6.1%. The female unemployment rate in Assam is 13. 9% which much higher than the all India female unemployment rate 5.7%. গতিকে নিশ্চয় এটা ভাল পদক্ষেপ কাৰণ তুলনামূলক ভাৱে অসমৰ unemployment rate টো বেলেগৰ তুলনাত বেছি। অৱশ্যে ইয়াক Specific ভাৱে কোৱা হোৱা নাই যে, skill or unskill, গতিকে overall ফিগাৰটো তেনেকুৱা। ঠিক তেনেকৈ আমি ইয়াত আমাৰ ক্ষেত্ৰত মই ইতিমধ্যে তিনিটা চেক্টৰৰ কথা ক'লো যে বিশেষকৈ পি ডব্লিউ ডি, হেল্থ চেক্টৰ আৰু এডুকেশ্যন চেক্টৰৰ কথা। গতিকে আজি বিশেষকৈ আমি এইটো চাব লাগিব যে আমাৰ যিটো বাজেট উত্থাপন কৰা হ'ল ইয়াৰ মুলতে আমি লক্ষ্য কৰিছো যে অৰুণোদয় নামে এখন ইয়াত highlights কৰা হৈছে যে, benifit scheme, target হ'ল around 27 twenty seven) lakhs. গতিকে সমগ্ৰ অসমৰ কব'লৈ গ'লে maximum যিসকল below poverty line যি সকল ঠিক তেনেকৈ 5 (five) lakh income ত নাহে এখেতসকলক target কৰি exactly যদি universal income কিমান হয়, ঠিক তেনেকৈ এখেতসকলক সকাহ দিবৰ কাৰণে যদি ব্যৱস্থা গ্ৰহণ কৰা হৈছে নিশ্চয় এইটো এটা সুদুৰ প্ৰসাৰী এটা প্ৰভাৱ নিশ্চয় পেলাব। গতিকে আজি ইয়াত আমি জানো যে অসমত Industry যদিও বা revenue যিটো source, mainly expect কৰা হৈছে অহাবাৰৰ কাৰণে যে Industry Sector ৰ পৰা around 47, 41 মান দেখুৱা হৈছে আৰু ঠিক তেনেকৈ mainly হ'ল Excise ৰ পৰা আহে আৰু এইকেইটা Agricul-ture sector ৰ পৰা ইয়াত দেখুওৱা হৈছে, কিন্তু যদি Agriculture sector টো চাও,, slot down আৰু Industry sector টো যেনেকৈ expected, percentage হিচাপে যিধৰণে growth বা revenue generate কৰা হ'ব, ইয়াত নিশ্চয় অলপ ইফাল সিফাল হ'ব পাৰে, তথাপিও over all যিটো আমাৰ FRBM ৰ যিটো গাইড লাইন মতে আমাৰ ইয়াত as per the FRBM Act মতে আমাৰ হৈ যাব আৰু পৰৱৰ্তী পিছৰ দুটা বছৰত আমাৰ যিটো major liabilities সেই বিলাক নিশ্চয় আমি reduce কৰিব পাৰিম। যি বিলাক outstanding liabilities আছিল লোণ হিচাপে, ঠিক তেনেকৈ লোণ চাৰ্ভিচিং সেই বিলাক পিছৰ দুটা বছৰত comparativelyএইটো meet কৰিব পৰা যাব। ঠিক তেনেকৈ অসমখনৰ যথেষ্ট এটা উল্লেখযোগ্য দিশ দেখা গ'ল। ঠিক তেনেকৈ প্ৰতিটো ষ্টেট, ঘৰ এখন চলাব লাগিলে, আমি প্ৰথমে চাওঁ খৰচটো ক'ত আহিব। গতিকে সেই খৰচটো ইমান ইমান হ'ব পাৰে আৰু আমি কিছুমান খৰচ এৰাই চলিব নোৱাৰো। চেলাৰিৰ কথাই কওঁক, নাইবা পেঞ্চনৰ কথাই হওঁক, কোনো পধ্যেই এৰাই চলিব নোৱাৰো। গতিকে মোৰ দৃষ্টিভংগীৰ ফালৰ পৰাই এইটোকে চাইছো, ইমান complexity লৈ মই যাব বিচৰা নাই । মই এটা পৰিয়ালে ঘৰখন কেনেকে চলাই ঠিক সেই দৃষ্টিভংগীৰে মই চাইছো। বিশেষকৈ এটা ঘৰৰ বিভিন্ন বয়সৰ মানুহ থাকে কোনোবা, ৬০ বছৰৰ অধিক ইয়াৰ কাৰনে ব্যৱস্থা আছে, পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। নিশ্চয় আমাৰ পৰিয়ালৰ

কোনোবা ভনীয়েই হওঁক বা বাইদেউয়ে হওঁক ৪০ বয়সৰ পিছত হঠাৎ বিধৱা হৈ গ'ল। তাৰ কাৰনে এটা চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিছে, নিজৰ স্বামী নাইবা যিবিলাক earner হেৰাই যোৱাৰ পিছত তৎক্ষনাত যাতে এটা সকাহ পোৱাৰ কাৰনে২৫ হাজাৰ টকা দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিছে। ঠিক তেনেকৈ কলেজত এইবাৰ আকৌ বঢ়াই দিয়া হ'ল হোষ্টেলৰ ফ্ৰি , গতিকে এইটো যথেষ্ট সকাহ হ'ব । ১৮ বছৰ বয়স পাৰ হোৱাৰ পাছত যেতিয়া প্ৰথম ময়ো যে মাইনৰ বেংক একাউন্ট খুলিছিলো । তেতিয়া প্ৰথম মোৰো একাউন্টট ৫ শ টকা সোমাইছিল । মোৰো মনত আছে যে প্ৰথমবাৰৰ বাবে মোৰো বেংক একাউন্টত ৫শ টকা সোমাইছে। গতিকে এইটো যথেষ্ট impact আহি যায়। গতিকে যিবিলাকে প্ৰথম বাৰৰ বাবে বেংক একাউন্ট খুলিলে, এখেত সকলৰ আমি শ্বহীদ আঁচনিৰ জৰিয়তে ওঁ যথেষ্ট সহায় দিব পাৰিছো। গতিকে আমাৰ আজি যিখন বাজেট প্ৰস্তুত কৰা হৈ গ'ল, বহুতে বহু কথা ক'ব বিচাৰে যে নিৰ্বাচনমুখী বাজেট বুলি। কিন্তু মই কম যে election oriented বাজেট নহয়। যিমান আমাৰ টাগেট বিলাক আছে, বিশেষকৈ SDG goal ৰ ওপৰত যে আমাৰ খাবনোপোৱাকে যাতে মানুহ নাথাকে, প্ৰতিজনে খাব পোৱাৰ এটা অধিকাৰ আছে। প্ৰতিজন মানুহে বা ল'ৰা-ছোৱালীয়ে যাতে পুষ্টিকৰ খাদ্যপাবৰ কাৰনে এনে এটা অধিকাৰ আছে গতিকে Social Sector ৰৰ ক্ষেত্ৰত এইবাৰ আমি দেখা পাইছো যে ৫ শতাংশ Sector লৈ allocation টো অলপ বঢ়াই দিয়া হৈছে। নিশ্চয় ইয়াৰ জৰিয়তে অসমত তুলনামুলকভাবে প্ৰতি ৫ জনত আমাৰ ৩ জনেই mulnutrition ত ভুগি আছে। যি ধৰনে বয়স অনুপাতে মস্তিষ্ক বৃদ্ধি হ'ব লাগিছিল নাইবা শাৰিৰীক গঠন ল'ব লাগিছিল তেনেধৰনৰ হোৱা নাই। সেই কাৰনে This will be a welcome change বুলি মই ভবো। ঠিক তেনেকৈ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন আঁচনিখন যদিও বা যোৱা বছৰ বাজেটত নিদ্ধাৰন কৰা হৈছিল, এইবাৰ বৰ্ধিত হাৰত ইয়াক কি ধৰনে নিয়া হ'ব, সেইটো বিতংভাৱে কোৱা হৈছে। ঠিক তেনেকৈ মহিলা সকলৰ সৱলীকৰনৰ কাৰনে বিস্তাৰিতভাবে আকৌ কনকলতা মহিলা আঁচনিৰ ক্ষেত্ৰটো এইবাৰ বৰ্ধিতভাবে দিয়া হৈছে। গতিকে ইয়াৰ জৰিয়তে অসমৰ এটা movement যিটো মহিলা বিলাকৰ এটা জাগৰণ আহিছে, আজি কালি যদি আমি চাওঁ যে চুকে-কোণে ৬-৭ জন মহিলাসকলে বহি এখন মিটিং পাতিছে, তেখেতসকলে এই মহিলা সৱলীকৰন, অৰ্থাৎ তেখেত সকলে Self help group সম্পৰ্কে আলোচনা কৰিছে। তেখেত সকলৰ কিদৰে income বঢ়াব পৰা যায়, এখেত সকলৰ ঘৰুৱা সমস্যা কি আছে? গতিকে তুলনামুলকভাবে মই ভাবো, আজি যিবিলাক হকে বিহকে যিবিলাক gossiping আছিল আজি সেইবিলাক কমি নিশ্চয় some Economic Activities কিবা এটা পৰিবৰ্তনৰ কাৰনে এখেতসকলে আলোচনা কৰিছে। ইয়াৰ কাৰনে অসম চৰকাৰৰ ফালৰ পৰা যিবিলাক আৰ্থিক অনুদান আগবঢ়াই দিয়া হৈছে, সেইটো অসমৰ চুকে-কোনে বহুত ক্ষেত্ৰত যথেষ্ট এখেতসকলক Economic এটা জ্ঞানৰ বিষয়ে, Banking Linkage কি ধৰণে কৰিব পৰা যায়, ঠিক তেনেকৈ planning কি ধৰণে কৰিব পৰা যায়, চৰকাৰৰ পৰা যি আমি অনুদান লাভ কৰিম তাক কেনেকৈ ব্যৱহাৰ কৰা যায়। এটা বছৰত সেইটো দুগুণ কেনেকৈ কৰিব পৰা যায়, গতিকে আমাৰ মুল উদ্দেশ্যটো হ'ল আমাৰ household ৰ income টো বঢ়োৱা। কেৱল আমাৰ পুৰুষ সকল নহয়, যে মহিলা সকলেও যাতে ইয়াৰ অংশীদাৰ হয়। ঘৰখন উন্নত কৰোতে বা income বঢ়াওতে মহিলাবিলাকেও যাতে উন্নত হয়। গতিকে এইটো যথেষ্ট সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছে সমাজখনত। গতিকে আজি ঠিক তেনেকৈ আমাৰ মহিলা সকলৰ ফালৰ পৰাও leader হিচাপে সমাজখনক, গাওঁখনক নেতৃত্ব দিব পৰা মানুহ ওলাই আহিছে। ঠিক তেনেকৈ

আকৌ লক্ষণীয় বিষয়টো হ'ল যে individual household Latrine এতিয়া ২০১২ চনৰ যিটো baseline survey সেই baseline survey মতে সম্পুৰ্ন কৰা হৈ গ'ল। কিন্তু কিছু কিছু ক্ষেত্ৰত কিছুমান পৰিয়াল আকৌ extensionপৰিয়াল হৈ গ'ল, বেলেগকৈ খালে এখেতসকলে বনাই লবপৰা নাই। গতিকে ১০০ শতাংশ coverage টো হোৱা নাই। গতিকে সেই বৈ যোৱা যিবিলাক household ত এতিয়ালৈকে Latrine বনোৱা হোৱা নাই বা তেখেতসকলে লাভ কৰিবলৈ সক্ষম হোৱা নাই, ইয়াৰ কাৰনে আমি শুনিছো ঠিক তেনেকৈ Social Responsibility Industries বিলাকে অলপমান অনুদান আগবঢ়াব, আকৌ survey কৰা হৈছে, ভাৰত চৰকাৰৰ পৰা আকৌ পইচা দিয়া হ'ব, আৰু ঠিক তেনেকৈ যিবিলাক Social Sector ৰত নিম্নতম প্ৰয়োজনীয় Electricity ৰ কথায়েই হওঁক নাইবা প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ অধীনত লাখে লাখে ঘৰ নিৰ্মান সম্পুৰ্ন কৰা হৈ গ'ল। ঠিক তেনেকৈ electricity দিয়া হৈ গ'ল। ৰাস্তা-ঘাট নিৰ্মান কৰা হৈ গ'ল। গতিকে অৱশেষত যে এখন সুস্থ সমাজ আৰ্থিকভাৱে আগবঢ়া আমাৰ যিটো টাৰগেট আছিল ২০২৩ ৰ ভিতৰত নিশ্চয় এইটো আমাৰ অসমখনে achieve কৰিবৰ কাৰনে সম্ভৱ হ'ব সেইটো মই ভাবো। গতিকে সেই বাজেটৰ জৰিয়তে গোটেইবিলাক আমি ইয়াত দেখা পাইছো। আমাৰ যিবিলাক যুৱক চামেই হওঁক, নাইবা আমাৰ মহিলা সকলেই হওঁক, বা বিধৱা সকলেই হওঁক এখেত সকলে যথেষ্ট উৎফুল্লিত হৈছে, মই ভাবো ইয়াৰ যথেষ্ট impact আমাৰ market ত পৰিব। গতিকে আত্মবিশ্বাস বাঢ়িব। গতিকে এইখিনি কৈ আৰু সেই বাজেটৰ ওপৰত মোৰ সম্পুৰ্ন বিশ্বাস আছে, কেৱ ৰ figure আকাৰে যে কিতাপত লিখা নাথাকিব ইয়াৰ delivery system ইয়াৰ monitoring আৰু প্ৰকৃত মানসত যাৰ targeted group ত সেই বাজেটৰ ফলটো আমি অহাবছৰ দেখা পাম। গতিকে এইখিনি কৈ মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, আমাৰ বহুতেই ক'ব বিচাৰিছে। সময় কিন্তু আমাৰ দলবিলাকে যথেষ্ট ললে। আমাৰ সময়ৰ মাজত মন্ত্ৰী উত্তৰটোও সোমাই আছে। যিমান পাৰো কম কৰিবলৈ চাম। সকলোৱে speech টো অলপ limited কৰিব প্ৰথমতে আৰু ২য়তে আমাৰ কোৰামটো থাকিলে ভাল হয়।। নিজে এবাৰ জুখি চাব, বাহিৰলৈ যোৱাৰ আগতে। কোৰাম কম কৰি যাতে ওলাই নাযায়। আমাৰ সাধাৰনতে আলোচনাবিলাকত Member অলপ কম present থাকে। সেই কাৰনে আপোনালোকে বাহিৰলৈ যোৱাৰ আগতে সেইখিনি অলপ লক্ষ্য ৰাখিব যাতে আমাৰ কোৰামটো maintain হৈ থাকে। এতিয়া ৰূপক শৰ্ম্মা তাৰ পাছত ৰকিবুল হুছেইন।

**শ্ৰী ৰূপক শৰ্ম্মা, সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬ মাৰ্চত এই মহামান্য সদনত মাননীয় মুখ্য মন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল নেতৃত্বাধীন আমাৰ চৰকাৰৰ মাননীয় বিত্ত মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই যি বাজেট উত্থাপন কৰিলে, এই বাজেট সকলো শ্ৰেণীৰ লোকৰে উপকৃত কৰিব পৰা এখন গনমুখী বাজেট। বিশেষকৈ এই বাজেটত এটা কথা উল্লেখ কৰা আছিল যে ব্যক্তি জীৱনৰ সততা। অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যেতিয়া কাৰ্য্যভাৰ লৈছিল এটা কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল দূৰ্নীতিমুক্ত অসম। অৰ্থাৎ এক নিকা আৰু সু-শাসন ব্যৱস্থা য'ত থাকিব শূন্য সহনশীলতা। অধ্যক্ষ মহোদয়, এইবাৰ বাজেটত আমি দেখা পালো যে কৰ বিহীন এখন বাজেট। য'ত কোনো ধৰনৰ কৰৰ বোজা নাইকীয়া আৰু কৰ প্ৰয়োগ কৰাৰ সলনি ইয়াত কৰ হ্ৰাস হোৱা দেখা গ'ল। য'ত আমি দেখা পাইছো যে যিদৰে ৰাজ্যচৰকাৰ খনে দুৰ্নীতি ৰোধ কৰাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে । পৰিবহণ খণ্ডৰ ব্যক্তিগত খণ্ডত ২০% ৰ পৰা ৩২% বিকাশ সম্ভৱ হৈছে ।

যাৰ কাৰণে নিজা উৎসত যি ৰাজহ বৃদ্ধি পাইছে সেয়া মুঠ ৰাজ্যিক উৎপাদনৰ ২০১৯-২০ বৰ্ষৰ ১২.৩৮% । মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যত ৰাজহ বৃদ্ধি পোৱাৰ ফলস্বৰূপে আজি বাজেটত বহুতো আঁচনি লোৱা হৈছে যেনে- দৰিদ্ৰ পৰিয়ালৰ বিজুলী-বাতি ৰেহাই, বিনামূলীয়া চাউলৰ যোগান, চাৰি কিলোকৈ চাহ বাগানত চেনীৰ ব্যৱস্থা ইত্যাদি । আজি দুৰ্নীতিৰ ক্ষেত্ৰত আপোচ নকৰাৰ ফলত ৰাজহ বৃদ্ধি পাইছে আৰু নিজৰ উৎসৰ পৰা এইধৰণৰ আঁচনি সমূহ ল'বলৈ সক্ষম হৈছে । ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আজি ৭২ বছৰ সম্পূৰ্ণ হ'ল । স্বাধীনতাৰ প্ৰাকক্ষণত অসম আছিল ভাৰতবৰ্ষৰ প্ৰথম পাঁচখন ৰাজ্যৰ ভিতৰত ধনী ৰাজ্য আৰু আজি আহি আহি অসমৰ যিটো অৱস্থা, সেই অৱস্থাৰ উন্নয়ন কৰাৰ কাৰণে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই হওঁক বা মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই হওঁক তেওঁলোকে যথেষ্টখিনি প্ৰচেষ্টা হাতত লৈছে । এখন দেশ বা ৰাজ্যৰ যেতিয়া উন্নতি কৰিবলৈ বিচৰা হয় তাৰ বাবে যাতায়ত ব্যৱস্থাৰ উন্নত হোৱা দৰকাৰ । এইক্ষেত্ৰত বিশেষকৈ যি পাঁচটা ৱে আছে যেনে- হাইৱে, ৰেলৱে, ৱাতাৱে, এয়াৰৱে এণ্ড ইনফৰমেশ্যনৱে । আজি আমি দেখিবলৈ পাইছো যে ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীদেৱৰ দিনৰ পৰাই আৰম্ভ কৰি এই বি জে পি চৰকাৰখনে ৰাস্তা বনোৱাৰ ক্ষেত্ৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছে । বৰ্তমানৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত আজি গড়কাপ্তানি মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সমগ্ৰ অসমতে হাইৱেই হওঁক বা ৰাজ্যিক পথেই হওঁক বা জিলাৰ মূল পথেই হওঁক যিধৰণে ৰাস্তাৰ উন্নতি কৰিছে ই এক আমূল পৰিবৰ্তন আনিছে । মই বিধায়ক হোৱা সময়ত এগৰাকী বৃদ্ধাই মোক কৈছিলে যে বোপা অন্য নহ'লেও মোক ৰাস্তা কেইটা বনাই দিবা কিয়নো মোৰ ঘৰত কোনো ধৰণৰ গাড়ী-মটৰ নাই, মই ৰিক্সাত অহা-যোৱা কৰিলে বৰ কষ্ট পাওঁ । কিন্তু অধ্যক্ষ মহোদয় আজি মই আপোনালোকক জনাবলৈ পাই সুখী যে এই চাৰিটা বছৰত প্ৰায় তিনিশতকৈ বেছি ৰাস্তা ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু মোৰ সমষ্টিত বহুকেইটা ৰাস্তাৰ নিৰ্মাণৰ কাম চলি আছে । অকল ৰাস্তাই নহয় আজি প্ৰায় এহেজাৰখন কাঠৰ দলং পকীকৰণৰ কাম আৰম্ভ হৈছে । এই দলং নিৰ্মাণ হওঁতে ৰাস্তাৰ লগতে নলাৰ ব্যৱস্থাও কৰা হৈছে । ইয়েই road connectivity ৰ ক্ষেত্ৰত আমূল পৰিবৰ্তন আনিছে । ৰেলৱেৰ ক্ষেত্ৰতো যোৱা সময়ছোৱাত অসমত ডাবল লাইনৰ লগতে নতুন নতুন ট্ৰেইনৰ ব্যৱস্থা; নতুনকৈ ৰেল ষ্টেচন আৰু ফ্লাই অভাৰৰ ব্যৱস্থা কৰা হৈছে । অধ্যক্ষ মহোদয়, এটা সময়ত নগাওঁত দূৰণিবতীয়া ৰেলৰ বহুত প্ৰয়োজনবোধ কৰিছিলে কিন্তু আজি মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে যোৱা সময়ছোৱাত নগাওঁৰ পৰা এখন কলিকতালৈ আৰু এখন চেন্নাইলৈ ৰেল ইতিমধ্যে আৰম্ভ হৈছে । অকল সেয়েই নহয় আজি সমগ্ৰ অসমতে ডাবল লাইনৰ পৰা আৰম্ভ কৰি যিধৰণে নতুন নতুন ৰেল আৰম্ভ হৈছে এইক্ষেত্ৰত ৰাইজে ৰেলৱেৰ ক্ষেত্ৰত সুফল লাভ কৰিছে । এয়াৰৱেৰ ক্ষেত্ৰত ইতিমধ্যে দেখিবলৈ পাইছো যে বিশেষকৈ যি আমাৰ নতুন এয়াৰপোৰ্টৰ কাম আৰম্ভ হৈ আছে ইয়াৰ বাবে প্ৰায় ১২৪৩ কোটি টকা ইতিমধ্যে অনুমোদন হৈছে । যাৰ ফলত খুব সম্ভৱ আৰু এটা বছৰৰ ভিতৰতে আমি নতুন এয়াৰপোৰ্ট দেখিবলৈ পাম । এই এয়াৰপোৰ্টৰ যোগেদি আগতে য'ত ৫০ খনকৈ Flight landing হৈছিল এতিয়া প্ৰায় ১২৫ খন Flight landing হয় আৰু বছৰি প্ৰায় ৬০ লাখ passenger অহা-যোৱা কৰে । আমি দেখিবলৈ পাইছো যে ৰূপচী Airport আৰু Green Field Airport বনোৱাৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, International ৰ উদাহৰণৰ যোগেদি আমাৰ যিবিলাক BBN Country আছে যেনে - ভূটান, বাংলাদেশ, ইণ্ডিয়া, নেপালৰ লগতে South East Asia ৰ প্ৰায় ৮০ কোটি মানুহক

সংলগ্ন কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু ব্যৱসায়িক সম্ভাৱনা বৃদ্ধি হোৱাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা আৰম্ভ কৰা হৈছে । ঠিক সেইদৰে Airway বা Waterway ৰ ক্ষেত্ৰতো আমি দেখিবলৈ পাইছো যে Highway ত কিলো হিচাপত এটা সামগ্ৰী যদি transport কৰিলে ১.৫০ টকা খৰছ হয় সেই সামগ্ৰীটো খৰছ Railway ত ১ টকা হয় আৰু Waterway ত খৰছ একেবাৰে কমি ৪০ পইচা হয়গৈ। ইতিমধ্যে দ্বিপাক্ষিক চুক্তিৰ যোগেদি সাগৰলৈ সংযোগ কৰিবৰ কাৰণে ধুবুৰীত পোৰ্টৰ পৰা সামগ্ৰী বাংলাদেশলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে আৰু সেইধৰণে Water-way ৰ যোগেদি বিভিন্ন ঠাইলৈ নিবৰ কাৰণে Ro-ro ৰ ব্যৱস্থা কৰা হৈছে। মাজুলী আৰু উত্তৰ গুৱাহাটীত এই Ro-ro জাহাজৰ দ্বাৰা ৰাইজ যথেষ্ট উপকৃত হৈছে। অধ্যক্ষ মহোদয়, অন্যতম আৰু এটা ৱে হৈছে Information way. Information Technology আজি ইমান বেছি আগুৱাই গৈছে যে আমাৰ নৱ প্ৰজন্মই Digital Technology ৰ জৰিয়তে আগবাঢ়িব পৰা হৈছো। ইতিমধ্যে আমাৰ গাওঁ পঞ্চায়ত সমূহতো network cabling ৰ ব্যৱস্থা কৰা হৈছে । ভাৰতবৰ্ষৰ মুম্বাই আৰু চীনত যিদৰে IT Gate দুখন আছে, যিদৰে অসমৰ কাৰণে Internet Service চেন্নাইৰ পৰা কলিকতা হৈ আহে, বৰ্তমানৰ International Gateway যিটো cox's bazar ৰ পৰা আগৰতলা হৈ অসমলৈ Internet সেৱা আহিবৰ কাৰণে HIT Hub বনোৱাৰ প্ৰচেষ্টা কৰা হৈছে যাৰফলত Internet speed টো বাঢ়িব যিটো আগতে চেন্নাইৰ পৰা অহা কাৰণে speed টো কম আছিল। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ যিখন বাজেট দিলে এইখন হৈছে এখন জনমুখী বাজেট। যিখন বাজেটক লৈ সমাজৰ প্ৰতিটো শ্ৰেণীৰ মানুহে আনন্দ পাইছে আৰু বিশেষকৈ এই বাজেটৰ যি অষ্টাদশ মুকুতাৰ উন্নয়নী মেলা য'ত ১৮ খন ধ্বজাবাহী আঁচনি। আমি যদি চাওঁ যে এখন এখনকৈ আঁচনি ৰাইজে যিদৰে আদৰি লৈছে, যোৱা ২০১৬ চনৰ পৰা এতিয়ালৈকে বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিদৰে ৫ খন পূৰ্ণাঙ্গ বাজেট দাখিল কৰিলে প্ৰতিখন বাজেটেই ৰাইজে আদৰি লৈছে। আৰু এইবাৰো ব্যতিক্ৰম নহয় । আমাৰ নুমলীগড় ৰিফাইনেৰী যি অসম চুক্তি আধাৰত হৈছিল এই ৰিফাইনেৰী লৈ আমাৰ প্ৰতিজন অসমৰ ৰাইজৰ অন্তৰত আছে । কালি আমি দেখা পাইছো যে নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ অসম চৰকাৰৰ অংশ ১২.৩৫ শতাংশৰ পৰা ইতিমধ্যে ২৬ শতাংশ বৃদ্ধি কৰা হৈছে । সেইধৰণে 'জ্যোতিষ্মান অসম' যি পৰিয়ালে ৩০ unit পৰ্য্যন্ত বিজুলী শক্তি ব্যৱহাৰ কৰিব তেওঁলোকৰ কাৰণে বিনামূলীয়া ব্যৱস্থা কৰা হৈছে। একেদৰে আমাৰ "কনকলতা আত্ম সহায়ক আঁচনি"ৰ দ্বাৰা আমাৰ মহিলা সকল উপকৃত হৈছিল। মহিলাসকলে ১০ জনীয়াকৈ group একোটা খুলি নিজৰ ভিত ৰতে ব্যৱসায় আদি কৰি আত্মনিৰ্ভৰশীল হৈছে আৰু সেইদৰে বৰ্তমান 'স্বামী বিবেকানন্দ যুৱ সৱলীকৰণ যোজনা', 'স্বয়ম' এই আঁচনিৰ যোগেদি আমাৰ ১০ জনীয়াকৈ আমাৰ যুৱক-যুৱতীৰ group বনাই আজি যুৱক-যুৱতী সকল স্বাৱলম্বী হ'বৰ কাৰণে এই আঁচনি প্ৰণয়ন কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে দেখা পাইছে যে সাধাৰণতে আমাৰ যি বৈবাহিক প্ৰথাত কন্যা দান কৰা হয়, সেই সময়ত এটা আবেগিক হয় আৰু সেই পিতৃ-মাতৃয়ে এই কন্যা সন্তান গৰাকীক বৈবাহিক সময়ত এটুকুৰা সোণ দিব বিচাৰে। গতিকে এই 'অৰুন্ধতী আঁচনি' ৰ জৰিয়তে এক তোলা সোণৰ কাৰণে ৩০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিছিল কিন্তু বৰ্তমান সোণৰ দাম বঢ়া কাৰণে ৩০ হাজাৰৰ ঠাইত ৪০ হাজাৰ টকা কৰা হৈছে। সেইটো আমাৰ কাৰণে খুব ভাল খবৰ। মাননীয় অধ্যক্ষ মহোদয়, যিধৰণে 'সংহত সামাজিক সুৰক্ষা আঁচনি'ৰ অধীনত 'ইন্দিৰা মিৰি সামাজিক বিধৱা pension', 'স্বহীদ কুশল কোঁৱৰ সাৰ্ব্বজনীন বৃদ্ধ pension আঁচনি' বৰ্ত্তমান অৱস্থাত আমি দেখিবলৈ পাইছো

যে, সাৰ্ব্বজনীনভাবে প্ৰতি গৰাকী বৃদ্ধ মানে ৬০ বছৰৰ উৰ্দ্ধত মহিলাই হওঁক বা পুৰুষেই হওক প্ৰতি গৰাকীৰ বাবে বৃদ্ধ পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। সেই কাৰনে অধ্যক্ষ মহোদয়, গম পোৱা গৈছে যে এইবাৰ বাজেটত বিবাহ বিচ্ছেদ হোৱা মহিলাসকলৰ বাবে “ আইদেউ সন্দিকৈ মহিলা সন্মান ” আঁচনি দিয়া হৈছে। এটাৰ পিছত এটা আঁচনি যিধৰণে দিয়া হৈছে সমাজৰ প্ৰতি শ্ৰেণী মানুহ ইয়াৰ পৰা উপকৃত হৈছে। অধ্যক্ষ মহোদয়, ‘ অসম মালা ’ বুলিও আমাৰ এটা প্ৰপোজেল আহিছে । এই ‘অসম মালা’ আঁচনিটোত ৫৭,৬১৭ কি.মি পথ সাঙুৰি লোৱা হৈছে। ঠিক তেনেধৰণে ‘অসম দৰ্শন ’ নামেৰে এটা আঁচনি লোৱা হৈছে। এই ‘অসম দৰ্শন’ আঁচনি এনে এটা অভিলাসী আঁচনি যে যিবোৰ আমাৰ পৰ্য্যটনস্থলী আছে, বা যিবিলাক ধৰ্মীয় অনুষ্ঠান আজি বহু বছৰ পুৰনি হৈছে , সেই অনুষ্ঠানবোৰৰ আন্তঃগাথনিৰ অভাৱ আছিলে , সেই অভাৱবোৰ পূৰণৰ বাবে প্ৰত্যেক ধৰ্মীয় অনুষ্ঠান বা তীৰ্থানুষ্ঠানতে ১০ লাখ টকাকৈ দিয়া হৈছে। আন্তগাঁথনি উন্নয়ণৰ বাবে এই ধৰণৰ প্ৰচেষ্টাই এইবাৰ বৰ্ত্তমান বাজেটত আমাৰ সকলো শ্ৰেণীৰ লোককে এক বিশ্বাসনীয় কৰিছে। অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ ক্ষেত্ৰতো বিশেষ আঁচনি লোৱা হৈছে। আমাৰ শিক্ষক আৰু শিক্ষানুষ্ঠানৰ প্ৰদেশীকিকৰণৰ সমস্যা আছিলে । যোৱাবাৰ আমাৰ Speaker Initiative টোত এই কথাটোৱে আমাৰ অগ্ৰাধিকাৰ পাইছিলে। অধ্যক্ষ মহোদয়, এইবাৰ প্ৰায় ৫৬৫১ খন শিক্ষানুষ্ঠানৰ বাবে ২০২৮ জন শিক্ষকৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। তাৰ কাৰণে প্ৰায় ৩৭২ কোটি টকা ব্যয় নিৰ্দ্ধাৰিণ কৰা হৈছে। অধ্যক্ষ মহোদয়, এইবাৰ যি বাজেট দিলে, এই বাজেটত আমি যদি চাওঁ এইবাৰ অষ্টাদশ মুকুতা মালাৰ সবাতোকৈ অভিলাষী আঁচনি হৈছে ‘ অৰুণোদয়’। এই আঁচনিৰ যোগেদি এটা পৰিয়ালে মুঠ ৮৩০ টকা প্ৰায় দৈনিক হাজিৰা পাব। ঔষধৰ কাৰণে ৪০০ টকা, মাহ জাতীয় শস্যৰ কাৰনে ২০০ টকা, চেণীৰ বাবদ ৮০ টকা আৰু ফল - মুল আৰু শাক-পাচলিৰ বাবদ প্ৰায় ১৫০ টকা সৰ্ব্বমুঠ ৮৩০ টকা। ১ বছৰৰ কাৰণে , প্ৰায় ১০ হাজাৰ টকা এক কালীন সাহাৰ্য্য প্ৰদান কৰিব। অধ্যক্ষ মহোদয়, এবছৰৰ বাবে ১০ হাজাৰ টকাৰে এই পৰিয়ালটোৱে তেওঁলোকৰ ঔষধে হওঁক বা শাক পাচলিয়ে হওঁক বা ফল মূল আদিকে ধৰি যিখিনি লাগিব , তেওলোকৰ সহায় হ’ব। আৰু এটা হ’ল যি ধৰনে আমি কৈ আছো যে অসমীয়া ভাষা লুপ্ত হৈ যাব বুলি , আজি প্ৰত্যেকজন অসমীয়াই চিন্তিত। এইবাৰ বাজেটত অসমীয়া ভাষাৰ ক্ষেত্ৰত যি ধৰনে দশম শ্ৰেণীলৈকে অসমীয়া ভাষা বাধ্যতামূলক কৰা হৈছে আৰু যি ধৰনে ভাষা গ্ৰোথ আঁচনিৰ যোগেদি ১০০০ জন শিক্ষকৰ কাৰণে আভিধান বা তেওলোকৰ নিজৰ নিজৰ চৰ্চাৰ বাবে কিতাপৰ যি প্ৰয়োজনীয়ত তাৰ বাবে ৫০ হাজাৰ টকা এককালীন সাহাৰ্য্য দিয়াৰ বাবে ব্যৱস্থা লৈছে। সেইটো আমাৰ কাৰণে এক গৌৰৱৰ কথা হৈছে। এই বাজেটতে ১০০০ গৰাকী ক্ৰীড়াবিদ, ১০০০ গৰাকী ভ্ৰাম্যমান থিয়েটাৰৰ ব্যক্তিলৈ, ১০০০ শিল্পীলৈ ৩০ হাজাৰ টকাককৈ এককালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহোদয়, খেলুৱৈয়ে হওঁক বা শিল্পীয়ে হওঁক এই এককালীন সাহাৰ্য্যটোৱে তেওঁলোকৰ মুখত হাঁহি বিৰিঙাইছে।

**মাননীয় অধ্যক্ষ. ঃ** বি জে পি বিধায়িনী দলৰ সময় আছে যদিও ক’বলগীয়া বহু কেইগৰাকী আছে। সেয়ে চুটিকৈ ক’ব। সকলোৱে সুযোগ পাব লাগিব।

**শ্ৰীৰূপক শৰ্মা, নগাও ঃ** মই আৰু বহলাই নকওঁ কিন্তু মোৰ নিজৰ সমষ্টিত মই দেখা পালো যে নগাওঁৰ কাৰনে এটা ভাল খবৰ আহিছে। তাৰ ভিতৰত আমি দেখা পালো ‘অসম মালা ’ আঁচনিত যি ধৰনে আমাৰ নগাও চহৰৰ পৰা আমাৰ গুৰুজনাৰ জন্মস্থান বটদ্ৰবালৈ যোৱাৰ যিটো ৰাস্তা আছিলে, সেইটো আগতে সম্পূৰ্ণ বেয়া আছিলে। সেইটো ৰাস্তাৰ দৈৰ্ঘ্য প্ৰায় ২৪ কি.মি , নগাওঁ

চহৰৰ পৰা বটদ্ৰবা হৈ ধিংলৈকে থকা পথচোৰাত প্ৰায় ১৪৪ কোটি টকা নিৰ্দ্ধাৰিণ কৰা হৈছে। আৰু এটা কথা হ'ল যিখন 'কলং ' নদী লৈ নগাওৰ ৰাইজে সদায় মাত মাতি আহিছে। ১৯৫৫ চনত যেতিয়া বানপানী হৈছিল তেতিয়া কলং নদীৰ মুখখন বন্ধ কৰি দিয়া হৈছিল। সেই 'কলং ' নদীখন পুনৰ বোৱাবৰ কাৰনে ১৩৫ কোটি টকা দিয়াৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। মই শেষত কওঁ যে এই বাজেটখন সমাজৰ সকলো শ্ৰেণীৰ বাবে উন্নয়ণমুখী বাজেট আৰু এইখন বাজেট অনাৰ বাবে মই আকৌ এবাৰ আমাৰ বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো ।

**মাননীয় অধ্যক্ষঃ**ক কংগ্ৰেছ বিধায়িনী দলৰ সময় প্ৰায় শেষ হৈছে । কিন্তু দুগৰাকী বিধায়ক এতিয়াও ক'বলৈ বাকী আছে। সেয়ে প্ৰথম বক্তা গৰাকীয়ে কনচাইচ কৰিব। মই ৯-১০ মিনিটহে দিব পাৰিম। এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়া।

**শ্ৰীৰকিবুল হুছেইন, চামগুৰি ঃ** অধ্যক্ষ মহোদয়, যোৱা ৬ মাৰ্চ তাৰিখে অসমৰ মাননীয় বিত্ত মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২০২০ আৰু ২০২১ চনৰ বাবে যি বাজেট সদনত দাখিল কৰিলে , সেই বাজেটত আমি বিৰোধী পক্ষ হিচাপে এটা গঠনমূলক পৰ্য্যালোচনা আপোনাৰ জৰিয়তে দাঙি ধৰিবলৈ বিচাৰিছো। যিহেতু সময় একেবাৰে কম। মই যিমানদুৰ পাৰো খৰকৈ আৰু একেবাৰে মুল কথাখিনিহে ক'ম। ইয়াৰ লগতে বাজেটৰ দুই এটা আনুসংঙ্গিক কথা ক'ম বুলি ভাবিছো। অধ্যক্ষ মহোদয়, আমি মানুহবোৰ সমাজ প্ৰিয় জীৱ। আমি নিজেই কওঁ যে আমি শ্ৰেষ্ঠ জীৱ। কিন্তু সকলো জীৱ জন্তুই মিটিঙ পাতি আমাক শ্ৰেষ্ঠ বুলি কোৱা নাই। আমি নিজে নিজকে শ্ৰেষ্ট বুলি কৈছো কিন্তু সেইটো এটা বেলেগ বিষয়।

অধ্যক্ষ মহোদয়, এখন সুস্থ- সবল সমাজ গঠন কৰিবলৈ হ'লে সমাজখনত সামগ্ৰিকভাবে সুস্থিৰ বিৰাজ কৰিব লাগিব। এই সুস্থিৰ সমাজ হ'বলৈ হ'লে তিনিটা কাৰণ বা তিনিটা কাৰক বা তিনিটা বিষয় অতি গুৰুত্বপূৰ্ণ। এই তিনিটা বিষয় হৈছে সামাজিক , অৰ্থনৈতিক আৰু ৰাজনৈতিক। এতিয়া আমিবোৰে সুক্ষ্মভাবে চাব লাগিব যে এই বাজেটখনত এই তিনিটা দিশ বিশেষকৈ - অসমখন সুস্থিৰে থাকিবলৈ হ'লে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত সুস্থিৰ হ'ব পৰাকৈ এই তিনিটা বিষয়ত গুৰুত্ব দিছে নে নাই? যিহেতু আপুনি একেবাৰে সময় বান্ধি দিছে। গতিকে মই প্ৰত্যেক্ষভাৱে বিষয়বস্তুৰ ওপৰত আহিব বিচাৰিছো। এতিয়া আলোচনা কৰিবলৈ যাওঁতে হঠাৎ মোৰ মনত পৰিল যোৱা চৰকাৰ খনৰ কথা। অৰ্থাৎ তৰুন গগৈ নেতৃত্বাধীন চৰকাৰখনৰ কথা । সেই বাজেটখন মই লৈ আহিছো, ইয়াৰ লগতে আজিৰ বাজেটৰ লগত হুবহু কিছু কিছু কথা একেবাৰেই একেই লাগিব। আমি কংগ্ৰেছৰ চৰকাৰৰ শেষৰ যিখন বাজেট আছিল । তাত আমি প্ৰায় অসমৰ ১২৬ টা সমষ্টিত ২০-২৫ হাজাৰ লোকক individual Benefit দিছো। ব্যক্তিগতভাবে ৰাইজৰ সহায় হ'ব পৰাকৈ বিভিন্ন অনুদান দিছিলো। উদাহৰণস্বৰূপে, ১২৬ টা সমষ্টিৰ ১০০০ ডেকা লৰাক ২৫০০০ টকাকৈ দিছিলো। আত্মসহায়ক গোটসমূহৰ মহিলা সকলে অনুদান পাইছিল । সেই সকলৰ বাহিৰেও ৫,০০০- ১০,০০০ টকাকৈ আমি দিছিলো। তাৰ ওপৰিও ৰাজ মিস্ত্ৰি , কাঠ মিস্ত্ৰি ৫০০ গৰাকীক ৫০০০ টকাকৈ দিছিলো। প্ৰতিটো সমষ্টিৰ ১০,০০০ শিপিনীক সুতা দিয়া হৈছিল। ১০,০০০ লোকক আমি কম্বল দিছিলো। ৩ টকাকৈ পোৱা চাউল আমি ২ টকা দৰত দিছিলো। 'মামনি' আঁচনিৰ জৰিয়তে মহিলাসকলক সহায় কৰিছিলো। তেনেদৰে ' মাজনী- নবৌ ' আঁচনিৰ জৰিয়তেও মহিলা সকল উপকৃত হৈছিল। চাহ জনগোষ্ঠীক বিভিন্ন আৰ্চনি দিছিলো। প্ৰতিটো সমষ্টিৰ ৫০০০ কৃষকক আমি ২৫ হাজাৰকৈ টকাকৈ ব্যক্তিগত অনুদান দি আমি ভাবিছিলো ৰাইজে আমাকে ভোট দিব আৰু আমাৰেই চৰকাৰ হ'ব। মাজনী আঁচনিৰ

জৰিয়তে আমি সহায় কৰিছিলো, নবৌ আঁচনিৰ জৰিয়তে সহায় কৰিছিলো, চাহ জনজাতিক বিভিন্ন আঁচনি দি আমি সহায় কৰিছিলো, কৃষক সকলক ৫ হাজাৰ টকাকৈ দি মুঠ প্ৰতিটো সমষ্টিত প্ৰায় ২৫ হাজাৰ লোকক এনেকুৱা ব্যক্তিগত অনুদান দি আমি ভাৱিছিলো, যে ইমান অনুদান দিছো প্ৰত্যেকটো সমষ্টিত ৰাইজে আমাকে ভোট দিব আকৌ আমাৰ চৰকাৰ হ'ব। কিন্তু যেতিয়া বাকচ খোলা গ'ল তেতিয়া দেখা গ'ল যে আমাক ৰাইজে নাকচ কৰিলে। কাৰণ এখন কল্যাণকামী ৰাষ্ট্ৰ বা ৰাজ্য এই ধৰণৰ অনুদান বিলাকক ৰাইজে ভাৱে যে আমাৰ প্ৰাপ্য। কাৰণ ৰাইজে কৰ দিয়ে সেই কৰৰ ১০ টকাৰ পৰা দুটকা পোৱাটো ৰাইজে ভাৱে যে এইটো আমাৰ প্ৰাপ্য, এখন দায়িত্বশীল চৰকাৰৰ সেইটো কৰ্ত্তব্য। সেইটো চৰকাৰৰ সফলতাৰ মাফকাঠি হ'ব নোৱাৰে। আমিও সেইটো ভাবিছিলো কাৰণে আমাক ৰাইজে প্ৰত্যখ্যান কৰিলে। সেয়েহে আমি এই চৰকাৰ খনক অনুৰোধ কৰিম যে আপোনালোকে বিভিন্ন ধৰণৰ আঁচনি দিছে এই ধৰণে, বিভন্ন ধৰণৰে আগৰ বক্তা সকলে কৈ গৈছে মই একেইখিনি কথাকে দোহাৰিব বিচৰা নাই। ৰাইজে আপোনালোকক ক'ত বেয়া পাইছে সেই কথাখিনি অলপ বোধ কৰিলে ভাল হয়। বাজেটত সেই কথাখিনি অকমান প্ৰতিফলিত হলে ভাল আছিল। অধ্যক্ষ মহোদয়, আমি আপোনাৰ জৰিয়তে চৰকাৰক ক'ব খুজিছো যে চৰকাৰ আপোনালোকক ৰাইজে বেয়া পোৱাৰ কাৰণ বেলেগ। ৰাইজে বেয়া পোৱাকৈ আপোনালোকে নাগৰিকত্ব সংশোধনী আইন খন আনিছে, সেই কাৰণে ৰাইজে আপোনালোকক বেয়া পাইছে। আপোনালোকে এইবিলাক আঁচনি দিয়ক, লগতে আপোনালোকে 'কা' খন বাতিল কৰক, 'কা' খন আপোনালোকে বাতিল কৰক। এই কথাখিনি কবলৈ যাওতে ৫ জন যুৱকক হত্যা কৰা হ'ল, চৰকাৰ এই হত্যা কৰা লোক সকলৰ ঘৰলৈ গৈ এবাৰ খৰৰ লওঁক, এই সকলৰ অসহায়হীন মুখ বিলাক এবাৰ চাওঁক, সেই পৰিয়ালে অসহায় হিচাপে চাই আছে। এই লোক সকলক যদি কোনোবাই কৰিব নলগাকে হত্যা কৰিছে সেই লোক সকলক বিচাৰ কৰক, বহু লোকক আপোনালোকে ফাটেকত নিছে, ৰঙা ঘৰত নিছে, বহুতে কয় প্ৰতিশোধ লৈছে, এই লোক সকলক আপোনালোকে যদি সচাঁকৈ মাৰিব নালাগিছিল, যদি কোনোবাই মাৰিছে তেতিয়াহলে এই লোক সকলক আপোনালোকে বিচাৰ কৰক, ন্যায় দিয়ক, সেই মৃতক জনেও ভাল পাব, ৰাইজেও আপোনালোকক ভাল পাব। এই কল্যাণকামি ৰাষ্ট্ৰৰ যি কথা বতৰা সেইবিলাকো Address কৰা হ'ব নহলে ৰাইজে ভাবিব যে চৰকাৰে আমাক underestimate কৰিছে, উপলুঙা কৰিছে, দমন নীতিৰে ৰাইজৰ ক্ষোভ মখিমূৰ কৰিব বিচাৰিছে। আপোনালোকৰ সকলোৰে নহয়, কিছুমানৰ কিন্তু অলপ অহংকাৰ হৈছে, সেই অহংকাৰ বিলাক অলপ নাইকীয়া কৰি দিলে, মই টিপ্ছ দিছো কাৰণ আমি তাত বহি থাকোতে সেইবিলাক কথাত মনকান নিদিলো। আমাৰ পাটোৱাৰী ডাঙৰীয়াই তেতিয়া ইয়াত থাকি কিমান কথা কলে তেতিয়া সেইখিনি কথা শুনাহেতেন কিজানী আমাৰ ইয়াত থকা অৱস্থা নহ'ল হেতেন। অনুগ্ৰহ কৰি এই কথাখিনি অকমান Address কৰাৰ কাৰণে আপোনালোকে চিন্তা কৰক। চৰকাৰ খনে অকমান মাটিত নামক অধ্যক্ষ মহোদয়, উৰা জাহাজত উঠাটো অলপ বন্ধ কৰক। উৰা জাহাজত ৩ কি.মিটাৰ মান ৰাস্তাও যোৱা বুলি পেপাৰত লিখিছে, আমি নাজানো। এই কথা বিলাক বিৰাত কিন্তু ৰাইজৰ পঞ্জীভূত ক্ষোভ। এই পঞ্জীভূত ক্ষোভে যেতিয়া ভূতৰ আকাৰ ল'ব যি উৰ্দ্দেশ্যে আপোনালোকে এই বাজেট খন কৰিছে সেই কথা কিন্তু সফল নহ'ব। ৰাইজে বিচাৰিছে কমলা, আপোনালোকে দিছে বেঙেনা। অন্তত কমলা দিব নোৱাৰে কমলা সদৃশ আজি কালি যে ওলাইছে ইনো সেইটো দিয়ক। তেতিয়াতো আপোনালোকক মানুহে ভাল পাব। ৰাইজে বাজেট সমূহক বিশ্বাস নকৰা হৈছে। ইয়াৰ কাৰণ কেইবাটাও। ২০১৬ চন কংগ্ৰেছ চৰকাৰৰ পতন বিজেপি চৰকাৰৰ

গঠন। গোটেই অসমত এক হূলস্থূল, টি ভি, কাকত, মানুহৰ মুখত যে তৰুন গগৈ চৰকাৰ খনে অসমক ধাৰুৱা কৰি থৈ গ'ল। ৯৯৯৯.০০ টকা প্ৰতিজন লোকক ঋণ কৰি থৈ গ'ল আৰু একেখন চৰকাৰে এবছৰ পিছত আমাৰ এজন বিধায়কৰ প্ৰশ্নউত্তৰত কয় যে আগৰ চৰকাৰ খনে ১০০৫৫ কোটি টকা জমা থৈ গ'ল। ঠিক আছে জমা থৈছে নথৈছে সেইটো বিতৰ্কৰ বিষয়। কথা আছিল যে আগৰ চৰকাৰ খনে ঋণ লৈ ঋণৰ বোজা, জনমুৰি ঋণ, জনমুৰিৰ কথাখিনি আমি ভালকৈ বুজি নাপাও, প্ৰত্যেকজন মানুহৰ ওপৰত ঋণ ১০০০০ কোটি টকা দিলে। মই কেৱল সুধিব বিচাৰিছো অধ্যক্ষ মহোদয়, কাৰণ এই বাজেটত তেনেকুৱা ধৰণৰ ৰিফ্লেকচন নাই। এই চৰকাৰ খনে এই যে অনুদান বোৰ দিব সেইবোৰ নিজৰ উপাৰ্জনৰ পৰা নেকি? যদি উপাৰ্জনৰ পৰা দিয়ে তেতিয়াহলেটো ভাল। ৰাইজৰ কৰৰ ১০ টকা লৈ এক টকা দিব নে কাৰোবাৰ পৰা ঋণ ল'ব। ঋণ লৈছে যদি সেই কথাখিনি ৰাইজক জনাওক। আৰম্ভণিতে কিন্তু আপোনালোকে ঋণ নোলোৱা এখন চৰকাৰ বুলি আমাক থকা সৰকা কৰিছিল। বিগত দিনত আপোনালোকে আমাক বিভিন্ন ধৰণৰ সমলোচনা কৰিছে, এতিয়া আমি জানিব বিচাৰিছো যে আপোনালোকে যে উপাৰ্জন কৰিছে, উপাৰ্জন কৰি বাজেটত লিখিছে যে মাত্ৰ ৭ মাহে দৰমহা দিব পৰা আমাৰ ৰাজ্যৰ উপাৰ্জন। বিগত দিনৰ এই যে ৰাস্তাঘাট আপোনালোকে কৰা ৰাস্তাঘাট, আমাৰ দিনৰ নহয়। এই ফিল্মফেয়াৰ এৱাৰ্ড যে পাতিলে বিপাশা বসুক যে আপোনালোকে চাৰ্টাৰ প্লেন দি যে লৈ আনিলে, কেটৰিণা কাইফক যে আপোনালোকে মাননী দিলে, দিল্লীলৈও যে আপোনালোকে হেলিকপ্টাৰ, চাৰ্টাৰ প্লেন লৈ গ'ল, এই তিনি কি.মিটাৰ ৰাস্তাও যে আপোনালোকে চাৰ্টৰ প্লেন লৈ গ'ল এই টকা বিলাক ৰাইজে দিয়া কৰ নে আপোনালোকৰ নিজৰ উপাৰ্জন, নে কাৰোবাৰ পৰা লোৱা ধাৰ? উত্তৰত এই কথাখিনি অলপ পৰিস্কাৰ হলে আমি ভাল পাম। অধ্যক্ষ মহোদয়, কোনোবা কোনোবা চকু চৰহা ব্যক্তিয়ে আকৌ কাকতত লিখিছে আমি বিশ্বাস কৰা নাই। এই চৰকাৰ খনে বোলে জনমুৰী ঋণ এজন এজনৰ ওপৰত ২২ হাজাৰ ২৫ হাজাৰ কৈ দিছে। এই কথাটো সত্যনে অসত্য অকনমান ৰিফ্লেকচন যদি থাকে তেতিয়া আমি ৰাইজে বুজিবলৈ ভাল হ'ব। এই খন পঞ্চমখন বাজেট বুলি আপোনালোকে কৈছে। সময় নাই অধ্যক্ষ মহোদয়, মোৰ তাত ৪ খন বাজেট আছে। চাৰিখন বাজেটত আপোনালোকে যিবিলাক কথা কৈছিল, বিভিন্ন ধৰণৰ কৈ কৈছিল যে এইখন বাজেট নহয় এখন ধৰ্মপুথি। সেই পুথি খনৰ কথাবিলাক কাৰ্যত পৰিণত কৰিলেনে নাই? ৰাইজে সুধিছে যে আগৰ বাকী বিলাক আমাক কেতিয়া দিব? বাকী মানে ফাকী নেকি? নহলে আকৌ ৰাইজে হালখাতা পাতি আপোনালোকক মাতিব লাগিব নেকি? হালখাতা পাতি যে কয় আগৰ বাকী বিলাক দিয়ক। আপোনালোকে কৈছিল কেন্দ্ৰীয় চৰকাৰে কৈছিল, ইয়াত কেন্দ্ৰীয় চৰকাৰৰ কথাও আছে কাৰণে বাজেট খনত মই আপোনালোকক কব বিচাৰিছো। আমাক একেইবাৰে থকাসৰকা কৰি দিছিল, আমাক কৈছিল যে কংগ্ৰেছৰ দিনত কেনেকৈ মহিলা সকল পাকঘৰত থাকিব। এটা এটা ৰন্ধন গেছৰ দাম ৩৪৫.০০ টকা কৰি দিলে, আমাক দিয়ক আমি পৰিবৰ্তন কৰি ১৬০.০০ টকা কৰি দিম। ১৬০.০০ টকা কৰিলে নেকি ৰাইজে অকমান সুধিব বিচাৰিছে। এক হাজাৰ টকা ৰন্ধন গেছৰ এটাৰ দাম কৰিলে। আকৌ স্কুতিৰ কথা দিছে, চাওঁকচোন ইয়াত। আকৌ স্কুতিৰ কথা দিছে, এই স্কুতিৰ কথা কৈ কৈ ক্ষমতালৈ আহিলে। যে কংগ্ৰেছে কি দিছে? অষ্টম, নৱম শ্ৰেণীৰ ছোৱালীক স্কুতি দিছে, আমাক ভোট দিয়ক আমাৰ চৰকাৰ হ'ব। যি সকলে চাইকেল পাইছিল আমি স্কুতি দিম। এতিয়া ৰাইজৰ কথা হ'ল যে আগৰ বাজেটৰ ইলেকচনৰ সময়ৰ কথাবতৰা বিলাকৰ সেই স্কুতি দিলেনে নাই? বাকী বিলাক দি লওঁকচোন। মই মোৰ সমষ্টিলৈ যাওতে দেখিছো এদিন আমাৰ কংগ্ৰেছৰ মহিলা সকলে মোক দেখি মুখ খন

ঘুৰাই চিধাই বেংকলৈ গৈ আছে। কিয় বেংকলৈ গৈছে? যে নতুন এটা আঁচনি আহিছে প্ৰধান মন্ত্ৰী ধনজন আঁচনি। একাউন্ট খোলক ১ লাখ টকা লওঁক । এতিয়া ৰাইজৰ প্ৰশ্ন যে সেই ১ লাখ টকা মহিলা সকলে পাইছে নে নাই ? এই কথা বিলাক এড্ৰেছ কৰিব লাগিব। এই কথাবিলাক সামাজিক স্থিৰতাৰ লগত কথা আছে। 1st Division pass কৰা ল'ৰা ছোৱালীক আমি Computer, laptop, ৫০ শতাংশ পোৱা সকলক tablet দিয়া হৈছিল । বহু খেতিয়কৰ ল'ৰা, বহু সৰু সৰু ব্যৱসায়ৰ ল'ৰা, যি সকলে নিজৰ ল'ৰা-ছোৱালীক computer দিব নোৱাৰে, সেই সকলে computer পাইছিল। আজি আপোনালোকৰ চৰকাৰ খনে 1st Division pass কৰা ল'ৰা ছোৱালীক computer টো কাটি দিলে । সেই computer টো আকৌ দিব পাৰে নেকি ? আপোনালোকে চাওঁকচোন দিব পাৰিলে ভাল । ২ কোটিকৈ চাকৰি, আকৌ ইয়াত কলে ২৫ লাখকৈ ইয়াত । হিচাপ কৰিলে ইয়াক ৫বছৰত ১০ কোটি । এতিয়া ইয়াত দিছে ১১ কোটি চাকৰিৰ ঠাইত ৫০ হাজাৰ চাকৰি, ৰাইজে নুশুনিব নেকি ? সেই কাৰণে আমি কৈছো, যি সকলক আপোনালোকে চাকৰি দিয়ে সকলো আপোনালোকৰক ফালে থাকক । যি সকলে চাকৰি নাপায় আমাৰ ফালে থাকক । হিচাপ নিকাচ হৈ গ'ল । কথা বিলাকটো সেইটোৱে, আপোনালোকে কৈছিলে আমি কোৱা নাই । ইয়াত কৈছে twin tower বনালো আমি । বনাম বুলি কৈছিলে। ২৬ হাজাৰ গাওঁক ২৬ হাজাৰ কোটি দিম বুলি কলে । কিমান দিলে এতিয়া । ৰাইজৰ প্ৰশ্ন? বিয়া নোহোৱা ছোৱালীৰ কিমান আনন্দ, এক তোলাকৈ সোণ পাব । যোৱাবাৰ কৈছিলে নহয়, আকৌ দিছে । যোৱাবৰৰ বাকী বিলাক কেতিয়া দিব । এতিয়া যিখন বাজেট দিছে, কেতিয়াৰ পৰা ৰূপায়ণ কৰিব । ঠিক ইলেকচনৰ আগে আগে নেকি ? ইলেকচনৰ আগে আগে কৰিলেটো ইমান টকাৰ প্ৰয়োজন নাই । ২, ৩ মাহৰ পইচাহে লাগিব । যোৱা বাজেটত আপোনালোকে অকমান দি কৈছে যে কথা দি কথা ৰাখিলো । এইমাত্ৰ মই চালো table-5.1, state own tax revenue ইয়াত sale tax দেখুৱাইছে ২০১৪-১৫ ত ৭৩৫১ কোটি টকা আৰু আপোনালোকৰ দিল্লীত হৈছে ৪৬৯৯ কোটি টকা আৰু দেখুৱাইছে -৪.৬৮ হৈছে। আপোনালোকৰ বাঢ়িছে কিন্তু ক'ত বাঢিছে যে state excise ত ২০১৪-১৫ ত ৬৬৫ কোটি টকা কৰিছিল কংগ্ৰেছ চৰকাৰে আৰু এতিয়াৰ চৰকাৰে ১৪০০ কোটি টকা কৰিলে । মদ খোৱা মানুহ বাঢ়িলে । কাৰণ আপোনালোকে ৰাতিপুৱা ই মদৰ দোকান খুলি দিছে । আগতে ৰাতিপুৱা মদৰ দোকান খুলি দিয়া নাছিল । আমি state ত মদৰ পইছা আনিছো কিন্তু আমি মদৰ পইছা এনেকৈ আনিব বিচৰা নাছিলো । অধ্যক্ষ মহোদয়, MLA Fund টো MLA ৰ নহয়। MLA Fund টো হ'ল সেই সমষ্টিটোৰ উন্নয়ণৰ বাবেহে । মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে আমি নামঘৰটো দিছো, মঠ-মন্দিৰতো দিছো, আৰু ৰাজহুৱা অনুস্থানটো দিছো । আমি আগতে দেখিছো যে মোৰ দিনত ধৰিলওক মই বিধায়ক আছিলো, মোৰ দিনত যদি মই খৰচ কৰিব নোৱাৰিলো এইটো non lapsable fund আকৌ পিছৰ জন MLA সেইটো কৰে। এতিয়া আকৌ আমাৰ MLA Fund টোকে লৈ আনিব বিচাৰিছে । পইছাৰ আকাল হৈছে নেকি অলপ । MLA Fund টোক লগা হৈছে নেকি ফিল্ম ফেয়াৰ এৱাৰ্ড পাতিবলৈ । এইটো আনিব নালাগিছিল । নহলে নামঘৰটো আধা হৈ থাকিব কিমান আধৰুৱা মঠ-মন্দিৰ দেখা পোৱা যাব । গোটেই খন হাহাকাৰ হ'ব, আন্তঃগাঠনি নাই, এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হ'ব । সেই কাৰণে অধ্যক্ষ মহোদয় আমি এই কথাখিনি আপোনালোকৰ জৰিয়তে ক'ব খুজিছো যে চৰকাৰে এই MLA Fund টো চৰকাৰী বিষয়া সকলে খৰচ কৰা টকা নহয় সেই ১২৬ টা সমষ্টিৰ উন্নয়নৰ টকা। গতিকে এই কথা বিলাক পঢ়িব আৰু গোটেই বিলাক address কৰে

মানুহে ভাল পাব । provincialization কৰিব খুজিছে আমি সেইটো আদৰণি জনাইছো আৰু pre- senior Madrasa আৰু Madrasa ৰ এটা নতুন আধুনিকৰণ কৰিম বুলি কৈছে কিন্তু provincialization ত pre- senior Madrasa আৰু Madrasa ৰ নাম নাই, এইখিনি চাবলৈ অনুৰোধ জনালো ।ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত দিলিপ পাল ।

**শ্রীদিলীপ কুমার পাল (শিলচর)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২০-২১ অর্থ বর্ষের বাজেটের বিষয়ে আলোচনা করার সুযোগ করে দেওয়ার জন্য আপনাকে অসংখ্য ধন্যবাদ জানাচ্ছি। স্যার আমি আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রী ও মাননীয় বিত্ত মন্ত্রীকে অসংখ্য ধন্যবাদ জানাই। এই ধরণের একটি সর্ব ব্যাপী ও সর্বস্পর্শী বাজেট পেশ করার জন্য। অসমের সমস্থ মানুষের হৃদয় স্পর্শ করে গিয়েছে এই বাজেট। কিছু কিছু মানুষ হয়তো ব্যতিক্রমী স্বাভাবিক, কথা হচ্ছে স্যার ছিদ্রান্বেষীর অভাব নেই। আগেও ছিল, এখনও থাকবে,। আগামীতেও থাকবে, ছিদ্রান্বেষীরা ছিদ্র অন্বেষণ করবেন। এই ধরণের বাজেট প্রস্তুত করতে ও পেশ করতে হলে ৫৬ ইঞ্চির প্রয়োজন। শুনতে গেলেও ধৈর্য্য আর সাহসের দরকার। অনেকেরেই এই সাহস ও ধৈর্য্য নেই। হতাশাগ্রস্তরা স্বাভাবিক ভাবেই নানা ভাবে তাদের হতাশা ব্যক্ত করবেন।

মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটের সবথেকে বড় দিক হচ্ছে যে ১ লক্ষ ৫ হাজার কোটি টাকার বাজেট। সবথেকে গুরুত্ব দেওয়া হয়েছে শিক্ষাক্ষেত্রে। সেটা অত্যন্ত আনন্দের বিষয়। প্রায় ১৬ শতাংশ অর্থ বরাদ্দ হয়েছে শিক্ষা খণ্ডে। আমাদের সরকারি বিদ্যালয় গুলির কি অবস্থা ছিল গত পাঁচ বা সাত বছর আগে সেটা আমরা জানি সবাই। এই সরকার আসার পর সেই বিদ্যালয়গুলো গুণোৎসবের মাধ্যমে আমরা সমস্থ ডাটা তৈরী করতে পেরেছি এবং সেই হিসাবে কাজ চলছে। আজ infrastructure তৈরী করার জন্য এই বাজেটে ৯৮০ কোটি টাকা অসমের বিভিন্ন বিদ্যালয়ের জন্য বরাদ্দ করা হয়েছে। সেটা আগে কখনও আমরা কল্পনা করিনি। শুধু তাই নয় ২০০ টি প্রাথমিক বিদ্যালয় বিল্ডিং এর জন্য ২৫ লক্ষ টাকা করে বরাদ্দ করা হয়েছে। আমি ভাবি যে আরও বেশি করা প্রয়োজন।

অধ্যক্ষ মহোদয়, এই বাজেটে কোনো টেক্স বসানো হয়নি। এটা অত্যন্ত লক্ষণীয় বিষয় কোনো টেক্স ধার্য্য করা হয়নি। তার পরিবর্তে কমানো হলো। ৫০ পয়সা করে জ্বালানীতে, ডিজেল, পেট্রোলে কমানো হলো। এগ্রিকালচারে ইনকাম টেক্স তিন বছরের জন্য বাতিল করে দেওয়া হল। দিব্যাঙ্গ ভাই বোনদের জন্য সু-খবর, জমি বাড়ী কিনলে রেজিস্ট্রেশন ফিস মুকোব করে দেওয়া হল। এটা ভালো লক্ষণ। বিদ্যালয় গুলোর প্রাদেশীকিকরণ সেটা আমাদের দীর্ঘদিনের সমস্যা। সরকারকে ধন্যবাদ জানাবো একটা সুনির্দ্দিষ্ট নীতি প্রণয়ন করার চিন্তা ভাবনা করার জন্য। সেটা বাজেটের মাধ্যমে আমরা জানতে পেরেছি। ৫৬৫১ টি শিক্ষা প্রতিষ্ঠান এবং প্রায় ২০ হাজার শিক্ষক-শিক্ষিকা যারা এতদিন প্রায় বিনা পয়সায় চাকুরী করেছেন। অনেকে বিনা বেতনে অবসর গ্রহণ করেছেন। তাদের মুখে হাঁসি ফুটবে। সেটা যত তাড়াতাড়ি সম্ভব করা উচিত বলে আমি মনে করি।

মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটে আরও একটি ভালো প্রস্তাব গ্রহণ করা হয়েছে, সেটা হল সেনিটারি নেপকিনের। যেটা গত বছরেও ছিল কিন্তু কোন কারণে ইমপ্লিমেন্ট করা হয়নি। আমাদের সরকারি বিদ্যালয়ে যখন আমাদের কন্যারা আসে সাধারণ পরিবার থেকে, তাদের সেটার বিশেষ প্রয়োজন। কিন্তু তার থেকে বেশী প্রয়োজন আমি আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রী

ও মাননীয় শিক্ষা মন্ত্রীকে বলতে চাই প্রতিটি বালিকা বিদ্যালয়ে মেনুষ্ট্রেশন রুম একটা প্রয়োজন। শিলচর সরকারি গার্লস উচ্চ-মাধ্যমিক বিদ্যালয়ে আমরা মেনুষ্ট্রেশনের একটি রুম বানিয়ে দিয়েছি, একটা এন জি ও এর সহায়তায়। সেভাবে প্রতিটি বিদ্যালয়ে এধরণের একটা রুম রাখলে আমাদের রিতুমতি কন্যা সন্তানদের লাভ হবে।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক বদলির ক্ষেত্রে অতীতে কি হয়েছিল সেটা আমরা জানি। কিন্তু সরকার একটা সুনির্দ্দিষ্ট আইন এনেছেন এবং আশা করব আগামী দিনে এর মাধ্যমে বিশেষ করে টেটে পাশ করা যারা আমাদের কম বয়সি মহিলা শিক্ষিকা আছেন তারা খুব অসুবিধায় আছেন। সারা অসমে এই সমস্যা আছে। প্রত্যন্ত অঞ্চলে দূর-দূরান্তে তাদেরকে পোষ্টিং করা হয়েছে। খুব অসুবিধার মাধ্যমে তারা চাকরি করছেন। সুরক্ষার অভাব, বিশেষ করে একটি বিশেষ সম্প্রদায়ের অধ্যুষিত অঞ্চলে মহিলারা অসুরক্ষিত ভাবে আছেন। অনেকে চাকরি ছেড়ে দিতে বাধ্য হয়েছেন। অতএব টেটের মাধ্যমে যে সমস্থ মহিলাদের দূর দূরান্তে পোষ্টিং দেওয়া হয়েছে তাদেরকে restoration মাধ্যমে ঘরের কাছে আনার জন্য আমি অনুরোধ করছি।

মাননীয় অধ্যক্ষ মহোদয়, রাস্তা-ঘাটের ক্ষেত্রে কি পরিবর্তন হয়েছে বা কি হয়নি সেটা সারা অসমবাসী জানেন। একটা আমূল পরিবর্তন হয়েছে সমস্থ অসমে। গত চার বছরে ১৪ হাজার কিলোমিটার পথ নির্মান হয়েছে সমস্থ অসমে। এবারের বাজেটে আমরা দেখেছি অসমমালায় ৩১ টি পথ নির্মাণ হবে। চার পাচঁটি পথের কাজ শুরু হয়ে গিয়েছে। যে যতই সন্দেহ করুক না কেন? ছিদ্রান্বেশন করতেই পারেন, কিন্তু কাজ হচ্ছে এবং হবে। আমদের এস ও পি ডি সিগনেচার প্রজেক্টের কাজ শুরু হয়ে গিয়েছে অনেক জায়গায়। ১২৬০ কিলোমিটার রাস্তা হবে। ১২৬০ কোটি টাকা বরাদ্দ হবে। বরাকে অসমমালার তিনটি রাস্তার অনুমোদন পেয়েছে। তার জন্য মাননীয় মুখ্যমন্ত্রীকে ও বিত্ত মন্ত্রীকে ধন্যবাদ জানাই। বরাকে দুটি নতুন কলেজ ও একটি পলিটেকনিক দিয়েছেন তার জন্য ধন্যবাদ জানাই। কাজ গুলো তাড়াতাড়ি শুরু হবে বলে আমি বিশ্বাস রাখি। মাননীয় অধ্যক্ষ মহোদয়, এখানে একটি ছোট্ট কথা বলছি, আপনাদের সকলের জ্ঞাতার্থে। ২০১৪ সালের উপনির্বাচনে জনগণের আর্শীবাদ পেয়ে আমি প্রথমবারের মতো এই পবিত্র সদনে প্রবেশ করেছিলাম। ১৬/ ১৭ মাস ছিলাম এবং সেই সময়ে তদানীন্তন সরকার মাননীয় মুখ্যমন্ত্রী তরুণ গগৈর নেতৃত্বে সরকার চলছিল। আমাকে এই সতেরো মাসে শিলচর বিধান সভা কেন্দ্রের বিধায়ক হিসাবে পি ডব্লু থেকে ৫০ লক্ষ টাকা বরাদ্দ করেছিলেন। দেড় বছরে ৫০ লক্ষ টাকা পেয়েছিলাম। আর এইবার আমাদের এই সরকার আসার পর মাননীয় মুখ্যমন্ত্রী ও মাননীয় অর্থমন্ত্রীর সৌজন্যে চার বছরে একশো বাহান্ন কোটি টাকা পেয়েছি শিলচরে, শুধু শিলচর নয়, সমস্ত জায়গাতে এরকম হয়েছে। কাজ হয়ে গিয়েছে কিছু, কিছু চলছে, বা কিছু হচ্ছে। কোথায় ৫০ লক্ষ টাকা দেড় বছরে আর কোথায় একশো বাহান্ন কোটি টাকা চার বছরে। এটাই হচ্ছে Government with difference.

মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য ক্ষেত্রে আমূল পরিবর্তন হয়েছে। আমাদের বরাক ভেলিতে অনেক সমস্যা আছে আমরা জানি আর এই সমস্যা আমরা উত্তরাধিকার সূত্রে পেয়েছি। কিন্তু আমরা ভয় পাই না, আমরা এগিয়ে যাচ্ছি এবং যাবও। বরাকের মেডিক্যাল কলেজ ওভার বার্ডেন ৫০০ বেডের একটি হাসপাতালের নতুন বিল্ডিং বানানোর জন্য আমি মাননীয় স্বাস্থ্য মন্ত্রীকে অনুরোধ করবো। আমাদের শিলচর মেডিক্যাল কলেজে নিউরোলজি ও কার্ডিওলোজি বিভাগ নাই। আমরা আরো একটি ঘোষণা দেখেছি যে পি পি মডেলে এই দুটি বিভাগ হবে। আমি তাঁকে

অনুরোধ করবো শিলচরে বিশাল একটি হাসপাতাল জীবনজ্যোতি হাসপাতাল তৈরী হওয়ার পথে। সেই হাসপাতালের সঙ্গে আলোচনা করে যদি পি পি মডেলে সেটাকে নেওয়া যায় তাহলে বরাক বাসী খুব উপকৃত হবে। রাজ্যের মানুষ আর্শীবাদ দেবে।

মাননীয় অধ্যক্ষ মহোদয়, জ্যোতিষ্মান আচঁনি তা আমরা কল্পনাও করিনি। আজ মাননীয় প্রধানমন্ত্রীর দৌলতে পণ্ডিত দীনদয়াল উপাধ্যাযের গ্রাম্য বিদ্যুৎ যোজনার আওতায় সমস্থ ভারতবর্ষ তথা অসমের গ্রামে গ্রামে প্রায় সব জায়গাতেই আলো পৌছে গিয়েছে। আর সৌভাগ্য যোজনার মাধ্যমে সাধারণ মানুষের ঘরে ঘরে আলো পৌঁছে গিয়েছে। এবারের বাজেটে মাননীয় বিত্ত মন্ত্রী যে ঘোষণা করলেন ৩০ ওয়াট পর্যন্ত মাসুল লাগবে না। সেটা দুর্দান্ত একটা যোজনা কেননা আমরা যারা বিধায়করা সাধারণ মানুষের সংস্পর্যে আছি, গরীব মানুষরা সৌভাগ্য যোজনার মাধ্যমে কারেন্ট পেয়ে যায় কিন্তু বিল দিতে পারেনা। তাই ৩০ ইউনিট পর্যন্ত যেটা ফ্রি করলেন তার জন্য আমি ধন্যবাদ জানাই। আদিবাসী ও চা বাগানের ক্ষেত্রে অন্য যোজনার কথা বলা হয়েছে। স্বাধীনতার ৭২ বছর হলো তার মধ্যে ৬৫ বছর আমাদের চা বাগানের ভাই বোনেরা বঞ্চিত ছিল, শোষিত ও অবহেলিত ছিল। কোনো সরকার তাদের কথা ভাবেনি। এই প্রথম সরকার যারা চা বাগানের শ্রমিকদের বা গর্ভবতী মায়েদের কথা ভাবছে। গর্ভবতী মায়েরা চা বাগানের যারা অপুষ্টি রোগে ভোগে। তাদের পুষ্টিকর আহারের জন্য ১২ হাজার টাকা ছিল আগে এবার ১৮ হাজার টাকা দেড় মাসের কথা বলেছেন অর্থাৎ মাসে এক হাজার টাকা করে। এদের আর্শীবাদ আমাদের সরকার নিশ্চিত ভাবে পাবে। এছাড়া শিক্ষার ক্ষেত্রে তাদের অনেক সাহায্য করা হয়েছে। আমি সেই বিষয়ে বিস্তারিত ভাবে বলবো না।

মাননীয় অধ্যক্ষ মহোদয় আমি পর্যটন আর স্পোর্টস নিয়ে দুটা কথা বলতে চাই। আমাদের অসম প্রাকৃতিক সম্পদে ভরপুর। অনেক সময় মনে হয় যেমন ঈশ্বর তাঁর আপন মনের মাধুরী দিয়ে মা জননী অসমকে সাজিয়েছেন। এত সুন্দর দৃশ্য। কার্বি-আংলং ও ডিমা-হাসাও এই দুটি অঞ্চলকে আরও উন্নত করতে হবে। আমাদের কাজিরঙ্গাতে infrastructure আছে, কিন্তু মানস ওরাং বা অন্যান্য অভায়ারণ্যে কিন্তু infrastructure এর অভাব আছে। গেস্ট হাউস নেই, সেটার ব্যবস্থা করলে কিন্তু পর্যটনের ক্ষেত্রে আমাদের অনেক উপকার হবে এবং অনেক আয়ও হবে।

স্পোর্টসের ক্ষেত্রে বলবো যে, মাননীয় মুখ্যমন্ত্রী নিজে একজন স্পোর্টসমেন। তিনি আসার পর স্পোর্টসের ক্ষেত্রে আমরা অনেক এগিয়ে গিয়েছি। অনেক উন্নতি হয়েছে এটা মানতেই হবে। কিছু দিন আগে আমাদের খেলো ইণ্ডিয়া হয়েছিল। প্রতিটি ব্লক লেভেলে পঞ্চায়েত স্তরে ইভেন্ট হয়েছিল । এথেল্যাটিক ও ফুটবলে ভালো সাড়া পাওয়া গিয়েছে। কিন্তু infrastructure অভাব আছে। আমি অনুরোধ করবো প্রতিটি জেলায় স্থায়ী ডি এস অর্থাৎ ডিস্ট্রিক্ট স্পোর্টস অফিসার নিযুক্তি দেওয়া হয়। পি আই অর্থাৎ ফিজিক্যাল ইনস্ট্রাক্টর দেওয়া হয়, তাহলে আমরা আরও এগিয়ে যেতে পারব। এখানে আরও একটি কথা বলবো অরুণোদয় অনেকেরই চিন্তার কারণ হয়ে দাড়িয়েছে। আমরা জানি অরুণোদয়ের মাধ্যমে ২৭ লক্ষ মানুষের জীবনে নতূন সূর্যোদয় ঘটাবে। আর সেই সঙ্গে এটাও জানি যে সাধারণ মানুষের মুখে হাঁসি ফূটাবে কিন্তু আবার অনেকেরই ব্লাড প্রেসার ও সুগার বেড়ে যাবে। যাই হোক মানুষ খুশি থাকলেই আমরা খুশি, আমরা চাই মানুষের উন্নয়ন। যেভাবে মাননীয় মুখ্যমন্ত্রী ও মাননীয় বিত্ত মন্ত্রী সাধারণ মানুষের জন্য সর্বব্যাপী ও সর্বস্পর্শী বাজেট পেশ করলেন তার জন্য আমি আপনার মাধ্যমে অসংখ্য ধন্যবাদ জানিয়ে আমার বক্তব্য

শেষ করলাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া মাননীয় সদস্য মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈছা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট ভাষণৰ বিতৰ্কত আপুনি অংশ লোৱাৰ সুবিধা দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। সেইদিনাখন মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে **১৩,৭৬২** কোটি টকাৰ এখন বাজেট **২০২০-২১** বিত্তীয় বৰ্ষৰ কাৰণে বিধান সভাত দাখিল কৰিলে। সেই বাজেটৰ বিতৰ্ক চলি আছে। ইয়াত শিক্ষা বিভাগত আৰু স্বাস্থ্য বিভাগৰ তেখেতে নিজে মন্ত্ৰী সেইকাৰণে সেই বিভাগ দুটাত খুবসম্ভৱ পইচাৰ আৱন্টনতো বেছি। শিক্ষাত ৯৯.২ শতাংশ, স্বাস্থ্যত ৬.৪ শতাংশ, কৃষি আৰু alied activities ত ৫ শতাংশ, Rural development ত ৩.৮ শতাংশ, পুলিচ ৪.৭ শতাংশ, Road & Bridges ৯.৫ শতাংশ পইচা আৱন্টন কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে আৰু অন্যান্য মন্ত্ৰী মহোদয়ে লগভাগ কৰে, এইটো এটা ভাল অভ্যাস। এই ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে ভৱিষ্যতে employment generation হ'ব লাগিব আৰু আপোনালোকে আগত কৈছিল state basis, central basis ত চাকৰি দিব। আগতেও আমাৰ মাননীয় দুইগৰাকী সন্মানীয় সদস্যই এই বিষয়ত আলোচনা কৰিছে। গতিকে মই বহলাই নকওঁ। কিন্তু এটা Govt. report ৰ এটা লাইন কৈ দিছো - According to the periodic labour force survey 2017-18 Assam has an unemployment rate of 8.8% which is higher than rate of all India unemployment rate of 6.1%. দিল্লীতো বিজেপি চৰকাৰ, অসমতো বিজেপি চৰকাৰ। দিল্লীতকৈ অসমত unemployment rate টো বেছি। The female unemployment rate in Assam is 13.9% which is much higher than the all India female unemployment rate of 5.7%. মানে দুয়োটাতে অসম highest unemployment ৰ ক্ষেত্ৰত।

(Panel of Chairperson on the chair)

মাননীয় সভানেত্ৰী মহোদয়া, কিছুমানৰ শব্দৰ লগত লীলাখেলা কৰাৰ অভাৱ। মোৰ তেনেকৈ এই তথ্যপাতিৰ লগত লীলাখেলা কৰাৰ অভাৱ। মই এইবিলাক চাই ভাল পাওঁ। তাত গৈ মই দেখিলো বাজেট এটা কথা কয়, Statistical Handbook ত এটা কথা কয়, Economic Survey ত এটা কথা কয়।

Primary Sector growth rate মানে Agriculture বা Alied sector বিলাক। Statistical Handbook ত কৈছে 2017-18 Financial year ত only 3.7% আৰু 2018-19 3.4% । মাননীয় বিত্তমন্ত্ৰী মহোদয়ে GDP আৰু GSDP ৰ কথা কৈ গৈছে। বহু ডাঙৰ কথা। যেতিয়া World Bank কে কৈ আছে Indian economy বেয়া, IMF য়ে কৈ আছে Indian economy বেয়া, Central Govt য়ে কৈ আছে ভাৰতবৰ্ষৰ GDP মাত্ৰ 4.3% সেই মূহুৰ্তত আমাৰ মাননীয় বিত্তমন্ত্ৰীয়ে কৈ আছে যে অসমৰ GSDP হ'ল 12.38%। কেনেকৈ মানি লব পাৰি। মই কোনো economist নহয়, কিন্তু যিহেতু ইমান ডাঙৰ কথা তেখেতে কৈছে কিবা নহলেতো কিবা আছে। নহলে কেনেকৈ কব। 12.38% ধেমালী নহয়। য'ত all over India ৰ GDP only 4.3% . details মই চাইছো আৰু report তো বনাইছো। যদি মই সুযোগ পাওঁ, তেনেহলে মই debate ৰ কাৰণে আনিম, প্ৰায় ৫০০ পৃষ্ঠাৰ। গতিকে আজি

মই details ত নাযাওঁ। 2017-18 ত আছিলে 8.3%, 2018-19 আছিলে 6.9% as per Statistical Handbook Assam । এই GDP ৰ status দেখুৱাইছে, ইয়াত এটা কথা আছে বৰ্তমানৰ মুল্যত একদম সহজ সৰল ভাষাত যদি বুজিবলৈ চেষ্টা কৰো, ধৰি লওঁক যোৱা বছৰ এক কেজি আলু উৎপাদন হৈছে, দাম ২০ টকা আৰু এক লিটাৰ মিঠাতেল উৎপাদন হৈছে দাম ১০০ টকা। এইবাৰ সেই এক কেজি আলু উৎপাদন হৈছে দাম ৪০ টকা আৰু মিঠাতেল এক লিটাৰ উৎপাদন হৈছে দাম ২০০ টকা। উৎপাদনটো বঢ়া নাই, দামটো বঢ়িছে, এইটোৱে মাননীয় বিত্তমন্ত্ৰীয়ে দেখুৱাই দিছে GSDP 12.38% । সেইকাৰণে লিখা আছে বৰ্তমানৰ মুল্যৰ শব্দটোতে গোটেই ঘটনাটো লুকাই আছে। মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ quality যে তেখেতে এনেকুৱা এটা কথা সকলোকে বুজাই দিব পাৰে আৰু আমি বুজি যাওঁ। এই কথাৰ মায়াজাল তেখেতে ভালকৈ জানে এক skill অৰেটত। সেইকাৰণে মই তেখেতক ধন্যবাদ দিব লাগিব।

তাৰ পিছত থাকিলে Power & Electricity - page no. 8 ত তেখেতে কৈছে ৬৯.৬৬ লাখ ঘৰ। অৰ্থাৎ শতকৰা এশ ভাগ গৃহস্থী বিদ্যুৎ যোগানৰ পৰিপুৰ্ণ কৰা হৈছে। same declaration মাননীয় প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই কৰিছিল, তাৰ পিছত যে কথাটো অসত্য গোটেই ভাৰতবৰ্ষৰ মিডিয়াই এই কভাৰেজ কৰিছিল। মাননীয়া সভানেত্ৰী মহোদয়া, মই এটা চৰকাৰী ডাটা আপোনাক দিব বিচাৰিছো ২০১১ চনত গোটেই অসমত house hold আছিলে ৬৪,০০, ০৭১ জন। round figure ধৰিলওঁক ৬৪ লাখ। এই Statistical Handbook Assam য়ে কৈ আছে (page no. 161) domestic connection তেওঁলোকে দিয়া দেখুৱাইছে ৫০,৪১,০৩৫ টা ঘৰ। তাৰমানে চৰকাৰে কোৱা মতে ১৩,৬৫,৪৩৪ টা ঘৰ বিজুলীৰ connection পাবলৈ বাকী আছে। ২০১১ চনত population আছিলে - ৩.১২ কোটি, ঘৰ আছিলে -৬৪ লাখ। এতিয়া প্ৰায় ২০ বছৰ হৈ গ'ল, census আকৌ আৰম্ভ হ'ব। কেনেকৈ ডাটাতো সত্য হ'ব যে শতকৰা এশ ভাগ বিজুলী connection হৈ গ'ল। Record য়ে কৈ আছে যে ২০১১ চনৰ খিনিয়ে ফিলআপ হোৱা নাই, ১৩ লাখ বাকী আছে।

মাননীয়া সভানেত্ৰী মহোদয়া, মেডিকেল বিভাগটো তেখেতে নিজে মন্ত্ৰী। মেডিকেল বিভাগটো তেখেতে চলাই। বাজেটৰ পেজ নং ৬৭-৬৯ (অসমীয়া ভাৰ্চন) তাত বহুখিনি ভাল ভাল কথা তেখেতে কৈছে, কিন্তু এটা বাস্তৱ সত্য মই সদনত দাঙি ধৰিব বিচাৰিছো অসমত as per Statistical Handbook Assam, 2019 য়ে কৈ আছে ৩২,৯৮৬ জন মানুহৰ বিপৰীতে মাত্ৰ এখন পি এইচ ই আৰু ১০,১৩৪ জন মানুহৰ বিপৰীতে এজন এম বি বিএছ ডক্তৰ। ২০০১ চনৰ পৰাই তেখেতেই মন্ত্ৰী হৈ আছে, তেখেতেই বাজেট দি আছে। তেখেতৰ record য়ে এইটো কৈ আছে। তাৰ পিছত মাননীয় ৰকিবুল হুছেইন ডাঙৰীয়াই অলপমান আগতে কৈ গৈছে যে কিছুমান ঠাইত কিছুমান প্ৰলোভনমুখী আঁচনি দিছে। বাজেটত individual benefit ৰ বাবে বহু কথা আছে। বাজেটত উল্লেখ কৰা মতে 30 unit কৈ বিনামূলীয়া বিদ্যুৎ যোগান, missed dues দিয়া ইত্যাদিবোৰ দিবলৈ হ'লে ৰাজহ ক'ৰ পৰা আহিব? মোৰ কাৰো প্ৰতি আক্ষেপ নাই। আপোনালোকক ৰাইজে বেছিকৈ ভোট দিছে বাবে আপোনালোকে শাসনত আছে আৰু আমি বিৰোধী পক্ষত আছো। কিন্তু, এইক্ষেত্ৰত যদি আমি তথ্যবোৰ অধ্যয়ন কৰি চাওঁ, তেতিয়া চৰকাৰখনে মাৰটো ক'ত মাৰিছে জানিব পৰা যায়। মই কিছুমান তথ্য ইয়াত উল্লেখ কৰিব বিচাৰিছো। মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে Individual Beneficiary Scheme ৰ বিষয়ে ঘোষণা কৰিছে আৰু এই আঁচনিবোৰৰ বাবে তেওঁলোকে এনেদৰে পইচাবোৰ আনিছে- Education, Arts, Sports

and Culture ৰ পৰা ২০১৮-১৯ বৰ্ষৰ তুলনাত ২০২০-২১ বৰ্ষত ৯% টকা কাটিছে। মই তথ্যবোৰৰ সম্পূৰ্ণ table বনাই আনিছো আৰু এই data ৰে মই challenge কৰিব পাৰো, কিন্তু সময়ৰ অভাৱত মই মাত্ৰ সংখ্যা কেইটা কৈ গৈছো। Transport Department ত ১৯%; Water Supply, Sanitation, Housing and Urban Development ত ১৫%; Agriculture and Allied Activities ত ২৭% টকা কাটিছে। Agriculture, যি অসমৰ পৰিচয়, এই ক্ষেত্ৰত মই আচৰিত হৈছো যে কৃষিমন্ত্ৰীয়ে একো এটা মাত মতা নাই। Next, Police Department where the Chief Minister himself the Home Minister, তেওঁৰ বিভাগৰ পৰা ২০% পইচা কাটিছে। Social Welfare and Nutrition Department ৰ অধীনত individual beneficiary ৰ সংখ্যা বেছি থকা বাবে ৪% বঢ়াই দিছে। অসমৰ পৰিচয়, Rural Development Department, তাতে আকৌ Rural Development ৰ মন্ত্ৰী মোৰ জিলাৰে। তাৰ পৰা ৪৫% টকা কাটিছে। আমি বাজেটৰ ভিতৰৰ কথাবোৰ নাচাওঁ। বাতৰি কাকত, টি.ভি.ৰ পৰ্দাত ঘোষণাবোৰ দেখিবলৈ পাওঁ আৰু সেইখিনি দেখি আমি বাঃ বাঃ কৰোঁ। Irrigation and Flood Control ৰ পৰা ২৫% টকা, Welfare of SC, ST, OBC & Minorities Department ৰ পৰা ৫% টকা কাটিছে। এই টকাবোৰ কৰ্তন কৰাক লৈ মই তেখেতক blame কৰা নাই, কিন্তু, individual beneficiary ৰ কাৰণে লৈ যোৱাৰ বাবেহে উল্লেখ কৰিছো। সেই টকাবোৰ ক'ৰ পৰা আহিছে মই সেইটো দেখুৱাব বিচাৰিছো।

মাননীয় সভানেত্ৰী মহোদয়া, চৰকাৰখন অহাৰ আগতে তেওঁলোকে প্ৰদূষণমুক্ত, দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসমুক্ত নীতিৰ কথা কৈছিল আৰু ২০১৬-১৭ বৰ্ষৰ বাজেটতো এই বিষয়ে উল্লেখ কৰিছিল। কিন্তু, এতিয়া চৰকাৰখনে এই নীতি সমূহৰ কথা পাহৰি গৈছে আৰু ৰাইজেও দেখিছে যে এই নীতি অনুসৰি কি কাম হৈছে বা কি কাম হোৱা নাই। গতিকে এই নীতিৰ বিষয়ে আৰু নকওঁ। কিন্তু, এইবাৰবাজেটত কেইটামান নতুন নীতিৰ বিষয়ে উল্লেখ কৰিছে। বাজেট ভাষণৰ পৃষ্ঠা নং ২ ত কৈছে, ২০১৬ বৰ্ষত মোৰ প্ৰথমখন বাজেটত আমাৰ চৰকাৰ আৰু প্ৰশাসনৰ মূল দৰ্শনৰ নীতি আৰু ৰূপৰেখা তৈয়াৰ কৰা হৈছিল। আমাৰ প্ৰশাসনৰ মডেলটোৰ চাৰিটা স্তম্ভ আমি চিনাক্ত কৰিছিলো আৰু সেইকেইটা হ'ল- ব্যক্তিজীৱনৰ সততা, ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ, প্ৰশাসনিক ন্যায্যতা আৰু জন অংশীদাৰিত্ব। এই চাৰিটা নীতিৰ ওপৰত মাননীয় বিত্তমন্ত্ৰী মহোদয়ে বাজেটখন বনাইছে। The Economic Times, 23rd January, 2020 অনুসৰি Corruption ৰ ক্ষেত্ৰত ভাৰতবৰ্ষ পৃথিৱীৰ ৮০নং স্থানত আছে আৰু Deccan Chronicle অনুসৰি অসম 5th most Corrupted State in India হিচাপে আছে। এই সকলোখিনি তথ্য মই লৈ আহিছো আৰু এয়া হৈছে ব্যক্তিজীৱনৰ সততাৰ এক চানেকী মাত্ৰ। প্ৰশাসনিক ন্যায্যতা বা Governance Legitimacy বা Administrative Acceptance, আমি যি ভাষাৰেই নকওঁ কিয়, কথা একেটাই। এই সম্পৰ্কত Assam State Directorate of Vigilance and Anti-Corruption ৰ tweet এটাৰ বিষয়ে ক'ব বিচাৰিছো। তেওঁলোকে 08-01-2020 ত এইবুলি tweet কৰিছে যে, "Do not give Rs. 100 or Rs. 1000 for Chai Pani Kharach for Police Verification of Passport. Verification is supposed to be time bound. Report such demand to District S.P. and this Directorate." অৰ্থাৎ চৰকাৰৰ Agency য়ে কৈ আছে যে Police Verifi-

cation ৰ বাবে যদি ক'ৰবাত যোৱা হয়, তেন্তে চাহ-পানী খাবৰ বাবে এশ টকা বা এহাজাৰ টকা নিদিবা। এইটো মই কোৱা নাই। চৰকাৰৰ বিভাগেই কৈছে। ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ (Political inclusiveness) আৰু জনঅংশীদাৰিত্ব (People's Participation ) ৰ বিষয়ে চমুকে কৈ মোৰ বক্তব্য সামৰিম। বিজেপি চৰকাৰে ভোট পাই ক্ষমতাত আছে আৰু আমি বেছি ভোট নোপোৱাৰ বাবে ক্ষমতাত নাই, it is a democratic process. অসমৰ সকলো জাতি-জনগোষ্ঠীক মই বিনয়েৰে কৈছো যে মই কাৰো সমালোচনা কৰা নাই, প্ৰত্যেককে আমি সন্মান কৰো। ২০১১ বৰ্ষৰ লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যাৰ বিপৰীতে অসম চৰকাৰৰ কেবিনেটৰ Community wise যি data আছে, তাৰ status মই দাঙি ধৰিব বিচাৰিছো-

| **Caste** | **Sonowal-Kachari** | **Ahom** | **Brahmin** | **Kalita** | **Kayastha** | **Muslim** | **Tribal** | **Chutiya (tribal)** | **Bengali Hindu** | **Koch Rajbongshi** |
|---|---|---|---|---|---|---|---|---|---|---|
| **Population (%)** | **0.75** | **8.9** | **3.2** | **-** | **-** | **34.22** | **12.5** | **Less than 1%** | **18** | **22** |
| **Cabi-net Represen tation** | **Chief Minister** | **0.0** | **16.7** | **-** | **-** | **0.0** | **50** | **8.3** | **8.3** | **8.3** |

উপৰোক্ত তথ্য অনুসৰি আমি ভাগ্যৱান যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সোণোৱাল - কছাৰী সম্প্ৰদায়ক

প্ৰতিনিধিত্ব কৰে। আকৌ, আহোম সম্প্ৰদায়ৰ পৰা আগতে কোনেও কেবিনেটত প্ৰতিনিধিত্ব কৰা নাছিল যদিও কিছুদিন আগতে যোগেন মোহন ডাঙৰীয়াক মন্ত্ৰীৰ কেবিনেটত অন্তৰ্ভুক্ত কৰা হৈছে। মুছলমান সম্প্ৰদায়ৰ জনসংখ্যা অসমৰ মুঠ জনসংখ্যাৰ ৩৪.২২% যদিও কেবিনেটত ইয়াৰ সংখ্যা শূন্য। এয়াই হ'ল প্ৰকৃত ছবি।

অৰুণ জেটলী যেতিয়া বিত্ত মন্ত্ৰী আছিল, তেতিয়া সংসদৰ Central Hall ত তেখেতৰ এটা বক্তব্য শুনাৰ সৌভাগ্য মোৰ হৈছিল।বাজেটত যি Individual Beneficiary Scheme ৰ সম্পৰ্কে কোৱা হয়, সেই বিষয়ে তেখেতে কৈছিল যে কোনো চৰকাৰে Individual Beneficiary Scheme ৰে নিৰ্বাচন জিকিব নোৱাৰে। এই কথাটো তেখেতে চন্দ্ৰবাবু নাইডুক উদ্দেশ্যি কৈছিল। চন্দ্ৰবাবু নাইডু বৰ্তমান অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী আৰু তেতিয়া NDA ৰ partner আছিল। Individual Beneficiary Scheme দি দি চন্দ্ৰবাবু নাইডুৰ অৱস্থা এতিয়া politically irrelevant হৈ গৈছে আৰু ২০১৬ বৰ্ষত কংগ্ৰেছে Individual Beneficiary Scheme দিয়াৰ ফলত কি অৱস্থা হৈছিল সেই সম্পৰ্কেও ৰকিবুল হুছেইন ডাঙৰীয়াই কৈ গৈছে। শাসক পক্ষৰ বিধায়কে কৈছে যে এই বাজেটখন হেনো সপোনৰ বাজেট। কিন্তু, এই সপোনৰ বাজেটখনৰ বাবে advertisement দিবলগীয়া হৈছে, Hoarding লগাব লগীয়া হৈছে। ১৯৯৭ত United Front Government ত পি. চিডাম্বৰম যেতিয়া বিত্তমন্ত্ৰী আছিল, তেতিয়া ডাঙৰ ডাঙৰকৈ Dream Budget of India বুলি Headline ওলোৱা মোৰ মনত আছে। ১৯৯৭ৰ বাজেটখন ভাৰতবৰ্ষৰ অৰ্থনীতিৰ বাবে এক milestone, সেইটো মই ক'বলৈ নাযাওঁ। কিন্তু, ইয়াৰ পিছত এই Dream Budget দিয়া মানুহজন বা Dream Budget দিয়া চৰকাৰখন অৰ্থাৎ United Front Government কেতিয়াও গঠন হ'ব পৰা নাই। গতিকে, মই কিছুমান প্ৰকৃত তথ্য দিয়াৰ প্ৰয়াস কৰিছো। চৰকাৰে ৰাইজৰ ভোটত নিৰ্বাচিত হৈছে, গতিকে তেওঁলোকে ৰাইজক ক'বই যে আমি এইটো কৰিম, সেইটো কৰিম। কাৰণ তেতিয়াহে ৰাইজে ভাল পাব। গতিকে মোৰ মূল কথাটো হ'ল Individual Beneficiary Scheme দি কোনোদিনে নিৰ্বাচন জিকিব পৰা নাযায়। এইকথাখিনি মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় সভানেত্ৰীঃ** এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয়া সভানেত্ৰী মহোদয়া, আমাৰ সদনৰ মজিয়াত যোৱা ৬ তাৰিখে এই চৰকাৰৰ এখন কল্যাণকামী বাজেট মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই দাঙি ধৰিছে। এই সম্পৰ্কত শাসক-বিৰোধী উভয়ৰে আলোচনা-বিলোচনা ইতিমধ্যে অব্যাহত আছে আৰু এই সন্দৰ্ভত আপুনি আমাকো একাষাৰ ক'বৰ নিমিত্তে সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাই একাষাৰ ক'ব বিচাৰিছো। আজিৰ দিনটোৰ গোটেই কথাখিনি শাসক বিৰোধী উভয়ে শুনাৰ পিছত বিশেষকৈ বিৰোধী দলৰ সদস্য সকলে এটা কথা প্ৰতীয়মান কৰিব খুজিছে যে এই বাজেটখন জনকল্যাণমুখী বাজেট নহয়। এইখন নিৰ্বাচন মুখী বাজেট। কিন্তু মাননীয় সভানেত্ৰী মহোদয়া আমি আপোনাক জনাব বিচাৰিছো আৰু আপোনাৰ জৰিয়তে সদনকো অৱগত কৰিব খুজো যে মই মোৰ জীৱনকালত ২৫ টা বছৰ ৰাজনৈতিকভাৱে সক্ৰিয় হৈ আছো। যদিওবা বিধায়ক প্ৰথমবাৰৰ বাবে হৈছো। বিগত দিনবোৰ মই বিধায়ক হিচাপে নাছিলো যদিও আগৰ চৰকাৰৰ বাজেট সমূহ ওচৰৰ পৰা অনুধাৱন কৰো আৰু টেলিভিচন যোগে অথবা পেপাৰত পঢ়ো। এই গোটেই কথাবিলাক তুলনামূলক অধ্যয়ণ কৰাৰ পিছত আমি দেখিছো যে বিৰোধী সকলে কোনফালৰ পৰা কোন টো সূত্ৰত নিৰ্বাচন মুখী

বাজেট বুলি কৈছে, মই বুজি পোৱা নাই। কাৰণ এই গোটেই বাজেটখনত নিৰ্বাচন আৰু ভোটৰ কথা একেবাৰে নাই। কিন্তু বিৰোধী দলৰ এজন জ্যেষ্ঠ সদস্যই আৰম্ভণিটো কৰিছে যে এই যিবিলাক আঁচনি দিয়া হৈছে, এই গোটেই সমূহ ভোট কেন্দ্ৰীক আঁচনি, যিবিলাক তেখেত সকলে নিজৰ চৰকাৰৰ কথা কৈছে যে আমাৰ দিনত এইবিলাক কৰিও আমি চৰকাৰত আহিব নোৱাৰিলো। গতিকে তেখেতসকলে যদি ভোটৰ ওপৰত কেন্দ্ৰ কৰি আঁচনি কৰিছিল, আমাৰ ক'বলগীয়া একো নাই। কিন্তু আমি নিশ্চিতভাৱে ক'ব পাৰো যে আমাৰ এইখন চৰকাৰে কোনো আঁচনি কেতিয়াও ভোট আৰু নিৰ্বাচনৰ কথা ভাবি কৰা নাই আৰু ভৱিষ্যতেও নকৰে। সেইকাৰণে এইখন কোনো ভোট বা নিৰ্বাচনমুখী বাজেট নহয়, জনকল্যাণমুখী বাজেট বুলি নিশ্চয় আখ্যা দিব পাৰো। আজি ইয়াত কোৱা হৈছে যে আমাৰ যিখন বাজেট হ'ল, সেই বাজেটত বিভিন্ন সামাজিক অৱস্থা, ৰাজনৈতিক অৱস্থা, অৰ্থনৈতিক অৱস্থা আৰু ইয়াৰ সুস্থিৰতাৰ কথা উল্লেখ কৰিছে। কিন্তু তেখেতসকলে এটা কথা ভাবক যে ১৫ বছৰৰ শাসন কালত এই ৩ ধৰণৰ অৱস্থা সুস্থিৰ নে অস্থিৰ আছিল, তেখেত সকলে নিজে এবাৰ ভাবক। আমি ন দি ক'ব পাৰো যে এই চৰকাৰৰ দিনত কোনো ৰাজনৈতিক অস্থিৰতাও নাই, সামাজিক অস্থিৰতাও নাই আৰু অৰ্থনৈতিক অস্থিৰতাও আমি আজিলৈকে দেখিবলৈ পোৱা নাই। এই চৰকাৰৰ দিনত কোনো চৰকাৰী চাকৰিয়লে দৰমহা নোপোৱাকৈ থকা দেখা নাই। কোনো চৰকাৰী আঁচনি বিফল হোৱা কেতিয়াও দেখা নাই। অথচ বিগত চৰকাৰৰ দিনত বহু আঁচনি লোৱা হৈছিল কিন্তু সেইবোৰ ৰূপায়ণ নকৰাকৈ আধৰুৱাকৈ বা একেবাৰে আৰম্ভণি নকৰাকৈ তেওঁলোকে এৰি দিবলগীয়া হৈছিল। সেইবোৰ অসমৰ ৰাজনৈতিক ইতিহাসত এতিয়াও লিপিবদ্ধ হৈ আছে। কিন্তু সেইবোৰ কথা হয়তো তেখেত সকলে সময়ৰ সোঁতত পাহৰি গৈছে। যিয়ে নহওঁক, আজি আমি সোঁৱৰাই দিব খুজিছো যে আজি অসমত কিবা ৰাজনৈতিক অস্থিৰতা আছিল বা আছে, আমি এটাই কাৰণ ক'ব পাৰো যে নাগৰিকত্ব সংশোধনী বিলখনক লৈ যদি অসমত ১ মাহ বা ডেৰ মাহ জোৰা অস্থিৰ পৰিৱেশৰ চেষ্টা কৰিছিল, তাৰ বাহিৰে কোনো ৰাজনৈতিক অস্থিৰতা আমি দেখিবলৈ পোৱা নাই আৰু সেই বিষয়টোত 'CAA' আন্দোলনক লৈ যিটো ৰাজনৈতিক অস্থিৰতাৰ কথা কোৱা হৈছে, এই ৰাজনৈতিক অস্থিৰতা হোৱাৰ অন্তৰত এটা ভিতৰুৱা কিছু কিছু কাৰণ থকা কথাটো ইতিমধ্যে ৰাইজে বুজি পাইছে আৰু প্ৰতীয়মান হৈছে আৰু এই গোটেই আন্দোলনটোৱেই যে এটা ৰাজনৈতিক অভিসন্ধি আছিল, সেই কথাটো এতিয়া অসমৰ ৰাইজে বুজি পাইছে আৰু প্ৰতীয়মান হৈছে। এই কথাখিনি যদি ভাৰতবৰ্ষৰ এজন দাৰ্শনিক চাণক্যৰ কথা মোৰ মনলৈ আহিছে। যদিও মই কোনো সংস্থা বা ৰাজনৈতিক দলক দোষ দিব নুখোজো কিন্তু এটা কথা মোৰ মনলৈ আহিছে চাণক্যই কৈছে যে When the king becomes stronger and controls the Nation, the thief, terroriest and traitor feel the heat and complain of intolerance in the society. এই কথাষাৰ চাণক্যই কৈছিল। আজি সমগ্ৰ ভাৰতবৰ্ষত যোৱা ১ মাহ-২ মাহ ধৰি যি পৰিৱেশ-পৰিস্থিতিৰ এটা অপশক্তিয়ে সৃষ্টি কৰিবলৈ ধৰিলে, দিল্লীত যি অৱস্থা কৰিলে এই গোটেই কথাবিলাকৰ পৰা আমি এটা কথা নিশ্চিত হৈছো যে আমাৰ চৰকাৰ বিৰোধী এটা শক্তিয়ে এনেদৰে চৰকাৰখনক অস্থিৰ কৰিবৰ কাৰণে চেষ্টা কৰিছে। আমাৰ চৰকাৰখনে যিহেতু দায়িত্বশীলতাৰে কাম কৰি গৈছে, এই কথাটো অস্থিৰ কৰিবৰ কাৰণে ৰাইজৰ মাজতো এটা ভুল বাৰ্তা প্ৰেৰণ কৰিবৰ কাৰণে তেখেত সকলে এই ধৰণৰ কাৰ্য্যপন্থাবোৰ লৈছিল আৰু অসমতো তেনেধৰণৰ এটা উদ্‌গীৰণ দেখিবলৈ পাইছিলো। এতিয়া ৰাইজে সকলোবোৰ কথা বুজি পাইছে যে অসমলৈ পুনৰ স্বাভাৱিক ৰাজনৈতিক, সামাজিক,

অৰ্থনৈতিক সুস্থিৰ অৱস্থা এটা ঘূৰি আহিছে আৰু ভৱিষ্যতলৈও বৰ্তি থাকিব। মাননীয়া সভানেত্ৰী মহোদয়া, মই আৰু এটা কথা ক'ব খুজো যে আজি এইখন চৰকাৰে যোৱা চাৰিটা বছৰ ইতিমধ্যে সম্পন্ন কৰিছে আৰু এইখন বাজেট এইখন চৰকাৰৰ একেবাৰে অন্তিম বাজেট। যোৱা চাৰিটা বছৰৰ যদি ইতিহাস অধ্যয়ণ কৰো আমি নিশ্চিতভাৱে গম পাম আৰু বুজিব পাৰিম যে এই চৰকাৰখন এখন নিজৰ ওপৰত নিজে আত্ম নিৰ্ভৰশীল চৰকাৰ আৰু আত্মনিৰ্ভশীল এখন চৰকাৰে নিজৰ উপাৰ্জনৰ ওপৰত বাজেট প্ৰস্তুত কৰি চৰকাৰে বিভিন্ন কাম-কাজ কৰি যোৱাটো আমাৰ পৰিলক্ষিত হৈছে আৰু আনকি বিৰোধী দলৰ সদস্য সকলেও তাৰ ফল ভোগ কৰিবলৈ সক্ষম হৈছে। আমি যদি আজি ৰাস্তা-পদূলি উন্নয়ণৰ ক্ষেত্ৰত চাওঁ, শ শ কিলোমিটাৰ, মোৰ নিজৰ মৰাণ সমষ্টিতে দুশ কিলোমিটাৰতকৈ অধিক ৰাস্তা মই যোৱা চাৰিটা বছৰত মই নতুন ৰাস্তা নিৰ্মাণ কৰি ৰাইজক উপহাৰ দিবলৈ সক্ষম হৈছো। তেনেধৰণে আজি নজিৰ বিহীনভাৱে মোৰ সমষ্টি মৰাণত ১৫ বছৰ এগৰাকী বিধায়িকা থকাৰ পিছতো তেখেতে ১৫ খন বাদ দিয়ক, এখন পকা দলঙো নিৰ্মাণ কৰিবলৈ সক্ষম নহ'ল। দুখন দলং নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু চাৰিটা চৰিটা খুঁটা পুতি আধৰুৱা কৰি গৈছে। কিন্তু আজি সেই দুখন দলং সম্পূৰ্ণ কৰাৰ উপৰিও আৰু ১২ খন দলং নিৰ্মাণ কৰি গোটেই সমষ্টিটো ১৪ খন পকী দলং ইতিমধ্যে PMGSY আৰু চৰকাৰী আঁচনিৰ দ্বাৰা নিৰ্মাণ কৰি ৰাইজক উপহাৰ দিবলৈ সক্ষম হৈছো। আজি আমি চাহ জনগোষ্ঠীৰ ক্ষেত্ৰত ক'ব পাৰো যে চাহ জনগোষ্ঠী এই পিছপৰা শ্ৰমিক সকলক উদ্ধাৰ কৰিবৰ নিমিত্তে আৰু সামাজিক সমতা প্ৰতিষ্ঠা কৰিবৰ নিমিত্তে আজি এইখন চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰিছে। আজি চাহ শ্ৰমিক সকলক বেংকৰ লগত যোগাযোগ কৰি এটা অৰ্থনৈতিক ভাৱে শৈক্ষিক কৰি তুলিবৰ বাবে তেখেত সকলৰ মাজত এটা অৰ্থনৈতিক বিপ্লৱ সৃষ্টি কৰা হ'ল। জনধন আঁচনিৰ যোগেদি লক্ষ্য লক্ষ্য শ্ৰমিকৰ একাউণ্ট খোলাই তেখেত সকলক আৰ্থিকভাৱে সৱলীকৰণ কৰিবৰ বাবে চীড মানি পৰ্য্যন্ত তেখেতসকলক দিয়া হ'ল। যিটো ইতিমধ্যে ২৫০০-২৫০০ টকাকৈ বিগত দিনবোৰত দুবাৰকৈ দিয়া হৈছে আৰু অহাবাৰ তিনি হাজাৰ টকাকৈ বেংক একাউণ্টত দিবৰ বাবে এইখন চৰকাৰে প্ৰস্তাৱ কৰিছে। এইবোৰ কি আমাৰ চৰকাৰে কৰা ভাল কাম নহয় নেকি ? ইয়াৰ উপৰিও প্ৰত্যেকখন বাগিচাত শ্ৰমিক অহা-যোৱা কৰা সৰু সৰু ৰাস্তাবোৰ আমি পকা কৰি দিছো। শ্ৰমিক সকলে থিতাতে চিকিৎসা পাব পৰাকৈ ভ্ৰাম্যমান চিকিৎসা ব্যৱস্থা মাননীয় স্বাস্থ্য মন্ত্ৰীৰ দ্বাৰা কৰা হৈছে। এইবোৰ কি ৰাইজৰ কাৰণে কৰা ভাল কাম নহয় নেকি ? এইবোৰ সামাজিক সমতা ৰক্ষা কৰিবৰ কাৰণে কৰা ভাল কাম নহয় নেকি ? এইবোৰ কথা কিন্তু আমাৰ বিৰোধী সন্মানীয় সদস্য সকলে অনুধাৱন কৰা উচিত। আজি চাহ বনুৱা সকলৰ সৰ্বাঙ্গীন উন্নতি আৰু বিকাশৰ বাবে, মহিলা সকলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে, মহিলা শ্ৰমিক সকলক আজি বাৰ হাজাৰ টকাৰ পৰা বছৰি ওঠৰ হাজাৰ টকাকৈ প্ৰসূতি মাতৃক দিবৰ বাবে এইখন চৰকাৰে প্ৰস্তাৱ কৰিছে। এইবোৰ কি শ্ৰমিকৰ কাৰণে কৰা ভাল কাম নহয় নেকি ? তাৰোপৰিও গাঁৱৰ মানুহৰ পৰা আৰম্ভ কৰি বাগিচাৰ শ্ৰমিকলৈকে আদি কৰি সকলোকে আজি চাউল বিনামূলীয়া কৰি দিয়া হৈছে। আজি কংগ্ৰেছ চৰকাৰৰ দিনত দুই টকাত চাউল দিয়া হৈছে, সেইটো হয়। কিন্তু আমি আজি এইটো ক্ৰেডিট ল'ব লাগিব যে আমি সেই দুই টকাটো নাইকিয়া কৰি বিনা পইচা লৈ গ'লো, য'ত কোনেও এটকাও নিদিয়াকৈ চাউল কিনিব পৰা হ'ল। গতিকে এই কথাবোৰো আমি মনত ৰাখিব লাগিব। আজি মহিলা সৱলীকৰণৰ ক্ষেত্ৰত এই খন চৰকাৰে অনেক আঁচনি গ্ৰহণ কৰিছে। তাৰ ভিতৰত "কনকলতা মহিলা সৱলীকৰণ আঁচনি"ৰ কথা আমি ক'ব পাৰো। "কনকলতা মহিলা সৱলীকৰণ আঁচনি"ৰ যোগেদি আমি প্ৰথম

পৰ্য্যায়ত আত্মসহায়ক গোট বিলাকক স্বাৱলম্বিতাৰে আগবাঢ়ি যাবৰ কাৰণে পঁচিশ হাজাৰকৈ টকা দিয়া হৈছিল আৰু এইখন বাজেটত পুনৰ পঞ্চাশ হাজাৰ টকাকৈ দিবৰ বাবে বৃদ্ধি কৰা হৈছে। ঠিক তেনেদৰে "ইন্দিৰা মিৰি আঁচনি"ৰ জৰিয়তে বিধৱা বাইদেউসকলক পেঞ্চন দিবৰ বাবে ব্যৱস্থা কৰা হৈছে। "আইদেউ সন্দিকৈ মহিলা সন্মান আঁচনি"ৰ যোগেদি অবিবাহিত মহিলাসকলক সন্মান যাঁচিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। "অৰুন্ধতী আঁচনি"ৰ যোগেদি স্বৰ্ণ প্ৰদান কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এনেধৰণে অনেক মহিলা সবলীকৰণ আঁচনি লোৱা হৈছে।

গতিকে এনেধৰণৰ ইমান উন্নয়নমূলক কামসমূহ কৰি থকাৰ পিছত স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়কো দেখিছো যে তেখেতে গাৱে গাৱে বিভিন্ন চিকিৎসা সমূহলৈ সা- সজুলি প্ৰদান কৰিছে, নাৰ্চ ডাক্তৰ প্ৰদান কৰিছে আৰু যথেষ্ট তাত সুস্থিৰ এটা অৱস্থা আহিছে। গতিকে এইবিলাক কামৰ কাৰণে আমি নিশ্চিতভাৱে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকে ধৰি চৰকাৰখনক আমি ধন্যবাদ জনাব লাগিব। আজি বিৰোধী দলৰ সদস্য সকলে শংকা প্ৰকাশ কৰিছে, প্ৰশ্ন কৰিছে যে, অমুক আঁচনি লৈছে তমুক আঁচনি লৈছে, বাজেট কৰপৰা আহিব, কেনেধৰণৰ বাজেট চলিব, ক'ৰপৰা বাজেট খন ঘুৰিব। এই কথাবিলাক তেখেতলোকে প্ৰশ্ন কৰিছে। কিন্তু মই এটা কথা আপোনালোকক ক'ব খুজো, ৰামচে নামৰ অৰ্থনীতিবিদে কৈছিল যে, A Budget is not about restricting what you can spend it gives you permission to spend without guilt or regret. এই কথাষাৰো কিন্তু আমি মনত ৰাখিব লাগিব। বাজেটখন কেৱল অমুকৰ পৰা আহিব, তমুকৰ পৰা আহিব এনেকুৱা ধৰণে কোৱা কথা নহয়, বাজেটখন যেতিয়া প্ৰস্তুত কৰে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই, সৰ্বদিশৰ সকলো কথা চোৱা-চিতা কৰি চালি-জাৰি চায়হে বাজেটবিলাক প্ৰস্তুত কৰে। গতিকে মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক এই সৰ্বস্পৰ্শী, সৰ্বব্যাপী আৰু সৰ্বজনগ্ৰাহী এই বাজেটখন প্ৰস্তুত কৰি অসম চৰকাৰে ৰাইজলৈ যি উপহাৰ দিলে মই তাৰ কাৰণে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। বিৰোধী সকলে এটা প্ৰশ্ন কৰিছে আমাক যে তেখেত লোকে পুৰণি স্কীম লৈছে, পুৰণি স্কীম কিছুমান আৰম্ভ কৰিব পৰা নাই, এইবাৰ আকৌ বাজেটত উত্থাপন কৰিছে। এনেধৰণৰ কথাবিলাক তেখেতলোকে কৈছে আৰু সেই কথাবিলাকৰ উত্তৰণত মই চাণক্যৰ এটি উক্তি আজি মই ক'ব খুজিছো। চাণক্যই কৈছিল Once you start working on something do not be a afraid of failure and donot abandon it. আৰু সেই কাৰণে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে এই পুণৰ আধৰুৱা যিখিনি স্কীম বা কৰিব নোৱাৰা স্কীম কেইটা এইবাৰ পুণৰ সংলগ্ন কৰি ইয়াক পূৰ্ণ কৰিবৰ কাৰণে সংকল্প লৈছে। গতিকে মই মহোদয়ক বহুত ধন্যবাদ জনাইছো। আমাৰ সন্মুখত বহুত বাধা বিঘিনি আছে, বহুত দুৰ যাত্ৰা আমাৰ কৰিব লগা আছে, তাৰ কাৰণে আমি ভয় খোৱা নাই। কাৰণ অটলজীৰ এটা উক্তি আমি মনত পেলাইছো। অটলজীয়ে কৈছিল माना कि अन्धेरा घना लेकिन दिया जलाना कहा माना है। গতিকে দিয়া জ্বলোৱাত কাৰো মানা নাই। আমি আন্ধাৰ যিমান হলেও পোহৰেৰে আলোকিত কৰি যাম। সদৌ শেষত মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰত মাতাৰ এটি বন্দনাৰে মই মোৰ বক্তব্য সামৰিব খুজিছো। আশা কৰো আপুনি অনুমতি প্ৰদান কৰিব। যিহেতুকে দেশখনক আমি মাতৃ জ্ঞান কৰো আৰু সেইকাৰণে ভাৰত মাতাক এটি প্ৰাৰ্থনা জনাব খুজিছো মই যে আমাৰ গোটেই বিধায়ক সকলে আৰু সমগ্ৰ গোটেই চৰকাৰ খন ইমান শক্তি, ইমান আন্তৰিকতাৰে চৰকাৰখনৰ গোটেই কামবিলাক কৰিব কাৰণে গৈ আছে তাৰ কাৰণে আমাক অলপ শক্তি দিবৰ কাৰণে মই এটি প্ৰাৰ্থনা জনাইছো। এইটো সংস্কৃতত মই মাতিছো।

স্বদিয়ানাং কাৰ্য্যয়াঃ  বদ্যাকাৰিয়াম্
শুভামায়িস্যং দেহী তৎভূত্বয়েঃ
অজয়াং চ বিশ্বয়ি স্বদেহী
স্বশক্তিম সুশীলা জগৎয়েন
নম্রম্ ভৱেৎ স্বত্তংচেবয়ত কণ্টকাৰ্কিনম
মাৰ্গম     সুগম সিকিতৰ্ণ সুগংকাৰ্কিৰ্নৎ।।

অৰ্থাৎ অসমীয়াত কৈ দিছো মাননীয় অধ্যক্ষ মহোদয়, সেই বাৰত মাতৃ তোমাৰ কাৰ্য্য সাধনাৰ বাবে আমি আমাৰ ককালত টঙালী বান্ধিছো। তাৰ সাধনৰ বাবে আমাক শুভ আৰ্শীবাদ দিয়া। সমগ্ৰ বিশ্বৰ বাবে যি অজেয় এনে শক্তি দিয়া, গোটেই পৃথিৱীত বিনম্ৰ হ'ব পৰাকৈ এনে বিশুদ্ধ চেতনা তথা আমি নিজে বাছি লোৱা কণ্টকাকীৰ্ণপথ সুগম কৰিবলৈ আমাক সো-জ্ঞান দিয়া। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ Thank you. House adjourn till tomorrow and it will resume at 9.30 a.m.**